

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

একাদশ বছৰ ■ সংখ্যা ৩৩২ ■ গুৱাহাটী ■ দেওবাৰ, ১১ জুলাই, ২০২১, ২৬ আহাৰ, ১৯৪৩ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ৭.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. 11 ISSUE NO. 332 Dainandin Barta ■ Guwahati, Sunday ■ 11 July 2021 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only





মোদী কেবিনেট ২.০— পোল ৰাইট গ্ৰুপ এডিআৰৰ তথ্য

# ৯০ শতাংশ মন্ত্ৰী কোটিপতি

৭৮জনীয়া নৰেন্দ্ৰ মোদীৰ মন্ত্ৰীসভাৰ ৩৩গৰাকী মন্ত্ৰীয়েই অপৰাধ গোচৰত অভিযুক্ত ঃ ২৪গৰাকী মন্ত্ৰীৰ বিৰুদ্ধে আছে হত্যা, হত্যাৰ উদ্দেশ্যে আক্ৰমণ আৰু ডকাইতিৰ অভিযোগ ঃ ৪২ শতাংশ মন্ত্ৰীৰ বিৰুদ্ধে আছে অপৰাধজনিত গোচৰ ঃ চাৰি মন্ত্ৰীৰ বিৰুদ্ধে আছে হত্যাৰে জড়িত গোচৰ



জ্যোতিৰাদিত্য সিন্ধিয়া মন্ত্ৰীসভাৰ সবাতোকৈ ধনী মন্ত্ৰী— সিন্ধিয়াৰ আছে ৩৭৯ কোটি টকাৰ সম্পত্তি, পীযূষ গোৱেল (৯৫ কোটি), নাৰায়ণ ৰাণে (৮৭ কোটি) আৰু ৰাজীৱ চন্দ্ৰশেখৰৰ (৬৪ কোটি)



সবাতোকৈ দুখীয়া মন্ত্ৰী হ'ল ত্ৰিপুৰাৰ প্ৰতিমা ভৌমিক— ভৌমিকৰ আছে ৬ লাখ টকাৰ সম্পত্তি, পশ্চিমবংগৰ জোন বৰ্লা (১৪ লাখ) ৰাজস্থানৰ কৈলাস চৌধুৰীৰ (২৪ লাখ), ওড়িশাৰ বিশ্বেশ্বৰ টুডুৰ (২৭ লাখ), মহাৰাষ্ট্ৰৰ ভি মুৰুলীধৰণৰ (২৭ লাখ)

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১০ জুলাই ঃ** দেশৰ কেইবাখনো ৰাজ্যত কেইমাহমানৰ পিছতেই অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দ্বিতীয়বাৰৰ বাবে কেন্দ্ৰত চৰকাৰ গঠন কৰা মন্ত্ৰীসভাৰ যোৱা বুধবাৰে সম্প্ৰসাৰণ কৰে। ৪৩ গৰাকী মন্ত্ৰীয়ে নতুনকৈ শপতগ্ৰহণ কৰি ৭৮ জনীয়া মোদী কেবিনেটত অন্তৰ্ভুক্ত হয়। বুধবাৰে শপতগ্ৰহণ কৰা ৪৩ গৰাকী মন্ত্ৰীৰ ভিতৰত ■ ৮ পৃষ্ঠাত

# ১০ দিনত ৭বাৰ পেট্ৰলৰ দৰ বৃদ্ধি

## উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰমুখ মেট্ৰ' চহৰ গুৱাহাটীত শতকৰ সমীপত পেট্ৰল

শীতপ্ৰৱণ চহৰ জম্মুতো পেট্ৰলৰ শতক ঃ ৰাজস্থান, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ, তেলাংগানা, কৰ্ণাটক, জম্মু আৰু কাশ্মীৰ, ওড়িশা, তামিলনাডু, কেৰালা, বিহাৰ, পঞ্জাব, লাডাখ, ছিকিম, পুডুচেৰী আৰু দিল্লীত পেট্ৰলৰ শতক ঃ চলিত বৰ্ষৰ ২৯ মে'ত প্ৰথমবাৰৰ বাবে পেট্ৰলে শতক কোবাইছিল মুম্বাইত

দেশৰ বহু চহৰত নাৰ্ভাছ ৯০ৰ ঘৰত ডিজেল

মুম্বাইত সৰ্বাধিক মূল্যত পেট্ৰল বিক্ৰী— ১০৬.৯৩ টকা



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১০ জুলাই ঃ** কৰ'না মহামাৰীয়ে বিশ্বত ত্ৰাস সৃষ্টি কৰাৰ সময়তে তেলৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে জনসাধাৰণৰ জীৱন জটিল কৰি তুলিছে। পেট্ৰল আৰু ডিজেলৰ মূল্য সাংঘাটিক ধৰণে বৃদ্ধি পাইছে। ইতিমধ্যে দেশৰ আধা সংখ্যক ৰাজ্যতেই পেট্ৰলে শতক কোবাইছে। প্ৰথমবাৰৰ ■ ৮ পৃষ্ঠাত



পদ্মশ্ৰী সন্মানপ্ৰাপক ড° বীৰুবালা ৰাভাৰ গোৱালপাৰাস্থিত বাসগৃহত উপস্থিত হৈ স্বাস্থ্যৰ বুজ ল'লে মুখ্যমন্ত্ৰী ড° শৰ্মাই

■ কৰ'না মহামাৰীৰ দ্বিতীয় ঢৌ ■

# দেশত বাঢ়িল মৃত্যুৰ সংখ্যা

শুকুৰবাৰে ৪২,৭৬৬ আক্ৰান্তৰ বিপৰীতে ১,২০৬জনৰ মৃত্যু

## ৰাজ্যবোৰলৈ ৩৮.৫৪ কোটি ভেকচিন যোগান ধৰাৰ বিপৰীতে ৩৬.৮০ কোটি ভেকচিন প্ৰদান কৰা হৈছে দেশবাসীক

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১০ জুলাই ঃ** বিগত এপষেক ধৰি দেশত ক'ভিড মৃতকৰ সংখ্যা হাজাৰৰ তলত আছিল। কিন্তু শুকুৰবাৰে মৃতকৰ সংখ্যা পূৰ্বতকৈ বৃদ্ধি হোৱা দেখা গ'ল। সেই অনুসৰি দিনটোত ১,২০৬ জনৰ মৃত্যু হ'ল ক'ভিড আক্ৰান্তৰ। ইয়াৰ বিপৰীতে দিনটোত নতুনকৈ সংক্ৰমিত হ'ল ৪২,৭৬৬ জনৰ। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে শনিবাৰে পুৱা প্ৰকাশ কৰা তথ্যত এই কথা সন্নিবিষ্ট হৈছে। বিগত ২৪ ঘণ্টাত ক'ভিড আক্ৰান্ত আৰু মৃতকৰ সংখ্যা প্ৰকাশ কৰাৰ লগতে ভেকচিন প্ৰদান আৰু ক'ভিড টেষ্টৰ তথ্যও স্বাস্থ্য মন্ত্ৰালয়ে প্ৰতিদিনে পুৱাৰ ভাগত সদৰী কৰি আহিছে। সেয়েহে দেশত ক'ভিড আক্ৰান্ত বৃদ্ধি হৈ শনিবাৰৰ পুৱা পৰ্যন্ত হ'লগৈ ৩,০৭,৯৫,৭১৬ জন। একেদৰে মুঠ মৃত্যুৰ পৰিসংখ্যা হ'লগৈ ■ ৮ পৃষ্ঠাত



## ৰাভাৰ চিকিৎসাৰ সকলো খৰচ বহন কৰিব চৰকাৰে

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ১ লাখ টকাৰ এখন চেকো প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১০ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোৱালপাৰা জিলাৰ অসম-মেঘালয় সীমান্তৰ ঠাকুৰবিলা গাঁওস্থিত বিশিষ্ট সমাজকৰ্মী, অন্ধবিশ্বাস বিৰোধী যুঁজৰ অক্লান্ত সৈনিক পদ্মশ্ৰী ড° বীৰুবালা ৰাভাৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ স্বাস্থ্যৰ বুজ লয়। সম্প্ৰতি শাৰীৰিকভাৱে অসুস্থ হৈ থকা সংগ্ৰামী মহিলাগৰাকীৰ সৈতে মুখ্যমন্ত্ৰীয়ে কিছু সময় বাৰ্তালাপ কৰাৰ লগতে তেওঁৰ চিকিৎসাত সহায়ক হোৱাকৈ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ১ লাখ টকাৰ এখন চেকো প্ৰদান কৰে। ইয়াৰ পিছতে স্থানীয় সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সম্প্ৰতি জটিল ৰোগত আক্ৰান্ত বিশিষ্ট ■ ৮ পৃষ্ঠাত




মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ ঘোষণা

## অন্ধ্ৰপ্ৰদেশৰ দৰে বজালী জিলাকো কণী উৎপাদনৰ কেন্দ্ৰবিন্দুৰূপে গঢ়ি তোলাৰ পদক্ষেপ লোৱা হৈছে



*সংবাদ মেল সম্বোধন বিধায়ক জয়ন্তমল্ল বৰুৱাৰ, শনিবাৰে*

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১০ জুলাই ঃ** পঞ্চায়ত আৰু গামোন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, খাদ্য-অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি বজালী জিলাৰ পাঠশালাৰ চিনাকী বিবাহ ভৱনত ভাৰতীয় ষ্টেট বেংকে আয়োজন কৰা এক ঋণ প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰি জিলাখনৰ বাগনা, হাথিনাপুৰ আৰু ওপৰনৈ গাঁৰৰ ১০০ গৰাকী মহিলাক কুকুৰা পালনৰে কণী উৎপাদনৰ বাবে বেংকটোৱে প্ৰদান কৰা সৰ্বমুঠ এক কোটি টকাৰো অধিক ■ ৮ পৃষ্ঠাত

## ক'ভিড চেণ্টাৰৰ পৰা ৰোগীৰ পলায়ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১০ জুলাই ঃ** আজি মেৰাপানীৰ গমাৰিগুৰি ক'ভিড কেয়াৰ চেণ্টাৰৰ পৰা এগৰাকী ক'ভিড ৰোগী পলায়ন কৰে। তথ্য অনুসৰি, মেৰাপানীৰ ১২নং ক'লাজানৰ দিশাংকু ■ ৮ পৃষ্ঠাত

## পুলিচ দেখি পুখুৰীত জাঁপ

তেজপুৰত আৰক্ষীৰ টিকাকৰণ ঃ সান্ধ্য আইন ভংগ কৰি শতাধিক পৰীক্ষাৰ্থীৰ এছ বি আইৰ পৰীক্ষাত অৱতীৰ্ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১০ জুলাই ঃ** আৰক্ষী-প্ৰশাসন যিমানেই কঠোৰ নহওক কিয় একাংশই কিন্তু বাটে ঘাটে টিঘিলঘিলাই ফুৰিবই। ■ ৮ পৃষ্ঠাত

# কলিয়াবৰৰ শিলঘাট ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়ত চিকিৎসকৰ অনিয়মীয়া উপস্থিতি




ব্ৰিটিছে স্থাপন কৰা চিকিৎসালয়ৰ দুৰৱস্থা, চিকিৎসা সেৱা উন্নত কৰাৰ দাবী স্থানীয় লোকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১০ জুলাই ঃ** ব্ৰিটিছৰ দিনতে প্ৰতিষ্ঠা হোৱা বৰ্তমানৰ শিলঘাট ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ক'ভিড-সৃষ্ট পৰিৱেশতো পাবলৈ নাই চিকিৎসক। ফলত দুৰ্ভোগ ভুগিব লগা হৈছে অঞ্চলবাসীয়ে। ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰীৰ গৃহ সমষ্টিতে স্বাস্থ্য বিভাগত হোৱা এনে অৰাজকতাৰ তথ্য শেহতীয়াকৈ পোহৰলৈ আহিছে। যি সময়ত ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ চিকিৎসা সেৱাক গতিশীলতা প্ৰদান কৰিবলৈ ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই চেষ্টাৰ ত্ৰুটি কৰা নাই, সেই সময়ত নিজ সমষ্টিতে এনে অৰাজকতাৰ ফল ভুগিছে শিলঘাটবাসীয়ে। চিকিৎসা সেৱাৰ বাবে ব্ৰিটিছৰ দিনত নিৰ্মিত হোৱা কলিয়াবৰৰ শিলঘাটৰ এখন চিকিৎসালয়। ব্ৰিটিছ নগৰী শিলঘাটত ১৮৮০ চনতে প্ৰতিষ্ঠা ■ ৮ পৃষ্ঠাত

## নিশা আৰক্ষীৰ মাৰণাস্ত্ৰ লৈ পলায়নৰ চেষ্টা কৰোঁতে গুলিবিদ্ধ অপহৰণকাৰী

তামুলপুৰৰ পৰা অপহৃত মাতৃ-কন্যাক বিহাৰৰ এখন পতিতালয়ত উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১০ জুলাই ঃ** তামুলপুৰ আৰক্ষীৰ আন এক বৃহৎ সাফল্য। প্ৰেমৰ ছলনাৰে তিনি মাহ পূৰ্বে তামুলপুৰৰ পৰা শিশুসহ এগৰাকী মহিলাক অপহৰণ কৰি নি বিহাৰৰ কিষাণগঞ্জ জিলাৰ ■ ৮ পৃষ্ঠাত

শোণিতপুৰৰ ক'ভিড পৰিস্থিতি আৰু উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা অভিভাৱক মন্ত্ৰীৰ— দুদিনৰ ভিতৰত অবৈধ সুৰাৰ ঘাটি উচ্ছেদ কৰিবলৈ আৰক্ষী আৰু আবকাৰী বিভাগক নিৰ্দেশ

## অসমত বিৰোধী শক্তিয়ে অপৰাধীক সুৰক্ষা দিবলৈ তৎপৰ হৈছে ঃ মন্ত্ৰী পীযূষ হাজৰিকা




**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১০ জুলাই ঃ** অসমত এতিয়া বিৰোধীয়ে চোৰ-ডকাইত-ধৰ্ষণকাৰী আৰু গৰু সৰবৰাহকাৰীৰ লগতে সকলো অপৰাধীক সুৰক্ষা দিবলৈ উঠিপৰি লাগিছে একাংশ বিৰোধী দলৰ নেতা। অপৰাধীৰ লগত তেনে নেতাৰ কিবা প্ৰকাৰে সম্পৰ্ক আছে বাবেই এনে অপৰাধীৰ বিৰুদ্ধে চলোৱা অভিযানৰ বিৰোধিতা কৰিছে বুলি আজি তেজপুৰত বিৰোধী শিবিৰৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰে অসম চৰকাৰৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা। শোণিতপুৰ জিলাৰ ক'ভিড পৰিস্থিতি পৰ্যালোচনাৰ বাবে আজি পুৱাৰ পৰা দীঘলীয়া সময় জিলাখনৰ উপায়ুক্ত প্ৰমুখ্যে শীৰ্ষ ■ ৮ পৃষ্ঠাত

ৰাইজে লকডাউন মানি চলিলে অহা দহ দিনৰ ভিতৰত ক'ভিড পৰিস্থিতি নিয়ন্ত্ৰণলৈ অহাৰ সম্ভাৱনা ব্যক্ত ঃ ক'ভিড ৰোগীক ঘৰত থাকি চিকিৎসা গ্ৰহণৰ অনুমতি প্ৰদান নকৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ ঃ শিশুৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনত নতুনকৈ শিশুৰ ক'ভিড চেণ্টাৰ নিৰ্মাণ কৰক

উদ্যোগ-বাণিজ্যৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ বোকাখাত মহকুমাৰ ক'ভিড পৰিস্থিতি সন্দৰ্ভত পৰ্যালোচনা

# বোকাখাতত আৰক্ষী-অৰ্ধসামৰিক বাহিনীৰ ফ্লেগ মাৰ্চ



ব্যাপক হাৰত ক'ভিড টেষ্টিং কৰাৰ লগতে প্ৰতিষেধক প্ৰদানৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান ঃ আগন্তুক ১০ দিনলৈ প্ৰশাসন আৰু আৰক্ষী বিভাগক ক'ভিড নীতি-নিৰ্দেশনা ভংগকাৰীৰ ক্ষেত্ৰত কঠোৰ হ'বলৈ নিৰ্দেশ ঃ মহকুমাটোৰ মুঠ আক্ৰান্ত লোকৰ সংখ্যা ৪,০৬৮, মৃত্যু ৩১জনৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা আৰু সেৱা, বোকাখাত, ১০ জুলাই ঃ** বৰ্তমানৰ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰখনে ক'ভিড বিষয়ক অধিক গুৰুত্ব প্ৰদান কৰিছে আৰু অসমৰ সাতখন জিলাৰ অধিক অৱনতি ঘটা ক'ভিড পৰিস্থিতি নিয়ন্ত্ৰণ আৰু উন্নতিৰ বাবে কঠোৰ ■ ৮ পৃষ্ঠাত

প্ৰসংগ ঃ ভূৰাগাঁৱৰ ন-বছৰীয়া কন্যাক হত্যা কৰি ধৰ্ষণ

## হয়, মই হত্যা কৰি ধৰ্ষণ কৰিছিলো তাইক

চৈয়দ আলী ওৰফে পাঠাৰ স্বীকাৰোক্তি



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১০ জুলাই ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱত সংঘটিত নাবালিকা হত্যা-ধৰ্ষণৰ দৰে নাৰকীয় ঘটনাত জড়িত চৈয়দ আলী ওৰফে পাঠাৰ বিস্ফোৰক ■ ৮ পৃষ্ঠাত



জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
১১ জুলাই, ২০২১ ■ দেওবাৰ ■ গুৱাহাটী ■ ২৬ আহাৰ ১৯৪৩ শক


# জীৱিত ব্যক্তিক মৃত সজোৱা সমাজ কল্যাণৰ বিৰুদ্ধে ক্ষোভ প্ৰতিবন্ধী সুৰক্ষা সংস্থাৰ

**সঞ্চালকালয়ৰ নামত কাৰ্যালয় খুলিছে একাংশই, অভিযোগ দিয়াৰ পিছতো সঞ্চালকে লোৱা নাই বিহীত ব্যৱস্থা, শীঘ্ৰে সমস্যা সমাধান নহ'লে জংগী আন্দোলনৰ হুংকাৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১০ জুলাই ঃ** প্ৰতিবন্ধীৰ কল্যানৰ হকে কাম কৰা সমাজ কল্যাণ বিভাগটোতে নাভূত-নাশ্ৰুত ঘটনা সংঘটিত হ'বলৈ ধৰিছে। শেহতীয়াকৈ জীৱিত ব্যক্তিক মৃত সজোৱাক লৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে প্ৰতিবন্ধী সুৰক্ষা সংস্থা, অসমে। আজি সাংবাদিকৰে হোৱা বাৰ্তালপত সংস্থাৰ সম্পাদক নৃপেন মালাকৰে কয়—দিবাংগ পেন্সন আচনিৰ ধন লাভ কৰি থকা বাক্সা জিলাৰ তামুলপুৰৰ জীৱিত শান্তিৰাম ডেকা নামৰ লোকজনক বিভাগৰ বিষয়াই ২০১৯ চনতে মৃত বুলি সঞ্চালকৰ কাৰ্যালয়লৈ তথ্য প্ৰেৰণ কৰে। আমি গম পোৱাৰ পিছতে বিষয়তো সন্দৰ্ভত সঞ্চালয়কালয়ক অৱগত কৰো যদিও দোষী বিষয়াগৰাকীৰ বিৰুদ্ধে সঞ্চালকে আজিলৈ কোনো শাস্তিমূলক ব্যৱস্থা দূৰৈৰ কথা, তদন্তই নকৰিলে। অন্যহাতে যোৱা ৩ জুলাইত বোন্দাস্থিত তাৰাবতী ডেভেলপমেণ্ট ফাউণ্ডেচন নামৰ প্ৰতিষ্ঠানটোৱে অসম চৰকাৰৰ সমাজ কল্যাণ সঞ্চালকালয়ৰ নাম ব্যৱহাৰ কৰি প্ৰতিবন্ধীসকলক প্ৰশিক্ষণৰ নামত প্ৰতাৰণা কৰি থকা কাৰ্যতো পোহৰলৈ আহে। বিষয়তো সন্দৰ্ভত তাৎক্ষণিকভাৱে প্ৰতিবন্ধীসকলৰ বাবে থকা আয়ুক্ত গৰাকীয়ে প্ৰতিষ্ঠানলৈ জাননী প্ৰেৰণ কৰে। কিন্তু পৰিতাপৰ বিষয় সমাজ কল্যাণ সঞ্চালকালয়ৰ নাম ব্যৱহাৰ কৰি থকা বুলি সংস্থাৰ তৰফৰ পৰা সঞ্চালকালয়ৰ কাৰ্যালয়ত অৱগত কৰা হয় যদিও আজিলৈ ৰহস্যজনকভাৱে সঞ্চালকগৰাকী নিমাত হৈ আছে। যাৰ বাবে এনেধৰণৰ প্ৰতিষ্ঠান সমূহে অনাগত দিনত আইন বিৰুদ্ধ কাম কৰিবলৈ উৎসাহ পাব বুলি মালাকাৰে উল্লেখ কৰে। ইতিমধ্যে বিভাগত সংঘটিত হৈ থকা দুৰ্নীতি সন্দৰ্ভত তথ্য প্ৰকাশ পোৱাৰ পিছত যোৱা ১৫ জুন তাৰিখে কামৰূপ জিলাৰ এগৰাকী তৃতীয় বৰ্গৰ কৰ্মচাৰীক নিলম্বন কৰে। কিন্তু প্ৰকৃত তথ্য উদ্‌ঘাটন কৰাৰ স্বাৰ্থত জিলা সমাজ কল্যাণ বিষয়াৰ দায়িত্বত থকা বিষয়াগৰাকীক আতৰ কৰি তদন্ত প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ সংস্থাই দাবী জনাইছিলো। কিন্তু সঞ্চালকগৰাকীৰ লগত বিষয়াগৰাকীৰ থকা সু-সম্বন্ধৰ বাবে এই কাৰ্য সম্পাদন কৰিবলৈ সঞ্চালক কিম্বা বিভাগটো সক্ষম নহ'ল। ইয়াক উপৰি সংস্থাৰ ২১ দফীয়া দাবী সন্দৰ্ভত ইতিমধ্যে ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু সমাজকল্যাণ মন্ত্ৰীক বাৰে বাৰে স্মাৰক পত্ৰ প্ৰেৰণ কৰাৰ পিছতো আজিলৈ কোনা সুদুত্তৰ লাভ কৰা নাই। বিশেষকৈ বেকলগ্ হৈ থকা পদসমূহ পূৰণ কৰা, নতুন নিযুক্তিত ৪% নিশ্চিত কৰা, বিশেষ টেট্ অনুষ্ঠিত কৰি শিক্ষা বিভাগত নিযুক্তি প্ৰদান কৰা, অৰুণোদয় আঁচনিত প্ৰত্যেকজন প্ৰতিবন্ধীৰ নাম অন্তৰ্ভূক্ত কৰা, প্ৰতিবন্ধীসকলৰ মাহেকীয়া পেন্সন ১০০০ টকাৰ পৰা ৩০০০ টকালৈ বৃদ্ধি কৰা, ১,৬০,৬১২ গৰাকী হিতাধীকাৰীৰ বিপৰীতে ২০১৭ চনৰ ৭ ফেব্ৰুৱাৰীৰ আলোচনা কাৰ্যকৰী কৰি প্ৰত্যেকগৰাকী হিতাধিকাৰীক পেন্সন প্ৰদান কৰা, জানুৱাৰী মাহৰ পৰা এপ্ৰিললৈ অনাদায় হৈ থকা পেন্সনৰ ১০০০ কৈ ৪০০০ টকা শীঘ্ৰে মুকলি কৰি দিয়াকে ধৰি ২১ দফীয়া দাবী সন্দৰ্ভত অহা তিনি দিনৰ ভিতৰত ব্যৱস্থা গ্ৰহণ নকৰিলে চলিত বিধান সভাৰ সময়ত পূৰ্বতকৈও জংগী কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি হুংকাৰ দিয়ে প্ৰতিবন্ধী সুৰক্ষা সংস্থা অসমে।



## ৰাইমোনা ৰাষ্ট্ৰীয় উদ্যানৰ পৰিকাঠামো প্ৰস্তুতিৰ পৰ্যালোচনা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১০ জুলাই ঃ** যোৱা পাঁচ জুনৰ বিশ্ব পৰিবেশ দিবসৰ দিনা মুখ্য মন্ত্ৰীয়ে ঘোষনা কৰা ৰাইমোনা ৰাষ্ট্ৰীয় উদ্যানৰ পৰিকাঠামো প্ৰস্তুতিৰ পৰ্যালোচনা কৰাৰ বাবে আজি এটি সভা অনুষ্ঠিত হয় । শ্ৰীৰামপুৰত বন বিভাগৰ অতিথিশালাত বিটিচিৰ বন বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীৰ উপস্থিতিত আয়োজিত পৰ্যালোচনা সভাত ৱাইল্ড ট্ৰাষ্ট অব ইণ্ডিয়াৰ প্ৰবন্ধক সনাতন ডেকাই ৰাইমোনা ৰাষ্ট্ৰীয় উদ্যানৰ ইতিহাস সন্দৰ্ভত বিস্তাৰিত ভাৱে প্ৰকাশ কৰে । উল্লেখ্য যে ৪২২ বৰ্গ কিলোমিটাৰ সামৰি ঘোষনা কৰা ৰাইমোনা ৰাষ্ট্ৰীয় উদ্যানৰ পৰিকাঠামো কিদৰে প্ৰস্তুত কৰিব পাৰি সেই সন্দৰ্ভত সনাতন ডেকাই দিহা পৰামৰ্শ দিয়ে । কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে কয় যে ৰাইমোনা ৰাষ্ট্ৰীয় উদ্যানৰ পৰিকাঠামো অতি সোনকালে প্ৰস্তুত কৰাৰ চিন্তা-চৰ্চা চলি আছে । তেও উল্লেখ কৰে যে ইতিহাস প্ৰসিদ্ধ কচুগাঁও বনাঞ্চলক ৰাইমোনা ৰাষ্ট্ৰীয় উদ্যান নামাকৰনেৰে স্বীকৃতি দিয়াত বিটিএডি বাসী যথেষ্ট আনন্দিত হৈছে । বিশেষকৈ ৰাইমোনা ৰাষ্ট্ৰীয় উদ্যানৰ কাষতে বসবাস কৰা আদিবাসী-বড়ো জনগোষ্ঠীৰ লোক সকলে উৎফল্লিত হৈ পৰিছে । অতি ভিতৰুৱা অঞ্চলত বসবাস কৰা আৰ্থিকভাৱে দুৰ্বল লোক সকলে জংঘলৰ খৰি সংগ্ৰহ কৰি আৰু দুই-এটা গছ গছনি কাটি জীবিকা নিৰ্বাহ কৰিছিল । ৰাইমোনা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে মুকলি কৰাৰ লগে লগে তেওলোকে কৰ্মসংস্থান পাব । চৰকাৰেও এই লোক সকলৰ উপাৰ্জনৰ বাট মুকলি কৰাত চেষ্টা চলাই আছে । এই লোক সকলক চাকাৰৰ ফালৰ পৰা দক্ষতা বিকাশৰ প্ৰশিক্ষন দিয়া হব আৰু উক্ত দক্ষতা ব্যৱহাৰ কৰি লোক সকলে পৰ্যটক সকলক আকৰ্যষণ কৰি উপাৰ্জন কৰিবলৈ সক্ষম হব । আনহাতে কাৰ্যবাহী সদস্য গৰাকীয়ে কয় যে "আমি ৩৫ বছৰে সশস্ত্ৰ সংগ্ৰাম কৰাৰ সময়ত উত্তৰ-পূৰৰ জ্ঞান নথকা তথা উত্তৰ পূৰক ভাৰতৰ অংগ ৰাজ্য বুলি নভবা একাংশ লোকে আমাক বন মানুহ বুলি মন্তব্য কৰিছিল ।ৰাইমোনাক ৰাষ্ট্ৰীয় উদ্যান ঘোষনা কৰাৰ লগে লগে আমিও বিশ্ববাসীক দেখুৱাব পাৰিম যে বিটিএডি তথা উত্তৰ পূৰ ভাৰতৰে অংগ ।উত্তৰ পূৰ্বাঞ্চলৰ ভূমিপুত্ৰ তথা ট্ৰাইবেল সকলোৰ নিজৰ উন্নত মানৰ কলা-কৃষ্টি তথা ঐতিহ্য আছে সেয়া দেখুৱাব পাৰিম"" । আজিৰ সভাত বন বিভাগৰ চি এইচ ডি অনুৰাগ সিং,ভাস্কৰ জে বৰুৱা,কচুগাঁও বন সংম'ল বিষয়া ৰাজু ব্ৰহ্ম,পৌৰপতি প্ৰফুল্ল ইছলাৰী,ইউ পি পি এলৰ গোসাইগাঁও জিলা সভাপতি জিৱন বসুমতাৰী সহ কেবা গৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে ।

## বৰঙাজুলি সত্ৰৰ সত্ৰাধিকাৰ হৰেকৃষ্ণ মহন্ত গুৰুতৰভাৱে অসুস্থ

### গুৱাহাটী মেডিকেল কলেজ হাস্পতালত ভৰ্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, দিপীলা, ১০ জুলাই ঃ** বৰঙাজুলি সত্ৰৰ সত্ৰাধিকাৰ হৰেকৃষ্ণ মহন্ত গুৰুতৰভাৱে অসুস্থ। দুদিন পূৰ্বে সমাজ সংশোধকগৰাকীক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱাৰ পাছত যোৱানিশা আইচিইউত ভৰ্তি কৰি চিকিৎসা চলাই থকা হৈছে। ইতিমধ্যে পানেৰী সমষ্টিৰ বিধায়ক তথা অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীসহ মন্ত্ৰী ৰঞ্জিত দাস, ওদালগুৰিৰ পূৰ্বৰ উপায়ুক্ত তথা সাহিত্যসেৱী থানেশ্বৰ মালাকাৰে মহন্তক সাক্ষাৎ কৰি স্বাস্থ্যৰ বুজ লয়। মন কৰিবলগীয়া যে ১৯৫১ চনতে বৰঙাজুলিৰ অটব্য অৰণ্যত সত্ৰ স্থাপন কৰি বড়ো, ৰাভা, গোৰ্খা, আদিবাসী, কোচ ৰাজবংশী আদি বিভিন্ন লোকৰ মাজত সমাজ সংস্কাৰত



নামি পৰে। সাধাৰণ ৰাইজক নিচাজাতীয় দ্ৰব্যৰ পৰা মুক্ত কৰাৰ লগতে শিক্ষা-দীক্ষাত জড়িত কৰোৱাৰ দায়িত্ব লৈছিল। আনকি ডিমাকুছি মহাবিদ্যালয় সত্ৰতে আৰম্ভণি কৰোৱায় বৰঙাজুলি শ্ৰীমন্ত শংকৰদেৱ সত্ৰৰ সত্ৰাধিকাৰগৰাকীয়ে। তেওঁৰ প্ৰচেষ্টাত কেইবাগৰাকীও জনজাতীয় যুৱকে সমাজত প্ৰতিষ্থা লাভ কৰিবলৈ সক্ষম হয়। মহন্তলৈ ২০২০ চনত ৰাজ্য চৰকাৰে গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বঁটাৰে সন্মানিত কৰে। ইয়াৰ বাদেও চিৰকুমাৰ মহন্তলৈ স্থানীয় কেইবা কুৰি অনুষ্ঠানে সন্মানিত কৰি আহিছে। ওদালগুৰিৰ পূৰ্বৰ উপায়ুক্ত থানেশ্বৰ মালাকাৰ, সমাজসেৱী প্ৰয়াত ডালিম পাঠকে বৰঙাজুলি সত্ৰৰ চৌহদত বিভিন্ন গৃহ তথা প্ৰতিমূৰ্তি প্ৰতিষ্ঠা পৰ্যন্ত কৰি দিয়ে জীৱন্ত কিংবদন্তি মহন্তদেৱৰ। বৰঙাজুলি সত্ৰৰ অধীনত ১৯খন শাখা সত্ৰ স্থাপন কৰি অতিকমেও বাৰশ ভকতক শৰণ দি ৯৫ বছৰ বয়সলৈ সমাজৰ হকে কাম কৰি আহিছে। বৰঙাজুলি সত্ৰত ৭ বছৰ বয়সৰ পৰা আশ্ৰিত ৰঞ্জিত ডেকা, নিৰঞ্জন বড়ো আদিয়ে মহন্তৰ স্বাস্থ্যৰ চোৱাচিতা কৰি আজি আশু আৰোগ্য লাভ কৰি আকৌ সমাজ সংস্কাৰত নামি পৰিব বুলি আশা কৰিছে। মনকৰিবলগীয়া যে, বৰঙাজুলি সত্ৰত প্ৰায় ১২ বিঘা ভূমিৰ ৬ বিঘাৰোধিক ভূমিত চাহ গছ, তামোল, পাণ আদি ৰুই সত্ৰৰ সকলো খৰচ মুকলি কৰাৰ লগতে সত্ৰত গো-পালনৰ যোগেদিও নৈমিত্তিক খা-খৰচৰ দিহা কৰি আহিছে। ভূটান সীমান্তৰে পৰা কলাইগাঁও পৰ্যন্ত বিভিন্ন স্থানৰ প্ৰায় সহস্ৰাধিক জনজাতীয় লোকক শৰণ দি গুৰু দুজনাই দেখুওৱা পথেৰে বৃহত্তৰ অসমীয়া সমাজ গঢ়াৰ যি অভিযান, স্বাভাৱিকতে আজি প্ৰাসংগিক হৈ পৰিছে।

## সোণাৰিত পথৰ আধাৰশিলা স্থাপন সাংসদ তপন কুমাৰ গগৈৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ১০ জুলাই ঃ** সোণাৰিত কেইবাটাও পথৰ আধাৰশিলা স্থাপন কৰিলে যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈয়ে। প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক যোজনা ২০২০-২১ বৰ্ষৰ শিতানত অনুমুদিত 'বৰাহি আলিৰপৰা ভজো ৰেল ষ্টেচনলৈ মুঠ ৩.৯৯ কিলোমিটাৰ এটা পথৰ আজি আধাৰশিলা স্থাপন কৰা হয়। সোণাৰি বিধানসভা সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ উপস্থিতিত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈয়ে আধাৰশিলা স্থাপন কৰে । ২ কোটি ৬৩ লাখ টকা ব্যয় সাপেক্ষে ন মাহৰ ভিতৰত নিৰ্মাণ সম্পূৰ্ণ কৰিব পথটোৰ। উল্লেখ্য যে এই পথছোৱা দীৰ্ঘদিন ধৰি বিধ্বস্ত হৈ থকাৰ বাবে বৰাহি গাঁৱৰ সহস্ৰাধিক লোকে যাতায়তৰ ক্ষেত্ৰত যথেষ্ট সমস্যাৰ সন্মুখীন হৈছিল। দেশৰ স্বাধীনতাৰ পাছৰেপৰা সোণাৰিৰ বৰাহি অঞ্চলৰ পথৰ দুৰৱস্থা এতিয়া ওৰ পৰিব বুলি মন্তব্য কৰিছে সাংসদ তপন কুমাৰ গগৈয়ে। আনহাতে সোণাৰি সমষ্টিৰ অন্তৰ্গত মৰাণহাবিৰপৰা হোলোঙামৰালৈ নিৰ্মাণ হ'বলগীয়া আন এটা পথৰো আধাৰশিলা স্থাপন কৰে সাংসদ তপন কুমাৰ গগৈয়ে। আধাৰশিলা স্থাপন অনুষ্ঠানত সাংসদ তপন কুমাৰ গগৈ, বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ লগতে লোক নিৰ্মাণ বিভাগৰ অভিযন্তা তথা বিভাগটোৰ কৰ্মচাৰীসকলৰ ওপৰিও বিজেপিৰ কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

## নাওবৈচাত কোটিটকীয়া পিএমজিএছৱাই পথ নিৰ্মাণত দুৰ্নীতি

**দ'লহাটৰ পৰা লালুক কাছজুলিলৈ যোৱা পথত সংঘটিত হৈছে দুৰ্নীতি পথটোৰ পুৰণি ব্লেক টপিঙৰ ওপৰতে চেণ্ড গ্ৰেভেল-মেটেলিং মাৰি বৃহৎ অংকৰ ধন লুণ্ঠনৰ ফন্দী**

**দৈনন্দিন বাৰ্তা সেৱা, নাওবৈছা,১০ জুলাই ঃ** ভাৰত নিৰ্মান আঁচনিৰ অধীনত গ্ৰামাঞ্চলৰ পিছপৰা জনগণক উন্নত যাতায়ত ব্যৱস্থাৰে সামৰি লোৱা লক্ষ্যৰে ৰূপায়ন কৰি থকা প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাত লখিমপুৰ জিলাৰ নাওবৈচা বিধান সভা সমষ্টিৰ এলেকাত ইতিমধ্যে নিৰ্মাণ শেষ কৰা আৰু নিৰ্মীয়মান অৱস্থাত থকা গ্ৰাম্য গড়কাপ্তানি পথসমূহ গড়কাপ্তানি বিভাগৰ একাংশ ঠিকাদাৰ,বিষয়া অভিযন্তাৰ চূড়ান্ত দুৰ্নীতি আৰু অনিয়মৰ পৰিপ্ৰেক্ষিতত পথ চাবীৰ বাবে মৰণফান্দত পৰিণত হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুৰ্নীতিৰ বিৰুদ্ধে যিমানেই পদক্ষেপ গ্ৰহণ নকৰক কিয় লখিমপুৰ গড়কাপ্তানি বিভাগত দুৰ্নীতিৰ এই পদক্ষেপে অকণো স্পৰ্শ কৰিব পৰা নাই। ফলত বিভাগটোৰ বিষয়া অভিযন্তা আৰু ঠিকাদাৰৰ দুৰ্নীতিগ্ৰস্ত মনোভাৱৰ বাবে যাতায়ত নামত চৰম দুৰ্ভোগৰ সন্মুখীন হৈছে ভিতৰুৱা গ্ৰামাঞ্চলৰ ৰাইজ । শেহতীয়াকৈ নাওবৈচা সমষ্টিত কোটিটকীয়া ব্যয় সাপেক্ষে নিৰ্মাণ কৰি থকা এটা গড়কাপ্তানি পথত দুৰ্নীতি সংঘটিত হোৱা ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। ভাৰত চৰকাৰৰ গ্ৰাম্য উন্নয়ন মন্ত্ৰনালয়ৰ বিত্তীয় অনুদান আৰু প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ (পিএমজিএছৱাই) অধীনত লখিমপুৰ নাওবৈচা আৰু বিহপুৰীয়া পথ সংগমণ্ডলৰ তত্ত্বাৱধানত ২কোটি ৬৩ লাখ ১৭হাজাৰ ৮শ টকাৰ ব্যয় সাপেক্ষ নিৰ্মাণ কৰি থকা ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দলহাটৰ পৰা লালুক কাছজুলিলৈ যোৱা গড়কাপ্তানি পথটো প্ৰাক: কলন মতে কাম নকৰাৰ অভিযোগ উত্থাপিত হৈছে। দায়িত্বপ্ৰাপ্ত ঠিকাদাৰ ভৰত বৰাই পথটো নিৰ্মাণৰ আৰম্ভণিতে দুৰ্নীতিৰ আশ্ৰয় লোৱা অভিযোগ উঠিছে। ৰাইজে অভিযোগ কৰিছে যে প্ৰাক: কলন অনুসৰি পথটোৰ পুৰণি ব্লেক টপিং খান্দি নতুনকৈ চেণ্ড গ্ৰেভেল আৰু মেটেল দি ভালকৈ ৰোলিং কৰিহে পুনৰ ব্লেক টপিং কৰিব লাগে যদিও ঠিকাদাৰ পুৰণি ব্লেক টপিং সামান্য পৰিমাণ উঠাই চেণ্ড গ্ৰেভেল আৰু মেটেলিং কৰি আবন্তিত পুঁজি সিংহভাগ লুণ্ঠনৰ ফন্দী কৰিছে বুলি অভিযোগ কৰিছে ৰাইজে। উল্লেখযোগ্য যে এই বৃহত্তৰ অঞ্চলটোৰ লক্ষাধিক জনগণৰ যোগাযোগৰ একমাত্ৰ পথটো দীৰ্ঘ দিনে বিধ্বস্ত হৈ আছিল ৷ৰাইজৰ আবেদন নিবেদনৰ অন্তত শেহতীয়াকৈ পথটো নিৰ্মান কৰাত ৰাইজে সন্তুষ্টি লাভ কৰিছিল যদিও দায়িত্বপ্ৰাপ্ত ঠিকাদাৰে বিভাগীয় বিষয়া অভিযন্তাই মিলি বৃহৎ অংকৰ পুঁজি লুণ্ঠনৰ ফন্দী পতাত ৰাইজ জাঙুৰ খাই উঠিছে। সেয়েহে ৰাইজে পথটো নিৰ্মাণৰ বেলিকা সংঘটিত হোৱা দুৰ্নীতি উচিত তদন্ত কৰি উপযুক্ত পদক্ষেপ লবলৈ জিলা উপায়ুক্তক দাবী জনাইছে অঞ্চলটোৰ ৰাইজে।

## ঝাৰখণ্ডত কৰ্মৰত বাক্সাৰ চিআৰপিএফ জোৱানৰ ৰহস্যজনক মৃত্যু

**পৰিয়ালৰ লোকে তুলিলে হত্যাৰ অভিযোগ**



**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ১০ জুলাই ঃ** বাক্সা জিলাৰ মুছলপুৰ সদৰ আৰক্ষী থানাৰ অন্তৰ্গত দক্ষিণ অহোপা গাঁওৰ বহিঃৰাজ্যত কৰ্মৰত চিআৰপিএফৰ জোৱান এগৰাকীৰ ৰহস্যজনক মৃত্যুৰ ঘটনাই সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে । জানিব পৰামতে গাঁওখনৰ সৰ্বেশ্বৰ দাসৰ কনিষ্ঠ পুত্ৰ ৰতন দাস(৪২) নামৰ চিআৰপিএফৰ জোৱানজনে ঝাৰখণ্ডৰ গিৰিধ জিলাৰ মধুবনত চিআৰপিএফৰ ১৫৪ নং বেটেলিয়নৰ শিবিৰত বৃহস্পতিবাৰে দিনৰ ভাগত ৰাইফলেৰে নিজে মূৰত গুলীয়াই আত্মহত্যা কৰে । পিচত পৰিয়ালৰ লোকক বিভাগীয় কৰ্তৃপক্ষৰ ফালৰ পৰা জোৱান জনৰ আত্মহত্যাৰ বিষয়টো অৱগত কৰা হয় যদিও মৃত ৰতনৰ পৰিয়ালে ঘটনাটোক সহজভাৱে মানি ল'ব পৰা নাই । পৰিয়ালৰ লোকে সাংবাদিকক জনোৱা অনুসৰি অতি নম্ৰ আৰু অমায়িক স্বভাৱৰ ৰতনে সদায় হাঁহি-ধেমালিৰে পৰিয়ালৰ সৈতে কথা পাতি আহিছিল । আনকি মৃত্যুৰ দিনাও পুৱা মৃত ৰতনে পৰিয়ালৰ লোকৰ সৈতে ফোনত কথা পাতিছিল বুলি অৱগত কৰে । ২০০৩ চনতে চিআৰপিএফত ভৰ্তি হোৱা ৰতনে ৬ মাহ পূৰ্বে ঘৰৰ পৰা গৈ ঝাৰখণ্ডৰ মধুবনৰ উক্ত শিবিৰত যোগদান কৰিছিল । ইতিমধ্যে ৰতনে নিজৰ বিয়াৰ বাবেও সকলো প্ৰস্তুতি চলাই অহা আহিন মাহত ঘৰলৈ ছুটীত আহি বিবাহ পাশত আৱদ্ধ হোৱাৰ কথা আছিল । তেনে ক্ষেত্ৰত পৰিয়ালৰ লোকে জোৱানজনক শিবিৰতে কোনো সতীৰ্থই গুলীয়াই হত্যা কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰি উচিত তদন্তৰ দাবী তোলে । আজি মৃত জোৱান জনৰ মৃতদেহ বিমানযোগে ঝাৰখণ্ডৰ পৰা দক্ষিণ অহোপাৰ নিজ গৃহলৈ অনাৰ পিচত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয় । ইপিনে মৃতদেহৰ সৈতে মৃত ৰতনৰ ম'বাইল ফোনটো আৰু চিআৰপিএফৰ কোনো উচ্চপদস্থ বিষয়া অহা নেদেখি বিষয়টো অধিক ৰহস্যঘন কৰি তোলে আৰু পৰিয়ালৰ লগতে গাঁওবাসীয়ে মৃতদেহ চমজি নোলোৱাৰ হুংকাৰ দিয়ে আৰু পৰিস্থিতি উত্তপ্ত কৰি তোলে । পিচত বিটিচিৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাস আৰু আৰক্ষীৰ উপস্থিতিত পৰিস্থিতিৰ শাম কাটে আৰু মৃতদেহটো পৰিয়ালৰ লোকে চমজি লয়।

## বিশ্ব হিন্দু পৰিষদৰ উত্তৰ গুৱাহাটী আমিনগাঁও প্ৰখণ্ডৰ নতুন সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১০ জুলাই ঃ** বিশ্ব হিন্দু পৰিষদৰ গুৱাহাটী মহানগৰ সমিতিৰ অন্তৰ্গত উত্তৰ গুৱাহাটী আমিনগাঁও প্ৰখণ্ডৰ আজি নতুন সমিতি গঠন কৰা হয়। উত্তৰ গুৱাহাটীৰ বিশিষ্ট সমাজকৰ্মী কুলেন বড়োৱে সঞ্চালনা কৰা সভাত বিশ্ব হিন্দু পৰিষদৰ মহান উদ্দেশ্য আৰু সাংগঠনিক কাৰ্য্যপ্ৰণালীৰ ওপৰত মন্তব্য আগবঢ়াই উত্তৰ পূৰ ক্ষেত্ৰৰ সহ: সম্পাদক বিধান চন্দ্ৰ দেবৰয় আৰু কামৰূপ মহানগৰ জিলা সভাপতি শুভৰাম বৰাই। গুৱাহাটী মহানগৰ জিলা বিশ্ব হিন্দু পৰিষদৰ সম্পাদক মুকুটেশ্বৰ গোস্বামীয়ে আঁত ধৰা সভাত উত্তৰ পূৰ ক্ষেত্ৰৰ সম্পৰ্ক প্ৰমুখ অৰূপ কুমাৰ লহকৰ, মহানগৰ জিলা সমিতিৰ সম্পাদক চন্দন ৰাভা আৰু মুনিন্দ্ৰ ডেকাই নতুন সদস্যক বিশ্ব পৰিষদ স্বাগতম জনোৱাৰ লগতে সেৱা মনোভাৱেৰে সংগঠনৰ কাম কাজ নিয়াৰিকৈ কৰি যাবলৈ উৎসাহিত কৰাৰ লগতে মাৰ্গদৰ্শন কৰে। কভিড প্ৰটকল অনুযায়ী আয়োজিত সভাত উত্তৰ গুৱাহাটী শংকৰদেৱ শিশু নিকেতনত আয়োজিত সভাত কুলেন বড়োক



সভাপতি, উপসভাপতি হিচাপে থাকিব সঞ্জীৱ বৰুৱা, দুৰ্গা দাস, গনেশ দাস, দিলীপ বৰা আৰু সম্পাদক হিচাপে থাকিব অজয় দাস। সমিতিৰ আন আন বিষয় ববীয়া আৰু সদস্য সদস্যা সকল ক্ৰমে সহ:সম্পাদক ধীৰাজ গগৈ, শংখনীল নাথ, অৰূপ কুমাৰ দাস। সেৱা প্ৰমুখ বুবুল চৌধুৰী, টুটুমনি দাস। নাম-ঘৰ মঠ মন্দিৰ প্ৰমুখ ৰবীন কলিতা, গুনেশ্বৰ বৰা। বজৰংগ সংযোজক চিৰন্তন চৌধুৰী, নৃপেন তামূলী ।মাতৃ-শক্তি প্ৰমুখ সোনমা তালুকদাৰ, নীৰলা দাস ।দুৰ্গা বাহিনী প্ৰমুখ সংগীতা শৰ্মা, ৰীতা দাস বৰ্মন। সৎ সংগ প্ৰমুখ ইলা ডেকা। সম্পৰ্ক প্ৰমুখ উৎপল তালুকদাৰ, সুবুল বসুমতাৰী। প্ৰচাৰ প্ৰমুখ বিপুল শৰ্মা, অঞ্জন দাস। সদস্যবৃন্দ মনোৰঞ্জন কলিতা, ৰাজু বৰদলৈক লৈ এখনি শক্তিশালী সমিতি গঠন কৰা হয় । শেষত পূৰ্ণতা মন্ত্ৰৰে অনুষ্ঠানৰ সামৰণি কৰা হয়।

## দৰঙা মেলাৰ ভূটান পাহাৰত অৱস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীপাগলা বাবা শিৱ মন্দিৰৰ শাওণ উৎসৱ স্থগিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১০ জুলাই ঃ** বাক্সা জিলাৰ অন্তৰ্গত ভূটান সীমন্তৰ ভূটান পাহাৰৰ টিলাত অৱস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী পাগলা বাবা শিৱ মন্দিৰ প্ৰাঙ্গণত প্ৰতি বছৰে অনুষ্ঠিত কৰা এমাহ জোৰা শাওঁন উৎসৱ এই বছৰো কৰ'ণা মহামাৰীৰ পৰিপ্ৰেক্ষিতত স্থগিত ৰখা হৈছে। শ্ৰীশ্ৰী পাগলা বাবা শিৱ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি জয়দেৱ দাস আৰু সম্পাদক সন্তোষ বিশ্বাসে আজি এই কথা জানিবলৈ দিয়ে। মন্দিৰ পৰিচালনা সমিতিৰ সভাপতিযসম্পাদকদ্বয় আৰু প্ৰকাশ কৰে অহা ৭ শাওঁনৰ (২৪ জুলাই)ৰ পৰা পূৰ্বৰ দৰে এমাহ জোৰা শাঁওন উৎসৱ অনুষ্ঠিত কৰাৰ কথা আছিল। কিন্তু কৰ'ণা বাবে শাওঁন উৎসৱ স্থগিত ৰাখিব লগীয়া হয়। শ্ৰীশ্ৰী পাগলা বাবা শিৱ মন্দিৰত প্ৰাৰ্থনা কৰি পৰিচালনা সমিতিৰ হৈ সভাপতি, সম্পাদকদ্বয় সকলো ৰাইজৰ মঙ্গল কামনা কৰে আৰু অহা বছৰ শাওঁন উৎসৱ অনুষ্ঠিত কৰিব পাৰিব বুলি আশা কৰে।

## বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামীৰ কলংপাৰ পথৰ বাসিন্দাৰে মত বিনিময়

**দৈন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১০ জুলাই ঃ** বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে আজি সমষ্টিটোৰ অন্তৰ্গত নগাওঁ চহৰৰ ২৩ নং মহলাৰ কলংপাৰ পথৰ বাসিন্দাসকলৰ লগত মত বিনিময় কৰে। কলং পাৰ পথৰ বাসিন্দা সকলে বিধায়কগৰাকীক আদৰণি জনোৱাৰ লগতে কলংপাৰ পথৰ লগতে পাৰ্শ্ববৰ্তী এলেকাৰ সমস্যা সমূহৰ বিষয়ে অৱগত কৰে। বিশেষকৈ কলংপাৰৰ পৰা কেন্দ্ৰীয় বিদ্যালয়লৈ কলংপাৰ পথটো নিৰ্মাণৰ বাবে ব্যৱস্থা লবলৈ বিধায়ক গৰাকীক আহ্বান জনায়। এই ক্ষেত্ৰত বিধায়কগৰাকীয়ে সম্ভৱপৰ পদক্ষেপ গ্ৰহণ কৰিব বুলি আশ্বাস প্ৰদান কৰে। বিধায়কগৰাকীয়ে বৰ্তমান চৰকাৰে গ্ৰহণ কৰা উন্নয়নমূলক কাম-কাজৰ বিষয়ে উল্লেখ কৰি ৰাইজক উন্নয়নমূলক কাম-কাজত সহযোগিতা আগবঢ়াবলৈ ৰাইজক আহ্বান জনায়। ৰাইজৰ লগত মত-বিনিময় অনুষ্ঠানত বিজেপি নেতা জয়ন্ত বৰা, মুক্তি বৰা, অমল বৰা, শিল্পী তথা সমাজকৰ্মী ৰিমলী শৰ্মা বৰা আদিয়ে অংশগ্ৰহণ কৰে ।উল্লেখ্য যে, দীৰ্ঘদিনৰ মূৰত বঢ়মপুৰ সমষ্টিৰ কলংপাৰ পথৰ বাসীৰ ওচৰলৈ এগৰাকী বিধায়ক সমস্যাৰ বুজ লবলৈ অহাত এলেকাটোৰ বাসিন্দা সকল উৎফুল্ল হৈ পৰিছে। উল্লেখ্য যে, প্ৰায় ২০ বছৰৰ অধিক কাল বিৰতিৰ পিছত আজি সমষ্টিটোৰ নব নিৰ্বাচিত বিধায়ক গৰাকী অঞ্চলটোলৈ অহাত ৰাইজ সন্তুষ্ট হৈ পৰিছে।



## অসম অসামৰিক সেৱাৰ বিষয়া মৃগেশ নাৰায়ণ বৰুৱাৰ গোলাঘাট জিলাৰ উপায়ুক্ত হিচাপে দায়িত্বভাৰ গ্ৰহণ

**সান্ধ্য আইন উলংঘা কৰি ঘূৰি ফুৰা লোকক ভ্ৰাম্যমাণ দলে যিকোনো ঠাইতে কৰিব ক'ভিড পৰীক্ষা ঃ বৰুৱা**

**দৈনন্দিন বাৰ্তা বিশেষ সেৱা, গোলাঘাট, ১০ জুলাই ঃ** ১৯৯৩ চনৰ অসম অসামৰিক সেৱাৰ বিষয়া শ্ৰীযুত মৃগেশ নাৰায়ণ বৰুৱাই আজি গোলাঘাট জিলাৰ উপায়ুক্ত হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে । ইয়াৰ পূৰ্বে তেওঁ বজালী জিলাৰ উপায়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল । দায়িত্ব গ্ৰহণ কৰিয়ে নৱনিযুক্ত উপায়ুক্তগৰাকীয়ে তেওঁক আদৰণি জনোৱাৰ বাবে আৰু বিদায়ী উপায়ুক্ত শ্ৰীযুত মানৱেন্দ্ৰ প্ৰতাপ সিঙ(ভা: প্ৰ: সে:)ক বিদায় জনাবলৈ উপায়ুক্তৰ কাৰ্য্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলৰ উপস্থিতিত আয়োজন কৰা এখন সভাত অংশগ্ৰহণ কৰে। নৱনিযুক্ত উপায়ুক্তগৰাকীক এখনি ফুলাম গামোচাৰে আদৰণি জনোৱা হয়।



আনহাতে বিদায়ী উপায়ুক্তগৰাকীকো ফুলাম গামোচা, শৰাই আৰু উপহাৰেৰে বিদায় সম্ভাষণ জনোৱা হয় । বিদায়ী উপায়ুক্তগৰাকীয়ে কয় যে গোলাঘাট জিলাখনৰ প্ৰতি এটা বিশেষ আকৰ্ষণ তেওঁৰ সদায় থাকিব। তেওঁ যি বিভাগত থাকিলেও গোলাঘাটৰ বাবে ভৱিষ্যতে নিজৰ সাধ্যানুসাৰে কাম কৰিব বুলি শ্ৰীসিঙে মন্তব্য কৰে । আনহাতে নৱনিযুক্ত উপায়ুক্ত শ্ৰীবৰুৱাই কয় যে বৰ্তমান সময়ত গোলাঘাট জিলাখনৰ বাবে ভালেখিনি প্ৰত্যাহ্বান আছে। তেওঁ প্ৰতিগৰাকী বিষয়া-কৰ্মচাৰী ইজন সিজনৰ পৰিপূৰক বুলি উল্লেখ কৰি "টীম গোলাঘাট"ৰ মানসিকতাৰে কাম কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। জিলাখনৰ চুলাই মদৰ ঘাটিসমূহ উচ্ছেদ কৰা, প্ৰতিষেধক প্ৰদান, ক'ভিড আক্ৰান্তৰ হাৰ ৰাজ্যিক গড়তকৈ হ্ৰাস কৰা আদি বিষয়সমূহৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। গোলাঘাটক এটা পুৰণি সংস্কৃতিবান অঞ্চল বুলি উল্লেখ কৰি তেওঁ ক'ভিড নিয়ন্ত্ৰণৰ ক্ষেত্ৰত নীতি-নিৰ্দেশনা মানি প্ৰশাসনৰ প্ৰতি সহায়ৰ হাত আগবঢ়াবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। তেওঁ লগতে কয় যে ক'ভিডৰ নীতি-নিৰ্দেশনা পালন নকৰা লোকৰ বিৰুদ্ধে কাইলৈ আৰক্ষী আৰু চি আৰ পি এফৰ উদ্যোগত গোলাঘাটত অভিযান চলোৱা হ'ব। লগতে সান্ধ্য আইন উলংঘা কৰি ঘূৰি ফুৰা লোকক ভ্ৰাম্যমান ক'ভিড পৰীক্ষা কৰা দলে যিকোনো ঠাইতে পৰীক্ষা কৰিব । তেওঁ সকলোকে প্ৰতিষেধক গ্ৰহণ কৰিবলৈও আহ্বান জনায়। আজিৰ অনুষ্ঠানতে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া হিচাপে অলপতে যোগদান কৰা শ্ৰীযুত ধীৰাজ দাস ( অ: অ: সে:)কো এখনি ফুলাম গামোচাৰে আদৰণি জনোৱা হয়।

Affordable Health Mission | GNRC Quality•Value•Trust
**স্বাস্থ্য-বাৰ্তা**

**প্ৰতি বুধবাৰে জিএনআৰচি ছয়মাইলত মৃগীৰোগৰ ক্লিনিক**

মৃগীৰোগৰ লক্ষণ ঃ
- হাত-ভৰি জোকাৰি ৰোগী এজন হঠাতে অজ্ঞান হৈ পৰিব পাৰে, মুখেৰে ফেন বাহিৰ হ'ব পাৰে আৰু কিছুমানৰ ক্ষেত্ৰত প্ৰস্ৰাৱ-পাইখানাও বাহিৰ হ'ব পাৰে।
- কাণেৰে অস্বাভাৱিক শব্দ শুনি থকা যেন লাগিব পাৰে।
- হঠাতে মূৰ ঘূৰাই চকুৰে অদৃশ্য দৃশ্য দেখিলে বা চকু দুটা একে দিশলৈ ঘূৰি যাবও পাৰে।
- হঠাতে খোজকাঢ়ি থাকোতে পৰি গৈ ক্ষণিক সময়ৰ বাবে অজ্ঞান হৈ পৰিলে।
- আপুনি যদিহে দুবছৰতকৈ অধিক সময় মৃগীৰোগৰ ঔষধ খাই থকাৰ পিছতো কোনো সুফল পোৱা নাই, তেন্তে আপুনি হয়তো Drug Resistance Epilepsy ৰোগত ভুগিছে।

যোগাযোগৰ নম্বৰ
1800-345-0022
7002770765
info@gnrchospitals.com www.gnrchospitals.com

## ধাৰাবাহিক কিশোৰ উপন্যাস—

# শৈশৱৰ ৰংবোৰ

(এই উপন্যাসখনৰ মাজেৰে ক'ব বিচৰা হৈছে আশী আৰু নৰৈ দশকৰ মাজভাগত জন্ম লাভ কৰা এটি কিশোৰ ৰসকান্তৰ শৈশৱ, কৈশোৰৰ বিভিন্ন কাহিনী। ইয়াৰ মাজত সন্ধান পাব আপোনালোকে শৈশৱৰ বহু স্মৃতিৰ...। লগতে ৰসকান্তই জন্মগ্ৰহণ কৰা ঠাইখনৰ এক অলিখিত ইতিহাসো দাঙি ধৰিব বিচৰা হৈছে।)



খণ্ড-৯

■ ৰাজীৱ বৰুৱা

বাসুদেৱৰ বগৰী খামে কেনেকৰিযদিঘলৈ হাঁকুটি লাগে, তোমাক ঐ লাহৰি আনিম কেনে কৰিযসোণৰে গজেৰা লাগে।' ৰসকান্তহঁতৰ গাঁও থকা বাসুদেৱ-বেবেজীয়া অঞ্চলটোৰ প্ৰায়বোৰ বাট-পথ আৰু পথাৰৰ মাজত এটা সময়ত অসংখ্য বগৰী গছ আছিল। ফলত বগৰীৰ বাবে বিখ্যাত অঞ্চলটোৰ কথা উল্লেখিত ধৰণে পুৰণি বিহু নামৰ মাজত ঠাই পাইছিল কোনো চহা ডেকা বিহুৱাৰ মনৰ কথাৰ জৰিয়তে। বাসুদেৱ-বেবেজীয়া অঞ্চলৰ পথাৰৰ মাজত, আলিবাটৰ কাষত যিবোৰ বগৰীৰ গছ আছিল। বগৰীবোৰৰ আকাৰ আৰু সোৱাদ আছিল অলপ সুকীয়া। ৰসকান্ত, সনাতনহঁতে কিলাকিলিৰ সিপাৰৰ বৰ চিগাৰ ওচৰৰ বগৰী গছ বোৰৰ পৰা মোনাই মোনাই পকা বগৰী পাৰি আনিছিল মাঘ, ফাগুন মহীয়া। সেইবোৰ নি ভালদৰে ধুই ৰ'দত শুকুৱাইছিল আৰু মাকহঁতে জুতি লগাকৈ ঘৰুৱা মিঠা তেল দি হালধি-মছলা মিহলাই বগৰীৰ আচাৰ বনাইছিল চিচাৰৰ বৈয়ামত। অলপ পক ধৰা কিছু টেঙা বগৰীবোৰৰ পতা গুটিৰে খুন্দি কলপাতত লৈ নিমখ-জলকীয়া সানি পৰম তৃপ্তিৰে খাইছিল ৰসকান্তহঁতে। ইফালে পকা বা টেঙা বগৰী দি আঞ্জাত দিও ৰান্ধিছিল ৰসকান্তহঁতৰ মাকে। শুকান বগৰী ঢেকীত খুন্দি গুড়ি কৰি সেমেকি নোযোৱা বৈয়াম বা টেমাত ভৰাই থৈছিল বাৰিষাৰ আটকত খাবলৈ।

বাসুদেৱ-বেবেজীয়া অঞ্চলৰ পথৰ কাষত বগৰী গছৰ সমান্তৰালকৈ সেই সময়ত ডাঙৰ ডাঙৰ ঘোঁৰা নিম আৰু জাতি নিমৰ গছ আছিল প্ৰচুৰ। নিম গছৰ খৰি ফালিয়েই জুই ধৰিব পাৰি। ঔষধি গুণযুক্ত নিম কাঠত এবিধ তেল জাতীয় দ্ৰব্য থকা বাবে কেচাই কেচাই জ্বলে এই কাঠ খৰিবোৰ। সেইয়ে খজুৰা তিনিআলিৰ মুগা ফাৰ্মত কেম্প পাতি থকা আৰ্মিবোৰে পথৰ কাষৰ নিম গছবোৰ কাটি নিছিল কেম্পলৈ খৰিৰ প্ৰয়োজনত। ডাঙৰ ডাঙৰ কুঠাৰেৰে টুকুৰা-টুকুৰ কৰি নিমৰ কুণ্ডবোৰ দাঙি আৰ্মিৰ ট্ৰাকত উঠাই লৈ গৈছিল। আৰ্মিৰ কেম্পটো খজুৰা তিনিআলিত কেইবা বছৰো আছিল। আৰ্মিবোৰৰ বাবেই ঐতিহাসিক ঢকুৱাখনা-ঘুনাসুঁতি গড়কাপ্তানি পথৰ কাষৰ কাগাঘাটৰ পৰা বাটচঁৰা তিনিআলিলৈকে দুয়োকাষে শোভাবৰ্দ্ধন কৰি থকা অধিক কাৰ্বন শোষণকাৰী নিম গছবোৰ ক্ৰমে একেবাৰে নিঃশেষ হৈ গৈছিল ৰসকান্ত হঁতৰ চকুৰ সন্মুখতেই। নিম খৰি কাটিবলৈ অহা আৰ্মিবোৰে ফ্লাকছত চাহ-বিস্কুট লৈ আহিছিল। আৰ্মিবোৰে বননিত বহি চাহ-বিস্কুট খোৱাৰ সময়ত কেতিয়াবা ঢেঁকীয়া চিঙিবলৈ যোৱা ৰসকান্ত, সনাতন, পুতুল, বুপকন, কনপাইহঁতো ওচৰ চাপি গৈছিল আৰ্মিৰ। তেতিয়া সৰু ল'ৰা দেখি সিহঁতকো এখন-দুখন বিস্কুট খাবলৈ দিছিল। নাম কি ? কোন শ্ৰেণীত পঢ়িছে? সিহঁতক সুধিছিল হিন্দী আৰু অসমীয়া মিহলি বুজাত সহজ ভাষাত। ৰসকান্তই আৰ্মিবোৰে সুধা কথাৰ উত্তৰ তপৰাই দিছিল হিন্দীতে। নিম গছ কাটি নিবলৈ অহা আৰ্মিবোৰে সেইয়ে তাক বাকীবোৰতকৈ অলপ বেছি গুৰুত্ব দিছিল। ৰসকান্তই হিন্দী ক'ব পৰাৰ মূলতে আছিল সি দেউতী মাষ্টৰৰ ঘৰৰ টি ভিত নিয়মীয়াকৈ চোৱা 'শ্ৰীকৃষ্ণ' আৰু 'শক্তিমান'ৰ প্ৰভাৱ। আৰ্মিবোৰেনো কিয় ইমান দিন খজুৰা মুগা ফাৰ্মত কেম্প পাতি আছিল। সেই কথা ৰসকান্তহঁতে জনা নাছিল। কিন্তু কিছুমান কথা সিহঁতে লক্ষ্য কৰিছিল। কেতিয়াবা পুৱা শুই উঠিয়ে দেখে এজাক আৰ্মি পাতি চাইকেল চলাই অমুদ বৰ বাৰীৰ ফালৰ পৰা আহি আছে শাৰী পাতি। প্ৰত্যেকৰে পিঠিত বন্দুক। আলিবাটেৰে আৰ্মিবোৰ এনেকৈ শাৰী পাতি আহি থকা দেখা লগে লগেই ডাঙৰ মানুহবোৰ আলিবাটৰ কাষত ৰৈ থকা নাছিল। সকলো আঁতৰি পলাইছিল। ৰসকান্তহঁতে আকৌ এইদৰে অহা আৰ্মিবোৰ চাবলৈ আলিবাটলৈ ল'ৰিৰি গৈছিল। আৰ্মিবোৰে ৰসকান্তহঁতৰ ফালে চাই টিলিঙা বজাই ধেমালি কৰিছিল। ৰসকান্ত হঁতে হাত জোকাৰি তা তা দিছিল আৰ্মিবোৰক। আৰ্মিৰ জাকটোৰ কিছুমানেও সিহঁতক হাত জোকাৰি তা.. তা... দি গৈছিল। কি ভয়? কি সন্ত্ৰাস? কি আলফা? কি আৰ্মি? কি অপাৰেচন? এইবোৰৰ একো কথাৰে ভু-ভটং পোৱা নাছিল ৰসকান্তহঁতে।সিহঁতে মাথোঁ দেখিছিল অঞ্চলটোৰ গাঁৱে গাঁৱে কেতিয়াবা খোজকাঢ়ি, আন কেতিয়াবা আকৌ পাতি চাইকেল মাৰি দিনে-নিশাই পিঠিত বন্দুক লৈ ঘূৰি ফুৰা আৰ্মিবোৰ। ৰসকান্তই সিহঁতৰ ঘৰলৈ প্ৰায়ে সন্ধিয়া পৰত অহা দেউতাকৰ লগৰ ঘন কোঁচে এদিন দেউতাকক কোৱা শুনিছিল- :আজি যোৱা ৰাতি হেনু তিনিআলিৰ দোকানৰ পৰা আৰ্মিবোৰে গোবিন দোকানীক ধৰি লৈ গ'ল ? ৰসকান্তৰ দেউতাকে কৈছিল— হয় মযডো শুনিছিলোঁ কথাটো পুৱাই। পিছে এৰি দিলে নে নাই সেইটোহে নেজানোঁ।

ঃ ক'ত এৰি দিব সোনকালে। দুপৰ ৰাতি দোকান খুলি আলফাৰ ল'ৰাক কিবা-কিবি খোৱাৰ বস্তু বিক্ৰী কৰিছিল বোলে সি?

ঃ আপোনাক কোনে ক'লে এইবোৰ কথা। নিজেই প্ৰমাণ নপোৱা কথা এইবোৰ য'ত ত'ত কৈ নুফুৰিব দেই। তিনিআলিৰ ওচৰতে ঘৰ থাকিও মই শুনা নাই এই কথা ৰসকান্তৰ দেউতাক হৰেশ্বৰে ঘন কোঁচক তেনেকৈ কোৱাত কথা আৰু বহলোৱা নাছিল। আৰ্মিবোৰ শাৰী পাতি যোৱা চাই চাই তা..তা..দিয়া ৰসকান্তহঁতে আলফাও লগ পাইছিল। কিন্তু জনা নাছিল সেই অচিনাকি পাহুৱাল ডেকবোৰ যে আলফাৰ মানুহ। ৰসকান্তহঁতৰ ওচৰ-পাজৰৰ গাঁওবোৰলৈ এনে অচিনাকি ডেকাবোৰৰ সঘন অহা-যোৱা চলিছিল। কেতিয়াবা ৰাতি এঘাৰ-বাৰ বজাতো গাঁৰৰ কোনো এঘৰত মানুহ জগাই সেই অচিনাকি ডেকাহঁতে ভাত খাইছিল, সুবিধা বুজি বিছনাতো এবাগৰ দিছিল। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ দৰে ৰসকান্তহঁতৰ অঞ্চলৰ-মৰনৈ পাৰঘালি, কৌপতনি, কৰঙা, নলতলী আদি আওহতীয়া গাঁওবোৰত আলফাৰ ডেকা বোৰে বাহৰ পাতিছিল। আৰ্মিৰ হাতত ধৰা পৰি নিৰ্মম নিৰ্যাতনৰ বলী হোৱাৰ ভয়ত, ধাৰাসাৰ গুলীত নিহত হোৱাৰ ভয়ত কাঠনীয়ে-বাহনীয়ে আৰু নৈ-পাৰৰ চাপৰিত ম'হৰ খুঁটিৰ টঙীত,পথাৰৰ বহা ঘৰ আদিত লুকাই-চুৰকৈ থাকিছিল। স্বাধীন অসমৰ দাবীৰে, ঔপনিবেশিক শাসক গোষ্ঠীৰ বিৰুদ্ধাচৰণ কৰি অসমীয়াৰ স্বাভিমান বুকুত লৈ এক অনিশ্চিত ভৱিষ্যতৰ কন্টক ময় পথেৰে বাট বুলি ছিল আলফাৰ ডেকা বোৰে। ঘৰ-বাৰী, আত্মীয়-স্বজন সকলোৰে মায়ামোহ এৰি, নিজৰ জীৱন-যৌৱনৰো সোণালী সময় ব্যয় কৰি আৰম্ভ কৰিছিল বিপ্লৱ। সেইয়ে আলফাৰ ডেকাহঁতৰ প্ৰতি গাঁৱৰ মানুহবোৰৰ অন্তৰত আছিল এক সুকীয়া ঠাই। আলফাৰ লৰাক ভাত খোৱাইছিল কেতিয়াবা কিছুলোকে নিজেই নেখায়।

দেশৰ বাবে, দহৰ বাবে উলাই অহা আলফা ডেকহঁতৰ বিলৈ সহিব নোৱাৰি, স্থানীয় গাঁৱৰ কোনো কোনো পৰিয়ালে, তেওঁলোকক গোপনে খাদ্য যোগান ধৰিছিল। কেতিয়াবা নিজৰ বিছনাখনো শুৱলৈ এৰি দি আলফাৰ ল'ৰাক আশ্ৰয় দিছিল। গাঁৱৰ একে বয়সৰ ডেকা ল'ৰাবোৰে আৰ্মি অহা-যোৱাৰ সংকেট দিও সহায় কৰিছিল বিভিন্ন সময়ত। আৰু এইবোৰ কথা চোৰাং চোৰাৰ মুখেৰে গম পাইছিল আৰ্মিয়ে। পিছত সেই পৰিয়ালবোৰৰ ঘৰলৈ সদলবলে আৰ্মি আহিছিল। ঘৰৰ মতা মানুহক, ডেকাহঁতক ধৰি নি কেম্পত দুই-তিনি ৰাখি আলফা তথ্য বাহিৰ কৰিবলৈ অৱৰ্ণনীয় নিৰ্যাতন চলাইছিল। বাটচ'ৰা তিনি আলিত ফাৰ্মাচি খুলি থকা হোমিঅ' পেথিক চিকিৎসক পুতুল ডাক্তক আৰু ৰসকান্তৰ বৰদেউতাকৰ ডাঙৰ পুতেক বাবুলকো আলফাৰ ডেকা বোৰক সহায় কৰা বুলি ধৰি নি আৰ্মিয়ে কেম্পত বহুত বেয়াকৈ অত্যাচাৰ কৰিছিল। দুই-তিনিদিনৰ পিছতহে লেবেজান অৱস্থাত এৰি এৰি দিছিল। সেইদৰে বাসুদেৱ-বেবেজীয়া অঞ্চলৰ কেইবাজনো লোকক আৰ্মিয়ে ধৰি নি অত্যাচাৰ কৰিছিল আলফাক আশ্ৰয়, খাদ্য যোগান ধৰাৰ অপৰাধত। আৰ্মিয়ে ধৰি নি এৰি দিয়া লোকসকল জীৱনৰ বাবে ভিতৰি ঘূণীয়া আৰু ৰোগীয়া হৈ পৰিছিল। বাসুদেৱ-বেবেজীয়া অঞ্চলৰ বহু পৰিয়ালৰ লোক এইদৰে আৰ্মিৰ অত্যাচাৰৰ বলী হৈছিল আলফা ল'ৰাক সহায় কৰাৰ বাবে। বাসুদেৱ-বেবেজীয়া অঞ্চলৰ মানুহে আৰ্মিৰ অত্যাচাৰ সহ্য কৰিও আলফাৰ ল'ৰাক সহায় কৰাৰ আঁৰত আছিল অন্য এক কাহিনী।

ৰসকান্তহঁতৰ অঞ্চলৰ দুইযতিনিখনমান গাঁৱক বাদ দি বাকীবোৰ গাঁৱত প্ৰতি বছৰেই বানপানী হয়। বাঢ়নী পানীয়ে খেতি-পথাৰ আৰু বাৰীৰ দ-অংশবোৰ বুৰাই পেলায়। কিন্তু যেতিয়াই ব্ৰহ্মপুত্ৰ, সোৱণশিৰি অথবা জীয়াঢল আৰু কুমতীয়াৰ বানে মথাউৰি চিঙে। সেই বানে মহাপলয়ৰ সৃষ্টি কৰে বাসুদেৱ-বেবেজীয়া অঞ্চলত। ৰসকান্ত ঘৰৰ সন্মুখৰ এল পি স্কুলখনলৈ যাবলৈ আৰম্ভ কৰিছিলহে কিজানি সেই বছৰ। আগ বাৰিষাতে মথাউৰি চিঙি অহা সোৱণশিৰি নদীৰ প্ৰলয়ংকৰী বানে ঢকুৱাখনা-ঘূনাসুঁতি গড়কাপ্তানি পথটোৰ ভীম পৰা চিঙাৰ পৰা বেবেজীয়া চাৰি আলিলৈকে মাজৰ অংশৰ কেইবাঠাইতো চিগি পেলাইছিল। পানী শুকালত চিগা অংশত ডাঙৰ ডাঙৰ ডুবি হৈ পৰিছিল। পূৰ্বে ঢকুৱাখনাৰ পৰা বেবেজীয়া চাৰি আলিলৈকে চলা পৰিবহণ নিগমৰ গড়ৰ ছৱি থকা ৰঙা বাছবোৰৰ চলাচল বন্ধ হৈ গৈছিল পথটো বিচ্ছিন্ন হোৱাৰ বাবে। অঞ্চলটোৰ ৰাইজে বিধ্বস্ত যাতায়তৰ কাৰণে দুইবছৰমান জিয়াতু ভুগিব লগা হৈছিল যদিও। চৰকাৰে গড়কাপ্তানি পথটোৰ চিগা অংশবোৰৰ মেৰামতিৰ ক্ষেত্ৰত গুৰুত্ব দিয়া নাছিল। সেই প্ৰশাসন যন্ত্ৰলৈ মুখ মেলি হাত সাবতি বহি নাথাকি আলাফা আগবাঢ়ি গৈছিল পথটো সুচল কৰি তুলিবলৈ। আলফাৰ ডেকাহঁতৰ বিশেষ উদ্যোগতে বিধ্বস্ত গড়কাপ্তানি পথচোৱাই আকৌ পূৰ্বৰ ৰূপ পাইছিল। যাতায়াতৰ উপযোগী হৈ উঠিছিল। কিছুমান চিগা-ভগা অংশ পুতি মেৰামতি কৰাৰ লগতে আন এচোৱা পথ নতুনকৈ নিৰ্মাণ কৰিছিল। পথ নিৰ্মাণত-ডাক্তৰ, মাষ্টৰ, কেৰাণী, মহৰি, দোকানী সকলোৰেই সহযোগিতা আগবঢ়াইছিল আলফাক। ঢকুৱাখনাৰ ডাঙৰ ডাঙৰ মাৰোৱাৰী মহাজনবোৰে বস্তাই বস্তাই চাউল, দালি, আলু নিমখ আৰু তেল যোগান ধৰিছিল। আলি বন্ধোৱাৰ কামত লাগি থকা লোকসকলক স্থলীতে ৰান্ধি ভাত খোৱাইছিল। কোৰেৰে মাটি কাটি, মাটি ভৰ্ত্তি টুকুৰি মূৰত লৈ চাকৰিয়াল, কৃষক, ব্যৱসায়ী সকলোৱেই আলি বন্ধোৱাৰ কামত ধৰিছিল পাল পাতি-পাতি। এইদৰেই বিধ্বস্ত আলিটোৱে নতুন ৰূপ পাইছিল।সেইয়ে অঞ্চলটোৰ ৰাইজে এই পথচোৱাৰ নাম ৰাখিছিল— 'আলফা আলি'। আৰু প্ৰথম যিটো চিঙাৰ অংশত মেৰামতিৰ কাম কৰিছিল সেইটো চিঙাৰ নাম দিছিল-'আলফা চিগা'। চৰকাৰে কৰি নিদিয়া এটা কাম বাসুদেৱ-বেবেজীয়াৰ বান-পীড়িত ৰাইজক কৰি দিছিল আলফাই। আলফাই কৰা এই উপকাৰৰ বাবে কৃতজ্ঞ হৈ পৰা ৰাইজৰ সেইয়ে আলফাৰ প্ৰতিআছিল বিশেষ দৰদ।

পূবে বলাহী নৈ, পশ্চিমে সোৱণশিৰি, উত্তৰে চামপৰা আৰু দক্ষিণে কঢ়া নদীয়ে আগুৰি থকা মাজৰ ঠাইখনেই আছিল ঐতিহ্য মণ্ডিত বাসুদেৱ-বেবেজীয়া অঞ্চল। কোনো কোনোৱে আকৌ বাসুদেৱ চাপৰিও বুলিছিল ঠাইখনক। এই বাসুদেৱ চাপৰিতে গঢ়ি উঠিছিল- বাটচ'ৰামুখ, বালিজান, ঘাঁহি বাৰী, লাহোৱাল, অমুদ বৰবাৰী, পূব চামপৰা, পাৰ ঘালি, কৌপাতনি, কৰঙা, ভঁৰালৰ ভেটি আদি গাঁওবোৰ। এই গাওঁবোৰ মানৱ আক্ৰমণৰ পিছৰ সময়তহে গঢ়ি উঠিছিল। বাসুদেৱথান অঞ্চলত যে মানৱ আক্ৰমণৰ আগৰ সময়ত মানুহৰ বসতি আছিল। সেই কথা-অমুদ বৰবাৰী, ঘাঁহিবাৰী, পাৰঘালি, বাটচ'ৰামুখ আদিৰ কিছুমান লোকৰ বাৰীত থকা প্ৰকাণ্ড-প্ৰকাণ্ড পুৰণি পুখুৰী আৰু তাৰ কাষৰ ওখ ওখ ভেটি বোৰেই প্ৰমাণ কৰে। তদুপৰি অমুদ বৰবাৰীৰ বাহাদুৰৰ ঘৰৰ বাৰীত কছু ৰুবলৈ গাত খান্দোতে উদ্ধাৰ হোৱা তামৰ গডুৰ মূৰ্তিৰ, লগতে বিভিন্ন সামগ্ৰী, ঘাঁহিবাৰীৰ যোগেন বৰতোৰ বাৰীত উদ্ধাৰ হোৱা ধাতুৰ বিষ্ণু মূৰ্তি, পাৰঘালিত এজোপা ঔটেঙাৰ গছৰ তলৰ পৰা তিখা শইকীয়াই উদ্ধাৰ কৰা ধাতুৰ কৃষ্ণৰ মূৰ্তি, বাসুদেৱথান মন্দিৰৰ কাষৰ যুগ বৰাৰ ঘৰৰ ভেটিত উদ্ধাৰ হোৱা বংশী গোপালৰ মূৰ্ত্তি আদিয়েও বাসুদেৱ অঞ্চলৰ প্ৰাচীন জনবসতি আৰু ঐতিহ্যৰ কথা প্ৰতীয়মান কৰে। তদুপৰি কালিকা পূৰাণতো উল্লেখ থকা বাসুদেৱ থানৰ প্ৰাচীন ঐতিহ্যও বাসুদেৱ-বেবেজীয়া অঞ্চলৰ কেইবা শতিকাও প্ৰাচীন ইতিহাসৰ কথা সোঁৱৰাই দিয়ে।


পূবে আৰু দক্ষিণে কঢ়া নদী। উত্তৰে চামপৰা আৰু পশ্চিমে সোৱণশিৰী নদীয়ে আগুৰি থকা মাজৰ ঠাইখনেই আছিল বাসুদেৱ-বেবেজীয়া অঞ্চল। কোনো কোনোৱে আকৌ বাসুদেৱ চাপৰিও বুলিছিল ঠাইখনক। এই বাসুদেৱ চাপৰিতে গঢ়ি উঠিছিল-বাটচ'ৰামুখ, বালিজান, ঘাঁহিবাৰী, লাহোৱাল, অমুদ বৰবাৰী, পূব চামপৰা, পাৰঘালি, কৌপাতনি, কৰঙা, ভঁৰালৰ ভেটি আদি গাঁওবোৰ। এই গাঁওবোৰ মানৱ আক্ৰমণৰ পিছৰ সময়তহে গঢ়ি উঠা। বাসুদেৱ অঞ্চলত যে মানৱ আক্ৰমণৰ আগৰ সময়ত মানুহৰ বসতি আছিল। সেই কথা-অমুদ বৰবাৰী, ঘাঁহিবাৰী, পাৰঘালি, বাটচ'ৰামুখ আদিৰ কিছুমান লোকৰ বাৰীত থকা প্ৰকাণ্ড-প্ৰকাণ্ড পুৰণি পুখুৰী আৰু তাৰ কাষৰ ওখ ওখ ভেটিবোৰেই প্ৰমাণ কৰে। তদুপৰি অমুদ বৰবাৰীৰ বাহাদুৰ শইকীয়াৰ বাৰীত উদ্ধাৰ হোৱা তামৰ গডুৰ মূৰ্তি লগতে বিভিন্ন সামগ্ৰী, ঘাঁহিবাৰীৰ যোগেন দত্তৰ বাৰীত উদ্ধাৰ হোৱা ধাতুৰ বিষ্ণু মূৰ্তি, পাৰঘালিত এজোপা ঔটেঙাৰ গছৰ তলৰ পৰা তিখা শইকীয়াই উদ্ধাৰ কৰা ধাতুৰ কৃষ্ণৰ মূৰ্তি, যুগ বৰাৰ ঘৰৰ ভেটিত উদ্ধাৰ হোৱা বংশী গোপালৰ মূৰ্ত্তি আৰু বাসুদেৱ থানত থকা শিৱসিংহৰ স্বাক্ষৰযুক্ত তামৰ ফলি, অনেক সাঁচিপাত, তুলা পাতৰ পুথি, বিভিন্ন ধাতুৰ সামগ্ৰী আদিয়েও বাসুদেৱ অঞ্চলৰ প্ৰাচীন জনবসতি আৰু ঐতিহ্যৰ কথা প্ৰতীয়মান কৰে।

তদুপৰি কালিকা পুৰাণতো উল্লেখ থকা বাসুদেৱ থানৰ প্ৰাচীন ঐতিহ্যইও বৃহৎ বাসুদেৱ-বেবেজীয়া অঞ্চলৰ কেইবা শতিকাও প্ৰাচীন ইতিহাসৰ কথা সজীৱ কৰি ৰাখিছে। (আগলৈ)

ফোন ঃ ৮১৩৫০১১০২৬

## ড° নিৰ্মলা দেৱীৰ প্ৰবন্ধ পুথি

# 'লক্ষ্য এক মনুষ্যত্ব'




■ ধৰ্মেন্দ্ৰ বৰুৱা

বৰ্তমান কেন্দ্ৰীয় পেট্ৰ'কেমিকেলছ অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, জয়পুৰ, ৰাজস্থানত ৰসায়ন বিজ্ঞানৰ সহকাৰী অধ্যাপিকাৰূপে কৰ্মৰত ড° নিৰ্মলা দেৱীৰ লক্ষ্য এক মনুষ্যত্ব দ্বিতীয়খন গ্ৰন্থ। তেওঁ বহুদিন ধৰি নিয়মীয়া বাৰ্তা, আমাৰ অসম, দৈনিক অসম, অসমীয়া খবৰ, প্ৰান্তিক, বিজ্ঞান জেউতি আদি কাকত-আলোচনীত উচ্চস্তৰৰ আৰু প্ৰেৰণাত্মক লেখাৰে পাঠকক মুগ্ধ আৰু অনুপ্ৰাণিত কৰি আহিছে । ড° নিৰ্মলা দেৱীৰ লক্ষ্য এক মনুষ্যত্ব গ্ৰন্থখনত প্ৰকাশিত প্ৰতিটো প্ৰবন্ধই অতি উন্নত মানৰ, প্ৰতিটো প্ৰবন্ধত জীৱন সম্পৰ্কে ভিন্ন দিশ প্ৰতিফলিত হৈছে। ধনাত্মক চিন্তাধাৰাৰে পৰিপূৰ্ণ প্ৰতিটো প্ৰবন্ধত পাঠকক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। জীৱনৰ অনুঘটক আৰু অদম্য অধ্যৱসায় প্ৰবন্ধটোত জীৱনত সফল হ'বলৈ অধ্যৱসায় যে অনিবাৰ্য তাক সুন্দৰভাৱে বিশ্লেষণ কৰিছে। তেওঁ প্ৰবন্ধটোত বিভিন্নজন সফল ব্যক্তিৰ উদাহৰণ দাঙি ধৰিছে। ছাৰ আইজাক নিউটনৰ উদাহৰণেৰে আৰম্ভ কৰা সৃষ্টিশীল জিনিছায় এটি সুন্দৰ প্ৰবন্ধ। এই প্ৰবন্ধটোৰ জৰিয়তে যুৱ-প্ৰজন্মই নিজক সলনি কৰাৰ বাবে সাহস পাব।

বৰ্তমান সময়ত মোবাইল সকলোৰে বাবে অপৰিহাৰ্য অংগ হৈ পৰিছে। মোবাইল অবিহনে বৰ্তমানৰ পৃথিৱী যেন অসাৰ। কিন্তু এই মোবাইল ফোনৰ অজস্ৰ সুবিধাৰ বিপৰীতে ইয়াৰ নিগেটিভ দিশো অনেক আছে। লেখিকাই আই- ফোন-ইফেক্ট নামৰ প্ৰবন্ধটোত মোবাইল ফোনৰ অপ-ব্যৱহাৰৰ ফলত হোৱা সমস্যাবোৰৰ বিষয়ে উল্লেখ কৰিছে।

নিদ্ৰা মানুহৰ বাবে খুবেই প্ৰয়োজন। জীৱনত যিকোনো কামত কৃতকাৰ্যতাৰ বাবে কঠোৰ পৰিশ্ৰম আৰু কৰ্মব্যস্ততা যিমান দৰকাৰী, সিমানেই নিৰ্বিঘ্ন-নিশ্চিন্ত টোপনিও দৰকাৰী। লেখিকাই 'নিৰ্বিঘ্ন নিদ্ৰা অভিনৱ সৃষ্টিৰ আধাৰ' প্ৰবন্ধটোত বিভিন্ন উদাহৰণৰ জৰিয়তে নিদ্ৰাৰ পজিটিভ দিশসমূহ উল্লেখ কৰিছে।

নিজক পৰিৱৰ্তন কৰাটো আটাইতকৈ কঠিন কাম, যাৰ বাবে প্ৰয়োজন হয় নীৰৱ সাধনা, প্ৰচণ্ড আত্মসংযম আৰু প্ৰবল ইচ্ছাশক্তিৰ। এইবোৰ গুণৰ অবিৰত সাধনাৰে নিজে বিচৰা পৰিৱৰ্তন আনিব পাৰে বুলি লেখিকাই 'নিজে বিচৰা পৰিৱৰ্তনৰ আৰ্হি হোৱা' প্ৰবন্ধটোত উল্লেখ কৰিছে। অভ্যাস গঠন প্ৰক্ৰিয়াত অনুপ্ৰেৰণাই অনুঘটকৰ ভূমিকা পালন কৰে বুলি লেখিকাই 'অভ্যাস গঠন আৰু অনুপ্ৰেৰণা' নামৰ প্ৰবন্ধটোত উল্লেখ কৰিছে। 'সজ অভ্যাসৰ অবিৰত কৰ্ষণ' প্ৰবন্ধটোত লেখিকাই সজ অভ্যাস গঠনৰ ভিন্ন পৰামৰ্শ দাঙি ধৰিছে। নিজৰ স্বভাৱ আৰু নৈতিক উৎকৰ্ষ সাধনৰ দ্বাৰা জীৱন সুখী কৰাৰ বাস্তৱ পদক্ষেপ হ'ল ভাল অভ্যাস গঠন কৰা আৰু বদ অভ্যাসৰ পৰা দূৰত থকা। কিন্তু, বদ অভ্যাসৰ পৰা মুক্তি পোৱা বৰ সহজ নহয়। লেখিকাই 'অভ্যাস গঢ়া-ভঙাৰ সাধনা' প্ৰবন্ধটোত বদ অভ্যাস দূৰ কৰাৰ বাবে কেইটামান উপায় আগবঢ়াইছে। লেখিকাই কিতাপ পঢ়াৰ অভ্যাস সৰু কালৰ পৰাই গঢ়ি তুলিবলৈ চেষ্টা কৰাটো আমাৰ প্ৰত্যেকৰে প্ৰথম প্ৰাধান্য হোৱা উচিত। নিজৰ লগতে জাতি, মাটি, ভাষা, দেশ সকলোৰে উন্নতিৰ বাবে প্ৰথম প্ৰয়োজন এই অভ্যাসৰ। নতুন অভ্যাস গঠনৰে সাফল্যৰ অভিযান প্ৰবন্ধটোত লেখিকাক অভ্যাস গঠনৰ বাবে সহায়ক হোৱা কেইটামান উপায় উল্লেখ কৰিছে, যিয়ে সকলোৰে বাবে অতিকৈ প্ৰয়োজন বুলি আমাৰ মনে কয়।

জীৱনত সফল হ'বলৈ হলে প্লেটফৰ্মৰ খুবেই দৰকাৰ, লেখিকাই 'প্লেটফৰ্ম' নামৰ প্ৰবন্ধটোত ভিন্ন উদাহৰণেৰে এই কথা বুজাইছে। ঠিক একেদৰে কৰ্মজ বাদ দি সফলতাৰ দিশে ধাৱমান হ'ব নোৱাৰি। লেখিকাই 'কৰ্মস্পৃহাতে জীয়াই থকাৰ মাদকতা' প্ৰবন্ধটোত কৰ্মশক্তিৰ ভিন্ন দিশ দাঙি ধৰাৰ লগতে মহান মহান ব্যক্তিৰ উদাহৰণ দাঙি ধৰিছে।


লেখিকাই 'গুৰু হোৱাৰ সাধনা' প্ৰবন্ধটোত এজন শিক্ষকৰ দায়িত্ব, কৰ্তব্যৰ কথা সুন্দৰভাৱে উল্লেখ কৰিছে। এজন শিক্ষকৰ থাকিব লগা গুণসমূহৰ বিষয়েও লেখিকাই প্ৰবন্ধটোত উল্লেখ কৰিছে। মানুহে গঢ়ে এখন সমাজ। সমাজে গঢ়ে একোজন মানুহ। পৰস্পৰৰ এই নিৰ্ভৰশীলতা আৰু ভাৰসাম্যই সৃষ্টি কৰে সমাজৰ আটিলতা, ঐক্য আৰু বিকাশৰ সামাজিক লক্ষ্য। লেখিকাই 'মানুহে গঢ়ে এখন সমাজ' প্ৰবন্ধটোত এই কথা উল্লেখ কৰিছে।

হাঁহি মানৱ জীৱনৰ সৰ্বোচ্চ আশীৰ্বাদ। দয়া, কৰুণা, সততা আৰু প্ৰেমৰ দৰে মানৱীয় গুণৰ লগতে জীৱন সম্পূৰ্ণভাৱে জীয়াই থকাৰ অনুভৱ প্ৰদান কৰে হাঁহিয়ে। সেয়েহে দুখ, কষ্ট, বেদনা, মানসিক যন্ত্ৰণাৰ মাজতো হাঁহি হাঁহি জীৱন উপভোগ কৰিবলৈ চেষ্টা কৰিব লাগে। লেখিকাই 'জীৱন জিনিবা হাঁহিৰে' প্ৰবন্ধটোত হাঁহি মানৱ জীৱনৰ বাবে কিমান লাভদায়ক তাক উল্লেখ কৰিছে। 'মনুষ্যত্বৰ সাধনা' লেখিকাৰ অতি উন্নত আৰু প্ৰয়োজনীয় প্ৰবন্ধ। এই প্ৰবন্ধটোত এজন সফল মানুহৰ নিজৰ লগতে সমাজখনৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্যৰ কথা সোঁৱৰাই দিছে। ড° নিৰ্মলা দেৱীৰ 'লক্ষ্য এক মনুষ্যত্ব' গ্ৰন্থখনে পাঠকক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। আমি আশাবাদী লেখিকাই অনাগত দিনতো এনেদৰে উন্নত মানৰ প্ৰবন্ধ পাঠকক উপহাৰ দি যাব।

গ্ৰন্থ সমালোচনা

## ভাষা-সাহিত্য জগতলৈ এক অনবদ্য সংযোজন

# বৈষ্ণৱবাদৰ ছাঁ-পোহৰত মায়ামৰা সংস্কৃতি




■ ব্ৰজেন দাস

মাজুলী নিৱাসী মায়ামৰা সমাজৰ এগৰাকী নিষ্ঠাৱান কৰ্মী, বিশিষ্ট লেখক, কৈৱৰ্ত সাহিত্য আৰু সাংস্কৃতিক সভাৰ প্ৰধান সম্পাদক জিতুল দাসৰ 'বৈষ্ণৱবাদৰ ছাঁ-পোহৰত মায়ামৰা সংস্কৃতি' এক নতুন দৃষ্টিভংগীৰ গ্ৰন্থ। শ্ৰীশ্ৰীমায়ামৰা চাবুৱা মদাৰখাট সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীসচ্ছিদানন্দ গোস্বামীদেৱে গ্ৰন্থখনৰ বিষয়ে কৈছে যে এই গ্ৰন্থখনে শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ জীৱন দৰ্শনৰ লগতে মায়ামৰা সমাজখনৰ শিপাৰ সন্ধান দিব। সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজৰ হৈ প্ৰধান সম্পাদক হেমন্ত গোহাঁইদেৱে একাষাৰত বহু কথাই লিখিছে। তেখেতে লিখিছে যে গ্ৰন্থখনত সন্নিৱিষ্ট আটাইকেইটা প্ৰবন্ধই গৱেষণামূলক, য'ত লেখকৰ বিস্তৃত জ্ঞানৰ প্ৰতিভাৰ ৰেঙনি পৰিস্ফুট। গ্ৰন্থখনত লেখকে লিখা মুঠ পোন্ধৰটা অনবদ্য নিবন্ধৰ ভিতৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱ, গোপালদেৱ, অনিৰুদ্ধদেৱ, অভিন্নাত্মা, মায়ামৰীয়া, মোৱামৰীয়া, মায়ামৰা মটক, মৰাণ, মতেক ইত্যাদি শব্দৰ পম খেদি, দেৱবাদ্য মৃদংগ আৰু মায়ামৰা সমাজ, ইতিহাসৰ বিৰল পৰিঘটনা মায়ামৰা গণ অভ্যুৎথান, পুৰঞ্জন উপাখ্যান আদি নিবন্ধকেইটাৰ যোগেদি লেখকে সাৱলীলভাৱে বহুখিনি কথাই লিখিছে। অসমৰ এজন প্ৰথিতযশা অৰ্থনীতিবিদ, বিশিষ্ট সমালোচক, শিক্ষাবিদ, ডিমৌ কলেজৰ প্ৰাক্তন অধ্যক্ষ ড° প্ৰফুল্ল হাজৰিকাদেৱে আগকথাত লিখিছে - 'ডাঃ ধ্ৰুৱজ্যোতি বৰা আৰু দুতিৰাম হাজৰিকাই মোৱামৰীয়া শব্দটো বহু ঠাইত ব্যৱহাৰ কৰিছে যদিও ই শুদ্ধ নহয়। ড° এনি হাজৰিকাই লিখিছে— ঐতিহাসিক বেণুধৰ শৰ্মাৰ মতে চুখামফা ৰজাই 'মায়ামৰা' বুলি অভিহিত কৰাত গোসাঁই 'মায়ামৰা' আৰু শিষ্যসকল মায়ামৰীয়া বুলি জনাজাত হ'ল। এই সকলো কথাৰ আঁতিগুৰি মাৰি লিখিবলৈ চেষ্টা কৰা জিতুল দাসক ভূয়সী প্ৰসংসা কৰি ড° হাজৰিকাই গ্ৰন্থখনত সন্নিৱিষ্ট বৈষ্ণৱ ধৰ্মীয় আন্দোলন, ভক্তি আন্দোলন, শংকৰদেৱ আৰু অনিৰুদ্ধদেৱৰ বৈষ্ণৱবাদ, ৰাজকোষৰ চাকনৈয়াত মায়ামৰীয়াসকলৰ বিপৰ্যয়ৰ বিষয়ে কিছু কথা অকপটে প্ৰকাশ কৰিছে।

বৈষ্ণৱবাদৰ ছাঁ-পোহৰত মায়ামৰা সংস্কৃতি সঁচাকৈয়ে এখন ঐতিহাসিক তথ্যসমৃদ্ধ মায়ামৰা সংস্কৃতিৰ বিশাল ভাণ্ডাৰযুক্ত এক সৰল প্ৰাঞ্জল ভাষাত লিখা মনোৰম গ্ৰন্থ। কৰাপাটতে লেখকে নিৰ্ভিকভাৱে লিখিছে যে শংকৰোত্তৰ কালছোৱাত গোড়া ধৰ্মীয় আৰু সামাজিক পৰম্পৰাৰ পূজাৰীসকলৰ বাবেই হওক বা অন্য কাৰণতেই হওক সংহতি বিভাজন ঘটাৰ ফলত শংকৰদেৱৰ সাম্য-মৈত্ৰী আৰু গণতান্ত্ৰিক আদৰ্শৰ ভেটিটো দুৰ্বল হৈ পৰে। শ্ৰীশ্ৰীগোপালদেৱ সৃষ্ট কালসংহতি আৰু তেৰাৰ অন্যতম প্ৰপন্ন শিষ্য শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ কৃত মায়ামৰা পন্থা এই মহাপুৰুষীয়া ভক্তি পন্থাৰ বিভ্ৰাতৰে ফল বুলি ক'ব পাৰি। খ্ৰীষ্ট্ৰীয় যোল্লশ- সপ্তদশ শতিকাত সমসাময়িক অসমৰ সমাজখনক বিশেষকৈ উজনি অসমত বসতি কৰা অনাদৃত, উপেক্ষিত আৰু খাটিখোৱা জনজাতীয় মূলৰ কৃষক শ্ৰমিকৰ লোকসকলক ধৰ্মীয় গোড়ামীৰ প্ৰবল প্ৰত্যাহ্বানকো নেওচি শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱে ভক্তি মাৰ্গলৈ আদৰি আনি বৃহত্তৰ অসমীয়া সমাজ আৰু জাতি গঠন প্ৰক্ৰিয়াৰ ভেটি সুদৃঢ় কৰিছিল। শংকৰদেৱ, মাধৱদেৱ আৰু গোপালদেৱৰ পদাংক অনুকৰণ কৰি শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱেও সৰ্বসাধাৰণৰ মাজত ধৰ্মীয় বিশ্বাসৰ ভেটি টনকিয়াল কৰাৰ মানসেৰে কেইবাখনো গভীৰ ধৰ্মতত্ত্বমূলক গ্ৰন্থ, ভক্তিমূলক গীত, বৰ্ণাঢ্য সাংস্কৃতিক অৱদানেৰে অসমৰ সাহিত্য জগতখনকেই কেৱল পোহৰাই তোলা নাছিল তেৰাসৃষ্ট মায়ামৰা সমাজখনকো আপোচবিহীনভাৱে এক স্বকীয় পৰিচয়ৰে উজলাই তুলিবলৈ সক্ষম হৈছিল। এই সকলোবোৰ কথাৰ এক বিস্তৃত বিৱৰণ 'বৈষ্ণৱবাদৰ ছাঁ-পোহৰত মায়ামৰা সংস্কৃতি' গ্ৰন্থখনত পঢ়িবলৈ পোৱা যাব। লেখকে ইতিমধ্যে কেইবাখনো গ্ৰন্থ লিখিছে। তেওঁ লিখা আটাইকেইখন গ্ৰন্থই ইতিমধ্যে পাঠকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। কৈৱৰ্ত সাহিত্য আৰু সাংস্কৃতিক সভা, অসমৰ দ্বাৰা প্ৰকাশিত আৰু সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজৰ দ্বাৰা অনুমোদনপ্ৰাপ্ত, আই এছ বি এন নম্বৰযুক্ত এই গ্ৰন্থখনে নিশ্চয় পাঠকৰ সমাদৰ লাভ কৰিব।

ফোন ঃ ৮৬৩৮৭-৫৯৬৭৯

# ইণ্টাৰনেটৰ পৃথিৱীত অসমীয়া কিতাপ

যোৱা কেইবছৰমানৰ পৰা বহুতো নবীন-প্ৰবীণ লেখক-লেখিকাই ইণ্টাৰনেটৰ মাধ্যমেৰে সাহিত্য চৰ্চা কৰা দেখিবলৈ পোৱা গৈছে। তেনে বহুতো লেখক-লেখিকাই পাঠক সমাজৰ ভূয়সী প্ৰশংসা বুটলিবলৈও সক্ষম হৈছে। ইণ্টাৰনেটে অসমীয়া লিখন পঢ়নত কিছু সহায় আগবঢ়াইছে যদিও ইয়াৰো কিছু সীমাবদ্ধতা আছে। ছ'চিয়েল মিডিয়াত এটা প্ৰবন্ধ বা চুটিগল্প প্ৰকাশ কৰাটো যিমান সহজ বা কাৰ্যক্ষম, এখন পূৰ্ণাঙ্গ কিতাপ প্ৰকাশ কৰাটো সিমান সহজ নহয়। সেয়েহে অসমীয়া ভাষাৰ কিতাপ ই-বুক হিচাপে ইণ্টাৰনেটত প্ৰকাশ কৰাৰ বাবে প্ৰকাশকসকলে উদ্যোগ লোৱাটো উচিত বুলি ভাবো।

Kindleৰ নিচিনা ই-বুক প্ৰকাশ কৰিব পৰা ৱেবছাইটত 'অসমীয়া' ভাষা তালিকাভুক্ত হৈ থকা নাই। সেয়েহে ইয়াত অসমীয়া কিতাপ প্ৰকাশ কৰিলেও সেইবোৰ কিতাপৰ 'অসমীয়া কিতাপ' বুলি সুকীয়া পৰিচয় নাথাকিব। 'Kindle'ত ভাৰতবৰ্ষৰ কেইটামান ভাষাকহে কিতাপ প্ৰকাশৰ বাবে স্বীকৃতি দিয়া হৈছে। সেইকেইটা হ'ল, হিন্দী, তামিল, মাৰাঠী, মালায়ালম আৰু গুজৰাটী। কিন্তু তাৰ সলনি, 'Google play books'ত অসমীয়া কিতাপ প্ৰকাশ কৰিব পাৰি। ইয়াৰ কেইটামান সুবিধা হ'ল, ইয়াত অসমীয়া কিতাপ বুলি সুকীয়া পৰিচয় থাকিব কাৰণ কিতাপখনৰ ভাষা অসমীয়া বুলি আগে-ভাগে ঘোষণা কৰাৰ সুবিধা আছে। লগতে ইয়াৰ পৰা লেখক-প্ৰকাশকে লাভ কৰা ধনৰ পৰিমাণো 'Kindle' তকৈ বেছি হ'ব কাৰণ 'Amazon Kindle'-এ ধনৰাশিৰ ৩০ শতাংশ দিয়াৰ সলনি, 'Google play books'-এ ৭০ শতাংশ দিয়ে।

এসময়ত 'Assamkart.com' বুলি এটা অসমীয়া ই-বুক প্ৰকাশন ৱেবছাইট ওলাইছিল। ইয়াৰ android, ios আৰু windows appৰ জৰিয়তে অসমীয়া ই-বুক পঢ়াৰ সুবিধাও আছিল। ই অসমীয়া ই-বুক প্ৰকাশন আৰু পঠনৰ বাবে খুবেই ভাল আছিল। কিন্তু কালক্ৰমত কিবা কাৰণবশতঃ 'Assamkart.com' নাইকিয়া হৈ থাকিল। 'Assamkart.com' নাইকিয়া হ'ল বুলিয়ে আমি ৰৈ থাকিলে নহ'ব। সাম্প্ৰতিক সময়ত Google play books এই অসমীয়া কিতাপ প্ৰকাশ আৰু প্ৰচাৰৰ বাবে সকলোতকৈ ভাল বিকল্প হিচাপে দেখা দিছে।

■ বৃতুল শৰ্মা

ফোন ঃ ৯৪৩৫১-৫৪০৯৫

# ভোক

■ মহীধৰ কলিতা

কাষ্টমাৰবোৰ ক'লৈ গ'ল। মালতীয়ে ভাবিছিল অফিচ-কাছাৰী, স্কুলবোৰ বন্ধ হ'ল যেতিয়া এতিয়া তাইৰ বেপাৰ ভালহে হ'ব। নিয়মীয়া গ্ৰাহক মদনক মিছ কল এটা মাৰি দিলে। মালতী আচৰিত হ'ল— হাৰে মদনেও কোনো সঁহাৰি নিদিলে। গোটেই সন্ধিয়াটো কৰ ভৱনৰ সন্মুখত বোন্দাপৰ দিও কোনো এজন গ্ৰাহক নাপালে। সকলোৱে আতৰতিহে যায়। তাইৰ ভাব হ'ল কিবা যেন চুৱাহে লাগিছে। তাইৰ লগত মুখ খজুৰতী মৰা অটোচালক নৰেনেও তাইৰ পৰা দূৰত্ব বজাই ৰাখিছে। এনেদৰে বিনাগ্ৰাহকে তাই চাৰি দিন পাৰ কৰিলে। লাহে লাহে ইজন-সিজনৰ লগত আলোচনা কৰি মালতীয়ে বুজিলে সাংঘাতিক বেমাৰ এটা আহিছে। কিবা বোলে কৰ'না। মানুহে মানুহৰ পৰা আঁতৰি থাকিলে হেনো বাচি থাকিব পাৰি। তাইৰ বুকুখন চিৰিংকৈ গ'ল। জমা টকাকেইটা শেষ হোৱাৰ পিছত তাই কি কৰিব। কিবা বোলে দুদিনমান পিছত লকডাউন নে কিবা এটা হ'ব। ৰাস্তালৈ মানুহে আহিব নোৱাৰিব। মানুহবোৰে মুখত কাপোৰ একোখন মাৰিবলৈ লৈছে। আজি তাই যেনেকৈ নহওক কাষ্টমাৰ এজন ফচাবই। কৰ ভৱনৰ সন্মুখত ইফাল সিফাল কৰি আছে। খাকী পোছাকধাৰী এজন আগুৱাই আহিল। ধমকীৰ সুৰতেই ক'লে... ঐ মাস্ক লগোৱা নাই কিয়? যা যা বাহলৈ উভতি যা..। কাৰ্ফিউ দিছে গম পোৱা নাই? যা যা। লাঠিডাল লৰাই লৰাই পুলিচটো তাইৰ ওচৰ চাপিল। মালতীয়ে লাহেকৈ ক'লে ঐ ছাৰ কাষ্টমাৰ একদম নাই ব'ল নহ'লে তয়ে। কিবা এটা দিবি। কিবা এটাওটো বেলেগ কথা এই সময়ত ফ্ৰীত দিলেও তোৰ লগত শুবলৈ কোনো নাযায়। কৰ'নাত মৰিব খুজিছা নেকি? কথাখিনি শুনি মালতী থৰ লগা কপৌৰ দৰে হ'ল। তাই সুধিলে তাৰ মানে বন্ধ? চলি থাকিব কিমান দিনলৈ? বহু বছৰো বন্ধ চলি থাকিব পাৰে পুলিচটোৱে ক'লে। লাহেকৈ পুলিচটো আঁতৰি গ'ল। আজিও মালতীয়ে শুদাহাতে, শুদামুখে নিজৰ বাহলৈ উভতি গ'ল। খালীপেটেই বিছনাত বাগৰ দিলে।... মালতীয়ে ভাবত বিভোৰ হ'ল— মোৰ দৰে দেহ বিক্ৰী কৰি খোৱা লগৰকেইটাৰ বাৰু কি অৱস্থা হ'ব। কি বেমাৰটো আহিল। সিদিনালৈ তাইৰ ওচৰ পালে চিকুটি দিয়া ড্ৰাইভাৰ-হেণ্ডিমেনকেইটায়ো তাইক এৰাই চলা হ'ল। মুখখন ঢাকি ইজনে সিজনক দেখি আঁতৰি যোৱা হ'ল। নিশা ১২ বজালৈ মালতীয়ে বিছনাত চটফটাই থাকিল। কি কৰিব তাই ! জীয়াই থকাৰ উপায় কি হ'ব?... এইবোৰ ভাবি থাকোতে বাহিৰত কিহবাৰ শব্দৰ উমান পালে তাই। মনটো তাইৰ ভাল লাগি গ'ল। ভাবিলে ভগৱানে তাইৰ আৱেদন শুনিছে। কমচে কম এই টানৰ দিনত কোনোবা পুৰণা গ্ৰাহকে তাইক বিচাৰি আহিছে। তাইৰ মনটো উৎফুল্ল হৈ পৰিল। বিছনাখন উঠাই জোকাৰিব লওঁতেই তাই অদ্ভুত সেমেকা গোন্ধ এটা পালে। দৰ্জাৰ ফাকেৰে কাণখন পোনালে। মানুহ এজনৰ উশাহ নিশাহ চুটি হোৱা যেন পালে। তাই দৰ্জাৰ ফাঁকেৰে লক্ষ্য কৰিলে। হাৰে, ঘৰৰ মালিক বৰুৱা দেখোন। এই ৰাতিখন। কোনোদিনে মালিকে তাইৰ মুখামুখিয়েই হোৱা নাই। ঘৰভাৰা মালিকনীয়েই লয়। মালিক বৰুৱই তাইক দেখিলে কিবা এটা ঘৃণাৰ দৃষ্টিৰেই চায়। এই মাহৰ ঘৰভাৰাও দিব পৰা নাই। ঘৰভাৰা বিচাৰি অহা নাইটো। দৰ্জাখনত মৃদু হেঁচা এটা পৰিছে। লাহেকৈ মালতীৰ ৰুমটোলৈ সোমাই আহিল বৰুৱা। মনে মনে থাকিবলৈ ছিগনেল এটা দি বৰুৱাই তাইৰ কাষতে বহিল। ছাৰ মই ২ মাহৰ ভাৰা একেলগেই দিম আপুনি চিন্তা কৰিব নালাগে। বৰুৱাই মূৰ দুপিয়াই তাইৰ কাণৰ কাষত সেপ ঢুকি ঢুকি ক'লে তই ভাৰা দিব নালাগে বুজিচ, মোৰ মাইকীয়ে কৰ'নাৰ ভয়তে বেলেগ বিছনাত শোৱে। ওচৰ চাপিবই নিদিয়ে। আজি প্ৰায় এমাহেই হ'ল। মোৰো কেঁচা তেজ-মঙহহে, হ'ব দেই মোৰ জ্বালা তয়েই নিবাৰণ কৰ। মালতীয়ে মূক হৈ গ'ল। তাই চুই চালে নিজকে। চেঁচা পৰিছে শৰীৰ।

ফোন ঃ ৯৯৫৪১-৭১৫০৫

# হত্যা কৰি নদীত পেলাই দিয়া মৃতদেহ হোৱা নাই উদ্ধাৰ

## পোন্ধৰ দিন ধৰি মাজবাটৰ মোনাই গাঁৱত সন্ধানহীন হৈ থকা ফুলমতীয়া গৌড়ৰ হত্যাকাৰীক গ্ৰেপ্তাৰ লালপানী আৰক্ষীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১০ জুলাই ঃ** অসম-অৰুণাচল সীমান্তৱৰ্তী লালপানী আৰক্ষী চকীৰ অন্তৰ্গত ১নং মোনাই গাঁৱৰ এগৰাকী মহিলা পোন্ধৰ দিন ধৰি সন্ধানহীন হৈ থকা মহিলাক হত্যা কৰা চাৰিজন হত্যাকাৰীক যোৱানিশা লালপানী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। যদিও যুৱক তিনিজনে মহিলাগৰাকীক হত্যা কৰি নদীত পেলাই দিয়াত বৰ্তমানেও মহিলাগৰাকীৰ মৃতদেহ বিচাৰি উলিয়াব পৰা নাই লালপানী আৰক্ষীয়ে। হত্যাৰ অপৰাধত গ্ৰেপ্তাৰ কৰা যুৱককেইজন হৈছে ১নং মোনাই গাঁৱৰ বিচু গোৱালাৰ পুত্ৰ কুমাৰ গোৱালা, বীৰবল গৌড়ৰ পুত্ৰ সঞ্জয় গৌড়, কলিমন গৌড়ৰ পুত্ৰ বিমল গৌড় আৰু বেটিবাৰী চাহ বাগিচাৰ জগদীশ গৌড়ৰ পুত্ৰ বগাই গৌড়ক আটক কৰি লালপানী আৰক্ষী চকীৰ উপ-পৰিদৰ্শক ৰাজীৱ গোহাঁয়ে ভাৰতীয় দণ্ডবিধি আইনৰ অধীনত গোচৰ নং ৬৪ /২০২১ /৩০২/২০১৩/৪ নম্বৰত গোচৰ ৰুজু কৰি ফুলমতীয়া গৌড়ৰ হত্যাকাৰী চাৰিজন যুৱকক আজি ওদালগুৰি জে'ল হাজোতলৈ প্ৰেৰণ কৰে। উল্লেখ যে মোনাই গাঁৱৰ ফুলমতীয়া গৌড় (৫১) নামৰ মহিলাগৰাকী ২৫ জুনৰ পৰা সন্ধানহীন হৈ আছিল। আৰক্ষী সূত্ৰে জানিবলৈ দিয়া মতে ২৫ জুনত ১নং মোনাই গাঁও নিবাসী নেহৰু গৌড়ৰ পুত্ৰ কৃষ্ণ গৌড়ৰ মৃত্যু হোৱাত গাঁৱৰ সকলো ৰাইজৰ লগত উক্ত মহিলাগৰাকীৰ স্বামী ধন সিং গৌড়ো মৃত যুৱকজনৰ সৎকাৰৰ বাবে শ্মশানলৈ গৈছিল। শ্মশানৰ পৰা দুপৰীয়া ১ মান বজাত ঘূৰি আহি পত্নীক ঘৰত দেখা নোপোৱাত ফুলমতীয়া গৌড়ৰ স্বামীয়ে গাঁৱৰ ইফালে-সিফালে বিচাৰ-খোচাৰ কৰে যদিও কোনো উৰা-দিহ নাপায় ঘৰতে মন মাৰি বহি থাকে। দুদিন ধৰি ফুলমতীয়া গৌড়ৰ সন্ধান নাপায় স্বামী ধন সিং গৌড়ে ২৭ জুনত লালপানী আৰক্ষী চকীত ফুলমতীয়া গৌড় ঘৰৰ পৰা সন্ধানহীন হোৱা বুলি এখন এজাহাৰ দাখিল কৰে। পৰিয়ালৰ লোকে দিয়া এজাহাৰৰ ভিত্তিত লালপানী আৰক্ষী চকীৰ উপ-পৰিদৰ্শক ৰাজীৱ গোহাঁয়ে মহিলাগৰাকীক বিচাৰি তদন্ত অব্যাহত ৰাখিছিল। কিন্তু পোন্ধৰ দিন ফুলমতীয়া গৌড়ৰ কোনো সন্ধান উলিয়াব পৰা নাছিল বিষয়াগৰাকীয়ে। জানিব পৰা মতে আজি এবছৰ আগতে ১নং মোনাই গাঁৱৰ এটি কিশোৰৰ অসুখ হোৱাত ফুলমতীয়া গৌড়ে যাদু-মন্ত্ৰ কৰা বুলি উক্ত গাঁৱৰে ৰাম্ৰো গৌড় আৰু মোহিত গৌড়ে গাঁৱৰে একাংশক লগত লৈ গাঁৱত মেলৰ আয়োজন কৰি মহিলাগৰাকীক ঘৰৰ পৰা মাতি আনি ডাইনী সজাই মাৰপিট কৰিছিল। ইয়াৰ উপৰি গাঁৱৰ লোকসকলে ফুলমতী গৌড়ক ভৱিষ্যতে যাদু-মন্ত্ৰ নকৰিবলৈ সকীয়াই দি স্বামী ধন সিং গৌড়ক চমজাই দিছিল। মহিলাগৰাকীৰ সন্তানহীন হোৱা বাবে ফুলমতীয়া গৌড়ক গাঁওখনৰ একাংশ নিৰক্ষৰ লোকে ডাইনী সজাই সন্দেহৰ চকুৰে চাইছিল বুলি ফুলমতীয়া গৌড়ৰ পৰিয়ালৰ লোকে সাংবাদিকক জানিবলৈ দিছিল। এনেবোৰ অন্ধবিশ্বাসৰ বাবেই ফুলমতীয়া গৌড়ৰ যুৱককেইজনে অপহৰণ কৰা বুলি সন্দেহ প্ৰকাশ কৰিছিল আৰক্ষীয়ে। আৰু যোৱানিশা আটক কৰা যুৱককেইজনে ফুলমতীয়া গৌড়ক ডাইনী বুলি হত্যা কৰি নদীত পেলাই দিয়া বুলি আৰক্ষীৰ আগত স্বীকাৰ কৰিছে যুৱককেইজনে। ইফালে যুৱককেইজনে ফুলমতীয়া গৌড়ক হত্যা কৰি মৃতদেহ নদীত পেলাই দিয়াত লালপানী আৰক্ষীয়ে মৃতদেহটো বিচাৰি অনুসন্ধান অব্যাহত ৰাখিছে যদিও বৰ্তমানেও উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই।



# শোণিতপুৰত পুনৰ দুগৰাকী ক'ভিড ৰোগীৰ মৃত্যু

### ২৪ ঘন্টাত নতুনকৈ ১৪৬ গৰাকী ক'ভিড ৰোগী চিনাক্ত ঃ সংক্ৰমণৰ হাৰ ২.০৩ শতাংশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১০ জুলাই ঃ** শোণিতপুৰত যোৱা দুটা দিনত ক'ৰোণা সংক্ৰমণৰ হাৰ কিঞ্চিৎ হ্ৰাস পাইছে যদিও ক'ভিড ৰোগীৰ মৃত্যুৰ ঘটনা অব্যাহত আছে। তেজপুৰ কলিবাৰীৰ হেম বাহাদুৰ ছেত্ৰী (৭৬) আৰু চহৰখনৰে নিবাসী অৰুণ সিং (৮১) নামৰ ব্যক্তি দুগৰাকী ক'ৰোণাত আক্ৰান্ত হোৱাৰ পিছত আজি মৃত্যুক সাৱতি লয়। ইফালে আজি জিলাখনৰ বিভিন্ন প্ৰান্তত ৭১৬৪ গৰাকীৰ ক'ভিড পৰীক্ষা কৰোৱাত ইয়াৰে ১৪৬ গৰাকী ক'ভিড ৰোগী হিচাপে চিনাক্ত হয়। উল্লেখ্য যে, প্ৰায় এমাহৰ মুৰত জিলাখনত সংক্ৰমণৰ হাৰ আজি হ্ৰাস পোৱা পৰিলক্ষিত হয়। যোৱা ২৪ ঘন্টাত শোণিতপুৰত ক'ৰোণা সংক্ৰমণৰ হাৰ ২.০৩ শতাংশ।

# ত্ৰয়োদশ বাৰ্ষিক ৰসেশ্বৰ শইকীয়া বৰবায়ন সত্ৰীয়া বঁটা প্ৰদান

**গুৱাহাটী, ১০ জুলাই ঃ** ১৩সংখ্যক 'ৰসেশ্বৰ শইকীয়া বৰবায়ন সত্ৰীয়া বঁটা' বৃহস্পতিবাৰে চানমাৰিস্থিত সংগীত সত্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত প্ৰদান কৰা হয়। অনুষ্ঠান সম্পূৰ্ণ ক'ভিড প্ৰট'কল মানি তেনেই কমসংখ্যক ব্যক্তিৰ উপস্থিতিত সুকলমে অনুষ্ঠিত হৈ যায়। ২০২১ বৰ্ষৰ বাবে এই বঁটা লাভ কৰিছে চাউলখোৱা সংগীত মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা তবলাবিদ ড° দিলীপ ৰঞ্জন বৰঠাকুৰ, নৃত্য-নাট্য শিল্পী ননী বৰুৱা আৰু লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা ৰাজ্যিক সংগীত মহাবিদ্যালয়ৰ সত্ৰীয়া নৃত্য বিভাগৰ প্ৰাক্তন অধ্যাপক গোবিন্দ শইকীয়াই। উল্লেখ্য যে সত্ৰীয়া সংগীত- নৃত্যকলাক সত্ৰৰ বাহিৰত প্ৰচাৰ আৰু প্ৰসাৰ কৰাত বিশেষ অৱদান আগবঢ়োৱা কমলাবাৰী সত্ৰৰ বৰবায়ন ৰসেশ্বৰ শইকীয়া বৰবায়নৰ নামত সংগীত সত্ৰই বহুকেইগৰাকী পুৰোধা ব্যক্তিক প্ৰতি বছৰে এই বঁটা প্ৰদান কৰি আহিছে। ৰসেশ্বৰ শইকীয়া বৰবায়নৰ জন্ম দিৱসৰ দিনাই আয়োজন কৰা আজিৰ এই অনুষ্ঠানত অসমৰ চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক কিশোৰ ঠাকুৰীয়া আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকি বঁটা প্ৰদান কৰে। আজিৰ অনুষ্ঠানটিত নৃত্যাচাৰ্য, পদ্মশ্ৰী বঁটাপ্ৰাপক ঘনকান্ত বৰা, সংগীত সত্ৰৰ কাৰ্যকৰী সভাপতি স্বপ্নীল বৰুৱা, সাংবাদিক অতুল দত্ত আদি উপস্থিত থাকে। বন্তি প্ৰজ্বলনৰে শুভাৰম্ভ হোৱা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত গুৰুবন্দনা, গোসাঁই নাচ, অভিনয় (মধু দানৰ) আদি সংগীত সত্ৰৰ সচিব ৰঞ্জুমণি শইকীয়া, অধ্যক্ষ ৰিঞ্জুমণি শইকীয়া আৰু ধ্ৰুৱজ্যোতি পাঠকৰ সামগ্ৰিক পৰিচালনা, তত্বাৱধানত পৰিৱেশন কৰে সংগীত সত্ৰৰ কলা-কুশলীসকলে। ৰসগ্ৰাহী অনুষ্ঠানটিৰ সংগীত পৰিচালনা কৰে অৰুণাভজ্যোতি মালাকাৰ আৰু প্ৰাণগোপাল দাসে। ক'ভিডকালীন পৰিস্থিতিৰ কাৰণে দৰ্শক ৰাইজৰ বাবে ফেচবুক লাইভ আৰু ইউটিউবযোগে ভাৰ্চুৱেলী অনুষ্ঠানটিৰ সম্প্ৰচাৰ কৰা হয়। বঁটাপ্ৰাপকসকলক গায়ন বায়নেৰে আদৰি আনি বঁটাৰ লগত অংগ বস্ত্ৰ, নগদ ধন আগবঢ়োৱা হয়। শাৰীৰিক অসুস্থতাৰ হেতু ড° দিলীপ ৰঞ্জন বৰঠাকুৰৰ ডিব্ৰুগড়স্থিত বাসভৱনতে গৈ সংগীত সত্ৰই তেখেতক বঁটা প্ৰদান কৰিব বুলি জানিবলৈ দিয়ে। আজিৰ এই অনুষ্ঠানটি আগ্ৰহী দৰ্শকে।

# ইটাখোলাৰ অলিয়ে-গলিয়ে চুলাই মদৰ বেহা

### নিৰ্লিপ্ত স্থানীয় আৰক্ষী প্ৰশাসন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ১০ জুলাই ঃ** বিশ্বনাথ আৰক্ষীৰ দ্বাৰা কিছুদিন জিলাখনৰ বিভিন্ন ঠাইত অবৈধ অৰুণাচলী সুৰাৰ বিৰুদ্ধে অভিযান চলাই হাজাৰ হাজাৰ কাৰ্টন জব্দ কৰাৰ উপৰি কেইবাজনো অবৈধ সুৰা বেপাৰীক আটক কৰি জে'ললৈ প্ৰেৰণ কৰে। নৱ-প্ৰজন্মৰ ধ্বংসৰূপী সহজলভ্য অৰুণাচলী সুৰাৰ বিৰুদ্ধে বিশ্বনাথ আৰক্ষীৰ এনে প্ৰশংসনীয় পদক্ষেপক জিলাখনৰ সকলোৱে প্ৰশংসা কৰে। বৰ্তমান জিলাখনৰ দুই এখন ঠাইৰ বাহিৰে অবৈধ বিলাতী সুৰাৰ বেহা প্ৰায়েই বন্ধ হৈ পৰিছে বুলি জানিব পৰা গৈছে। কিন্তু জিলাখনৰে এখন ঠাই ইটাখোলাত এতিয়াও অবৈধ বিলাতী সুৰা আৰু চুলাই মদৰ বেহা ৰমৰমীয়াকৈ চলাই গৈছে একাংশ অসাধু লোকে। বিশেষকৈ ইটাখোলাস্থিত দিকৰাই চাহ বাগিচাৰ মনাই, গেলাহাটিঙা, ডিপলুঙা, দিকৰাই চাহ বাগিচাকে ধৰি ইটাখোলা অঞ্চলৰ। নিকটৱৰ্তী গাঁওসমূহত অৰুণাচলী মদৰ লগতে চুলাই মদৰ বেহা চলি থকাৰ কথা জানিব পৰা গৈছে। ইটাখোলাৰ একাংশ লোকৰ অভিযোগ মতে যিটো সময়ত ৰাজ্যখনত অবৈধ চোৰাং ব্যৱসায়ীৰ ওপৰত প্ৰশাসনৰ কঠোৰ ব্যৱস্থাৰ প্ৰতিদিনে সংবাদ মাধ্যম দখল কৰি অহাৰ সময়তে ইটাখোলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীৰ ছত্ৰ-ছায়াতে চলিব ধৰিছে নৱ প্ৰজন্ম ধ্বংসকাৰী উক্ত মদৰ বেহা। প্ৰতিটো চুলাই মদ বেপাৰীৰ পৰা প্ৰতি মাহে পাঁচশৰ পৰা হাজাৰ টকালৈ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীয়ে কালেকচন কৰাৰো অভিযোগ উত্থাপন হৈছে। ইটাখোলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীৰ দৰে এনেকুৱা আৰক্ষী বিষয়াই অসম আৰক্ষীক বদনাম কৰি আহিছে। গতিকে অতিশীঘ্ৰে বিশ্বনাথ আৰক্ষী অধীক্ষক ৰিপুল দাসে উক্ত ভাৰপ্ৰাপ্ত বিষয়া গৰাকীক নাকী লগাবলৈ স্থানীয় সচেতন ৰাইজে আহ্বান জনাইছে।

# টংলাত আপকুৰ সভাত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১০ জুলাই ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত বাণিজ্যিক নগৰী টংলাত আপকুৰ ওদালগুৰি জিলাৰ এখন সাধাৰণ সভা যোৱা ৮ জুলাই তাৰিখে অনুষ্ঠিত হৈ যায়। টংলা সাহিত্য ভৱনত অনুষ্ঠিত হোৱা ওদালগুৰি জিলা আপকুৰ সাধাৰণ সভাত আৰম্ভণিতে সাংবাদিক নাৰায়ণ ডেকাৰ পিতৃ উমেশ চন্দ্ৰ ডেকাৰ বিয়োগ ঘটা প্ৰয়াত সমাজ সেৱক ডেকা দেৱৰ মৃত্যুয়ে অঞ্চলত শোকৰ ছাঁ পেলোৱা ক্ষণত প্ৰয়াত ডেকা দেৱৰ মৃত্যুত সভাত উপস্থিত সকলো আপকুৰ সদস্যই এক মিনিট মৌন প্ৰাৰ্থনা জনাই শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰি সভাৰ আৰম্ভণি কৰা হয়। আপকুৰ জিলা সভাপতি গিৰীশ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আপকুৰ বিশেষ সাধাৰণ সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আপকু ওদালগুৰি জিলা সম্পাদক ধীৰেন মহলীয়াই। ওদালগুৰি জিলা আপকুৱে কৰি অহা সাংবাদিক কল্যাণ ন্যাস সমিতিয়ে প্ৰদান সাংবাদিক বঁটা, ১০ হাজাৰ টকাকৈ এককালীন সাহায্য প্ৰদানৰ লগতে চলিত বৰ্ষৰ পৰাই ক'ভিডত মৃত্যু হোৱা ধনেশ্বৰ ৰাভাৰ স্মৃতিত সাংবাদিকতা বঁটা প্ৰদানৰ কৰাৰ আদি উল্লেখযোগ্য বিষয়বোৰৰ সম্পৰ্কত ওদালগুৰি



জিলা আপকুৰ কাৰ্যকৰী সভাপতি নৱ কুমাৰ ডেকাই বিস্তৃত ৰূপত সভাত উপস্থিত সকলো সদস্যৰ আগত ব্যাখ্যা দাঙি ধৰে। আপকুৰ এই সাধাৰণ সভাত অহা ৩০ জুলাই তাৰিখে ওৰাঙত দিনজোৰা কাৰ্যসূচীৰে এখন সভাৰ আয়োজন কৰা সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত সভাত আপকুৰ উপদেষ্টা ইমৰান হুছেইন, বাপন শৰ্মা, বিটিচি সাংবাদিক সন্থাৰ ওদালগুৰি জিলা সমিতিৰ সম্পাদক যতীন নাথ, টংলা মিডিয়া চাৰ্কোলৰ সভাপতি দীপক ডেকা, সম্পাদক চাজিত খানৰ লগতে ওদালগুৰি প্ৰেছ ক্লাবৰ সভাপতি তথা জ্যেষ্ঠ সাংবাদিক গৌতমজ্যোতি তালুকদাৰ, প্ৰফুল্ল কুমাৰ বড়ো, ফটিক ৰাভা, ভুবন বণিয়া, বিপুল হাজৰিকা, গনেশ ডেকাকে ধৰি কেইবাগৰাকী সাংবাদিকে উক্ত ওদালগুৰি জিলা আপকুৰ এই বিশেষ সাধাৰণ সভাত অংশগ্ৰহণ কৰি সহযোগিতা কৰে। এইখন সভাতেই ওদালগুৰি জিলাখনৰ সাংবাদিকসকলৰ বাবে জিলাৰ NVBDCP বিভাগে যোগান ধৰা ঔষধিগুণযুক্ত আঁঠুৱা বিতৰণ কৰা হয়। একেদিনাই পিতৃহাৰা হোৱা সাংবাদিক নাৰায়ণ ডেকাৰ গৃহলৈ গৈ পৰিয়াল বৰ্গক আপকুৰ ১৫জনীয়া সাংবাদিক দল এটাই আপকু জিলা সমিতিৰ পৰা শোক বাৰ্তা প্ৰদান কৰা হয়।

# ছিপাঝাৰত এনৰেগৰ আঁচনিত ঠিকাদাৰীৰাজ

### দালালৰ হাতত শ শ জবকাৰ্ড, বিধায়ক পৰমানন্দই বন্ধ কৰিব পাৰিবনে?

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ১০ জুলাই ঃ** ছিপাঝাৰত কংগ্ৰেছ শাসনত গ্ৰামোন্নয়ন আঁচনি ৰূপায়ণৰ নামত দুৰ্নীতি-অনিয়মৰ ৰম্যপুৰীত পৰিণত হৈ পৰাৰ অভিযোগ ৰাইজে সততে উত্থাপন কৰি অহাৰ পাছত পৰিৱৰ্তনকামী বিজেপি মিত্ৰজোঁট চৰকাৰৰ দিনত ইয়াৰ পৰা মুক্ত হোৱাৰ আশাত মনত আনন্দ লভিছিল। কিন্তু আশ্চৰ্যজনক কথা যে চৰকাৰৰ দুৰ্নীতিত শূন্যসহনশীলতা নীতি যেন হৈ পৰিছে ৰাইজক আভুৱা-ভাঁৰা শ্ৰুতি পদ্য মাথোঁ। দৰং গ্ৰামোন্নয়নৰ ছিপাঝাৰ উন্নয়ন খণ্ডত এনৰেগ আঁচনিৰ হিতাধিকাৰীৰ জবকাৰ্ড ঠিকাদাৰৰ পকেটত। আঁচনিৰ নামত জেচিবি, ট্ৰেক্টৰ ব্যৱহাৰ কৰি পঞ্চায়তৰ জবকাৰ্ডধাৰী হিতাধিকাৰীৰ পৰা বিষয়া-কৰ্মচাৰীৰ মনে মিলা আপোন ঠিকাদাৰে দুশ টকাত ভাৰাত লৈ আঁচনিৰ আবণ্টিত লাখ লাখ টকা উলিয়াই থকাৰ অভিযোগ উত্থাপিত হৈ আহিছে। আশ্চৰ্যজনক কথা যে অন্য জিলাত কাম কৰি থকা ব্যক্তি, মছজিদত ইমামতি কৰি থকা মৌলানায়ো কৰ্মচাৰী-ঠিকাদাৰৰ আশীৰ্বাদত জবকাৰ্ডৰ ধন কাম নকৰাকৈয়ে অন্য ঠাইত থাকিয়েই লাভ কৰি থকাৰ সৌভাগ্য হৈছে। যি কাৰ্য ইছলামৰ চৰিয়ত বিৰোধী কাম যদিও টকাৰ মোহত এইসকলক অন্ধ কৰি ধৰ্মক কালিমা সানিবলৈ কুণ্ঠাবোধ নকৰা বুলি অভিযোগ উঠিছে। ইফালে পঞ্চায়ত বিশেষে কোনো কোনো মনেমিলা ঠিকাদাৰক আঁচনিৰ বিপৰীতে অধিক ধন আবণ্টন দিয়াৰো অভিযোগ উত্থাপন হৈছে। অন্যহাতে প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনি ৰূপায়ণত আঁচনিৰ নীতি আদৰ্শ জীয়াই জীয়াই হত্যা কৰাৰ অভিযোগ সৰ্বত্ৰ উত্থাপন হৈছে উল্লিখিত উন্নয়ন খণ্ডটোৰ এখন গাঁও পঞ্চায়তত। য'ত পঞ্চায়তখনৰ শীৰ্ষ কৰ্মচাৰী, প্ৰতিনিধিয়ে পঞ্চায়ত সমন্বয়ক হাথিয়াৰ কৰি আঁচনিত চলাইছে অনিয়মৰ জেচিপি। উল্লেখ্য যে আঁচনিৰ নামত থকা ১৩টাকৈ নীতি-নিৰ্দেশনাক দুৰ্নীতিৰ জাৱৰেৰে ঢাকি অযোগ্য বুলি ৰাইজক দেখুৱাই আঁচনিৰ পৰা বাদ দি পিছত গোপন বজাৰত মিলিত হৈ দৰ-দাম কৰি নিশাতে যোগ্যতালৈ প্ৰমোচন দি আঁচনিখনক গৰু বজাৰৰ দৰে গঢ়ি তোলাৰ অভিযোগ উত্থাপন হৈছে। পঞ্চায়তখনত একাংশ লোকে ঘৰ ঘৰ বুলি কান্দি থাকিবলগীয়া হোৱাৰ সময়তে এনে অনিয়ম গৰিহণা যোগ্য। পৰৱৰ্তী সময়ত প্ৰতিবেদন আকাৰে পঞ্চায়ত খনৰ নাম উল্লেখ কৰি সকলো দুৰ্নীতি অনিয়ম ফাদিল কৰা হ'ব। সচেতন লোকসকলে ছিপাঝাৰৰ নৱ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে এনৰেগাত ঠিকাদাৰী প্ৰথা আৰু ভাৰাতীয়া জবকাৰ্ড বন্ধ কৰি জবকাৰ্ডধাৰী প্ৰকৃত শ্ৰমিকৰ জৰিয়তে আঁচনি ৰূপায়ণ কাম কৰাৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে। এনেহ'লে লকডাউনে জৰুলা কৰা শ্ৰমিকসকল উপকৃত হ'ব।

# অসম চৰকাৰৰ কেবিনেটৰ সিদ্ধান্তক অসম গোৰ্খা সন্মিলনৰ আদৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১০ জুলাই ঃ** যোৱা ৭ জুলাই তাৰিখে অসম চৰকাৰৰ কেবিনেট বৈঠকে ট্ৰাইবেল্ট বেল্ট আৰু ব্লকত সুৰক্ষিত শ্ৰেণী হিচাপে স্বীকৃতি পাই অহা নেপালী কৃষক-গো-পালকসকলক সংশোধন ঘটাই "গোৰ্খা" হিচাপে স্বীকৃতি প্ৰদান কৰা কাৰ্যক অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিয়ে আদৰণি জনাইছে আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ মন্ত্ৰীসভাৰ সদস্যৰ উপৰি বি টি আৰপ্ৰধান প্ৰমোদ বড়োক আন্তৰিক ধন্যবাদসহ কৃতজ্ঞতা জ্ঞাপন কৰিছে। অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক লক্ষ্মী চেড়াইয়ে ৮ জুলাইত এক প্ৰেছ বিবৃতিত উল্লেখ কৰে যে গোৰ্খাসকলৰ অভিভাৱক সংগঠন হিচাপে পৰিচিত অসম গোৰ্খা সন্মিলনে দীৰ্ঘদিন ধৰি বেল্ট আৰু ব্লকত নেপালী কৃষক আৰু গো-পালকৰ ঠাইত কেৱল গোৰ্খা হিচাপে সন্নিৱিষ্ট কৰিব লাগে বুলি দাবী জনাই আহিছিল। ইফালে যোৱা ৭ জুলাইত অসম চৰকাৰৰ কেবিনেটত নেপালী কৃষক আৰু গো-পালক সকলক কেৱল "গোৰ্খা" হিচাপে ট্ৰাইবেল বেল্ট আৰু ব্লকত সুৰক্ষিতৰ লগতে বি টি আৰত ২০০৩ চনৰ আগৰপৰা বসবাস কৰা গোৰ্খাসকলক সমমৰ্যাদা প্ৰদান কৰাৰ লগতে শদিয়াতো মৰাণ, মটকৰ লগতে গোৰ্খাসকলকো সুৰক্ষিত শ্ৰেণী হিচাপে কেবিনেটে দিয়া অনুমোদনক অসম গোৰ্খা সন্মিলন ওদালগুৰি জিলা সমিতিৰ সভাপতি পৱন লুইটেল, কাৰ্যকৰী সভাপতি ভুবন ধমালা, সাধাৰণ সম্পাদক পূৰ্ণ কিৰাত ৰাই, উপদেষ্টা ৰমেশ দাহাল, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা ওদালগুৰি জিলা সমিতিৰ সভাপতি সোমৰাজ সোনাৰ,



সাধাৰণ সম্পাদক সঞ্জীৱ খতিওড়া, অসম নেপালী সাহিত্য সভা ওদালগুৰি জিলা সমিতিৰ সভাপতি লক্ষ্মণ অধিকাৰী আৰু সাধাৰণ সম্পাদক মোহন ৰাউত ছেত্ৰীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে তেওঁৰ মন্ত্ৰী পৰিষদ আৰু বি টি আৰ প্ৰধান প্ৰমোদ বড়োক অভিনন্দন জনাইছে। লগতে উল্লেখ কৰে যে অসম চৰকাৰৰ কেবিনেটত উল্লিখিত গোৰ্খাসকলক সুৰক্ষিতৰ লগতে সমমৰ্যাদা প্ৰদান কৰা কাৰ্যৰ প্ৰতিলিপি গেজেট নটিফিকেচনত শীঘ্ৰেই অনুমোদন জনাবলৈ আহ্বান জনাইছে।



# ধনশ্ৰীঘাটত এবিভিপি উদ্যোগত গছপুলি ৰোপণ স্বাস্থ্যকৰ্মীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১০ জুলাই ঃ** ৯ জুলাইত এবিভিপি (অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ) ৰ ৭৩ তম প্ৰতিষ্ঠা দিবসটি ওদালগুৰি জিলাৰ ধনশ্ৰীঘাট ইউনিটৰ আহ্বানত আয়োজন কৰা হয়। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি গছপুলি ৰোপণ কৰাৰ উপৰি ধনশ্ৰীঘাট স্বাস্থ্য কেন্দ্ৰৰ বিষয়াসকল আৰু সাস্থ্যকৰ্মী সকলক এবিভিপিৰ কাৰ্যকৰ্তা সকলে সম্বৰ্ধনা জনায়।

# মটৰচাইকেল চুৰি চক্ৰৰ বিৰুদ্ধে চিৰাং আৰক্ষীৰ সফল অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাসুগাঁও, ১০ জুলাই ঃ** ৰাজ্যত নতুন চৰকাৰ গঠনৰ কিছু দিনৰ ভিতৰতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কঠোৰ নিৰ্দেশ মৰ্মে তাৎক্ষণিকভাৱে তৎপৰ হৈ উঠে অসম আৰক্ষী আৰু ২০ জুনৰ পৰা ৩০ জুনলৈ মাত্ৰ ১০ দিনৰ ভিতৰতে চিৰাং আৰক্ষীয়ে তীব্ৰ অভিযান চলাই জিলা খনৰ বিভিন্ন থানা এলেকাৰ পৰা মুঠ ৩০ খন চুৰি হোৱা মটৰচাইকেল উদ্ধাৰ কৰে। ইয়াৰ পিছৰ পৰ্যায়ত যোৱা ৩০ জুন তাৰিখৰ পৰা ৯ জুলাই লৈকে চিৰাং আৰক্ষীয়ে ৩৬ খন চুৰি হোৱা মটৰচাইকেল উদ্ধাৰ কৰাৰ লগতে ইতিমধ্যে ৪ জনকৈ মটৰচাইকেল চুৰি চক্ৰৰ সদস্যক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। যোৱা ১৮ দিনত চিৰাং আৰক্ষীয়ে জিলা খনৰ পৃথকে পৃথকে স্থানত অভিযান চলাই মুঠ ৬৬ খন চুৰি যোৱা মটৰচাইকেল উদ্ধাৰ কৰি এক নজিৰ স্থাপন কৰিছে। উল্লেখযোগ্য যে বাইক চুৰিৰ বিৰুদ্ধে চিৰাং আৰক্ষীৰ এয়া এক বৃহৎ সাফল্য। এই বাইক চুৰিৰ সমগ্ৰ চক্ৰৰ তথ্য অতি সোনকালেই পোহৰলৈ আহিব বুলি চিৰাং আৰক্ষীয়ে সদৰী কৰে।



# চিৰাজুলিত ৭ দিন ধৰি বিকল বিদ্যুৎ ট্ৰেন্সফৰ্মাৰ

### বিদ্যুৎ বিভাগৰ দায়িত্বহীনতাৰ বিৰুদ্ধে সৰৱ কৃষক-শ্ৰমিক নেতা প্ৰশান্ত বৈশ্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১০ জুলাই ঃ** বিদ্যুৎ বিভাগৰ দায়িত্বহীনতাৰ বিৰুদ্ধে ক্ষোভিত হৈ পৰিছে কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসমৰ সভাপতি প্ৰশান্ত বৈশ্য। উল্লেখ্য যে শোণিতপুৰ জিলাৰ বৰছলা বিধানসভা সমষ্টিৰ ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ ঢেকীয়াজুলি বিদ্যুৎ উপ সংমণ্ডল ২ ৰ কাৰ্যালয়ৰ অধীনৰ চিৰাজুলি গাঁও পঞ্চায়ত এলেকাৰ চিৰাজুলি পথাৰ বঙালী গাঁৱত আজি সাতদিন ধৰি বিদ্যুৎ ট্ৰেন্সফৰ্মাৰ বিকল হৈ আছে। ৰাইজে বাৰম্বাৰ আবেদন নিবেদন জনোৱাৰ পিছতো আজিলৈকে বিদ্যুৎ ট্ৰেন্সফৰ্মাৰটো ঢেকীয়াজুলি বিদ্যুৎ উপ -সংমণ্ডল ২ ৰ কাৰ্যালয়ে লগাই দিয়াৰ আহৰিয়েই নাপালে। ফলত এতিয়া যমৰ যাতনা ভুগিবলগীয়া হৈছে অঞ্চলটোৰ দুৰ্ভগীয়া ৰাইজে। আজি উক্ত অঞ্চল পৰিভ্ৰমণ কৰি চিৰাজুলি পথাৰ গাঁৱৰ ৰাইজৰ অভিযোগ পাই কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসমৰ সভাপতি প্ৰশান্ত বৈশ্যই বিদ্যুৎ বিভাগৰ দায়িত্বহীনতাৰ বিৰুদ্ধে সৰৱ হৈ বিভাগীয় মন্ত্ৰীগৰাকীক ক্ষুৰধাৰ সমালোচনা কৰে। কৃষক শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই সাংবাদিকৰ আগত বিদ্যুৎ বিভাগৰ বিৰুদ্ধে ক্ষোভ উজাৰি কয় কেন্দ্ৰীয় তথা ৰাজ্যৰ মিত্ৰজোঁটৰ



বিজেপি চৰকাৰে বিদ্যুৎ বিভাগত আমূল পৰিৱৰ্তন ঘটোৱাৰ কথা একাংশ সংবাদ মাধ্যমত মিছা ঢাক-ঢোল বজাই আহিছে। চৰকাৰে নিৰ্লজ্জভাৱে সমউন্নয়ন, পৰিৱৰ্তন আৰু জনতাৰ জীৱনৰ নিৰাপত্তাৰ শ্ল'গান দি থকা সময়তে ৰাইজে বাৰম্বাৰ অভিযোগ দিয়াৰ পিচতো উক্ত অঞ্চলত আজিও সংস্থাপন নহ'ল নতুন বিদ্যুৎ ট্ৰেন্সফৰ্মাৰ। ফলত লকডাউনৰ সময়ছোৱাত চিৰাজুলি পথাৰ গাঁৱৰ ৰাইজে আজি সাতদিন ধৰি উৎকট গৰমৰ মাজত বিদ্যুৎ অবিহনে দিন কটাবলগীয়া হোৱাটো দুৰ্ভাগ্যজনক তথা চৰকাৰৰ দায়িত্বহীনতাৰ কথাকে প্ৰতিপন্ন কৰিছে বুলি কৃষক শ্ৰমিক নেতা বৈশ্যই কয়। কৃষক শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই লগতে কয় চিৰাজুলি পথাৰ অঞ্চলৰ একাংশ ঠাইত বাঁহৰ খুঁটাত বিদ্যুতৰ তাৰ সংযোগ দিয়া পৰিলক্ষিত হৈছে। সেয়েহে ৪৮ ঘণ্টাৰ ভিতৰত বিদ্যুৎ বিভাগে ট্ৰেন্সফৰ্মাৰ লগোৱাৰ সমান্তৰালকৈ বাঁহৰ খুঁটাসমূহ আঁতৰাই পকী খুঁটা সংস্থাপন কৰিবলৈ দাবী জনাইছে কৃষক শ্ৰমিক নেতাগৰাকীয়ে। অন্যথা আগন্তুক সময়ত ৰাইজৰ জীৱনৰ নিৰাপত্তাৰ স্বাৰ্থত কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিয়ে গণতান্ত্ৰিকভাৱে তীব্ৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি কৃষক শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই সংবাদ মাধ্যমৰ জৰিয়তে বিদ্যুৎ বিভাগক সকীয়াই দিয়ে।

# ওৰাঙত এভিবিপিৰ ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১০ জুলাই ঃ** ৯ জুলাইত ওৰাংত AVBP ৰ ৭৩ তম প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসুচীৰে পালন কৰা হয়। আৰম্ভণিতে AVBP ৰ পতাকা উত্তোলন কৰে সভাপতি নবাৰুণ শইকীয়াই। স্বামী বিবেকানন্দৰ ফটোত পুষ্পাঞ্জলি অৰ্পণ কৰে কাৰ্যকৰ্তা কৃষ্ণজ্যোতি শৰ্মা আৰু উপস্থিত কাৰ্যকৰ্তাসকলে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ ছাত্ৰী সকলে ৰাইজৰ মাজত মাস্ক আৰু ছেনিটাইজাৰ বিতৰণ কৰে। জ্ঞান, চৰিত্ৰ,আৰু একতাৰ মন্ত্ৰ লৈ ছাত্ৰ শক্তিক ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে উদ্বোদ্ধ কৰাৰ লক্ষ্যৰে ১৯৪৯ চনৰ ৯ জুলাই তাৰিখে জন্মলাভ কৰা ভাৰতবৰ্ষৰ সৰ্ববৃহৎ ছাত্ৰ সংগঠন অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ চমুকৈ ABVP ৰ ৭৩তম প্ৰতিষ্ঠা দিৱসটি ওৰাং নিচিলামাৰী প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ ছাত্ৰী সকলে বৰ উলহ মালহেৰে পালন কৰে। কৰুণা সংক্ৰমণ ৰোধ কৰাৰ স্বাৰ্থত ছাত্ৰ ছাত্ৰী সকলে গাঁওৰ ৰাইজৰ মাজত মা' আৰু চেনিটাইজেৰ বিতৰণ কৰে। লগতে ছাত্ৰ ছাত্ৰী সকলে ৰাইজক কোভিড ভেকচিন লবলৈ অনুৰোধ জনায়। ABVP ওৰাং শাখাৰ কাৰ্যকৰ্তা সকলক এই মহান অনুষ্ঠানটোত সংগ দিয়ে ওৰাং VCDC ৰ চেয়াৰমেন দিব্যজ্যোতি শইকীয়াই।



# চতুৰ্দশ বিত্তীয় আয়োগৰ আঁচনি ৰূপায়ণত দুৰ্নীতি অনিয়মত অব্যাহত বৰবালিত

### মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰণ শাখাৰ দ্বাৰা তদন্তৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাওৰাঘাট, ১০ জুলাই ঃ** বিন্নাকান্দি উন্নয়ন খণ্ডৰ অন্তৰ্গত ২৪খন গাঁও পঞ্চায়তৰ ভিতৰত চতুৰ্দশ বিত্তীয় আয়োগৰ ধন আঁচনি ৰূপায়ণৰ নামত সৰ্বাধিক দুৰ্নীতি অনিয়মত সংঘটিত হৈছে বৰবালি গাঁও পঞ্চায়তত। আনকি একাধিক অভিযোগ জিলা উপায়ুক্তৰ লগতে হোজাই জিলা পৰিষদৰ কাৰ্যবাহী বিষয়াৰ ওচৰত পৰিছে। এই অভিযোগসমূহৰ ভিত্তিত বিগত কেইটা দিন ধৰি পঞ্চায়তটোত চলি থকা কামৰ খতিয়ান বিচাৰি হোজাই জিলা পৰিষদৰ কাৰ্যবাহী বিষয়াই পঞ্চায়তসমূহত চৰজমিন তদন্ত আৰম্ভ কৰিছে। তাৰ পিছতো দুৰ্নীতি-অনিয়ম অব্যাহত আছে বৰবালি গাঁও পঞ্চায়তত। ইতিমধ্যে জিলা পৰিষদৰ কাৰ্যবাহী বিষয়াগৰাকী যে বৰবালি গাঁও পঞ্চায়তত চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত পঞ্চায়তত চলি থকা কামৰ খতিয়ানৰ বুজ লয়। বৰবালি গাঁও পঞ্চায়তত সংঘটিত হৈছে পাহাৰসম দুৰ্নীতি আৰু অনিয়ম। প্ৰতিটো কামৰ বিপৰীতে চৰকাৰী গাইড লাইনক একাংশ জনপ্ৰতিনিধিয়ে ধোৱাচাঙত তুলি সংঘটিত কৰিছে সীমাহীন দুৰ্নীতি। সচিব নাজিমা বেগমক বদলি কৰি নতুন সচিব আব্দুল শুকুৰে যোগদান কৰে। পঞ্চায়ত সভানেত্ৰী ৰুকছানা বেগম চৌধুৰীৰ স্বামী তথা দক্ষিণ দেৱস্থান এম ই স্কুলত শিক্ষক জেহিৰুল ইছলাম চৌধুৰীয়ে চতুৰ্দশ বিত্তীয় আয়োগৰ আঁচনি ৰূপায়ণত নামত দুৰ্নীতি অনিয়ম অব্যাহত চলিছে। সচিব আব্দুল শুকুৰে নিয়ন্ত্ৰণ কৰিব পৰা নাই। শিক্ষক জেহিৰুলে ঠিকাদাৰী ৰূপত কাম-কাজ চলাই আছে। পঞ্চায়ত সভানেত্ৰীৰ স্বামী জেহিৰুলে কমিছন ৰাজ ও চলাই থকাৰ গুৰুতৰ অভিযোগ। উল্লেখ যোগ্য যে পঞ্চায়তত নিৰ্মাণ কৰা মাৰ্কেট কোঠালি, নলা আৰু পঞ্চায়তৰ কাৰ্যালয় ভৱনকে ধৰি ফুড ব্ৰিজ, কবৰস্থান দেৱাল আদি পৰিদৰ্শন কৰি আঁচনি ৰূপায়ণৰ নামত নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ অভিযোগ সত্যতা চৰজমিন তদন্ত দৰা পেলায়। কাৰ আশীৰ্বাদত গুৰু গোহাঁই নমনা শিক্ষক জেহিৰুল ইছলাম চৌধুৰী আজিও অব্যাহত ৰাখিছে লুটৰাজ। জেহিৰুল লুণ্ঠনত কাগজে কলমে সহযোগিতা কৰে স্থানীয় এখন ব্যৱসায়িক প্ৰতিষ্ঠানে। অস্তিত্বহীন আঁচনি কামৰ সামগ্ৰী যোগান দিয়াৰ বিল দিয়ে। চৰজমিনত ইমান সামগ্ৰী লগা নাই। পঞ্চায়তটোৰ ৰাইজে মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰণ শাখাৰ দ্বাৰা তদন্ত কৰিবলৈ দাবী জনাইছে।

# মায়ঙৰ আশীঘৰত পানীত পৰি শিশুৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১০ জুলাই ঃ** বছৰৰ প্ৰথমটো বানত আজি মৰিগাঁও জিলাৰ মায়ং ৰাজহচক্ৰৰ অন্তৰগত আশীঘৰ গাৱঁত পানীত পৰি এজন শিশুৰ মৃত্যু হয়। আদৰ্শ মাৰ্কাজ একাডেমি, বালিমুখৰ কে. জি. ত পঢ়ি থকা ছাত্ৰ পিতা মজিবুৰ ৰহমান মাতৃ মাজেদা খাতুনৰ ৭ বছৰীয়া একমাত্ৰ পুত্ৰ সন্তান মুস্তাকিন আলম আজি ৰাতিপুৱা অনুমান ৯ বজাত ঘৰৰ পৰা নিৰুদ্দেশ হয়। ওচৰ চুবুৰীয়াই ঘৰৰ চাৰিও ফালে বিচাৰি অৱশেষত ঘৰৰ আগতেই পানীৰ তলৰ পৰা দুপৰীয়া ১২ বজাত উদ্ধাৰ কৰি ঝাৰগাঁও হস্পিতালত লৈ যায় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। এই মৃত্যুৰ খবৰ পাই অঞ্চল জুৰি শোকৰ ছাঁ পৰে।

# দেহা থাকিলেহে বেহা

■ টুনমণি বৰদলৈ

পাহি আৰু পাপুৱে স্কুল বন্ধৰ বাবে কেইদিনমান মোমায়েকৰ ঘৰত থকাকৈ ওলাল। দুয়োটাৰে আনন্দেৰে পাৰ নোপোৱা অৱস্থা, ইতিমধ্যে পাপুৱে মোমায়েকৰ ঘৰত কি কি কৰিব লগৰকেইটাক ফোন কৰি জনালেই। পাহিয়ে কি কৰিব সেয়া গৈ



পোৱাৰ পিছত সময়ৰ ওপৰত নিৰ্ভৰ কৰিব। মাক-দেউতাকক এৰি দুয়োটাই প্ৰথম আইতাকৰ ঘৰত থকাকৈ যাব, মাকৰ অলপ চিন্তাই লাগিছিল তথাপি মাকে ইতিমধ্যে প্ৰয়োজনীয় সকলো বস্তুৱেই বেগত ভাগে ভাগে জাপি সুমুৱাই দিছে যাতে তাত গৈ একো অসুবিধাৰ সৃষ্টি নহয়।

মোমায়েকৰ ঘৰ পায় দুয়োটাৰে বিৰাট স্ফূৰ্তি। আইতাকে যতনাই দিয়া চাহ-জলপান খাই দেউতাক ঘৰলৈ উভতি আহিল। ইতিমধ্যে সন্ধ্যা নামিছিল সেয়ে দুয়োটাই কাপোৰ-কানি সলাই ভৰি-হাত ধুই আইতাকৰ লগত গোসাঁইঘৰত প্ৰাৰ্থনা কৰিলে। তাৰ পিছতে মোমায়েকৰ লগত অতদিনে সাঁচি ৰখা কথাৰ আদান-প্ৰদান হ'ল। পাহি আৰু পাপুৱে দীঘলীয়া যাত্ৰা কৰি অহাৰ বাবে আইতাকে সেইদিনা ভাতকেইটা অলপ সোনকালেই ৰান্ধিলে। আইতাকে ককাকক ভাতকেইটা বাঢ়ি দি সিহঁতকো ভাত খাবলৈ মাতিলে। পাহি আৰু পাপুৱে সিহঁতৰ পছন্দৰ ৰন্ধা দেখি অকণো ঠেহ-পেচ নধৰাকৈ ভাত খালে। ইতিমধ্যে আইতাকেও ভাত-পানী খাই পাকঘৰৰ কাম সামৰি বিছনাত পৰিলহি।

আইতা মোৰ ফালে চাই শুব লাগিব - পাহিয়ে ঠেনঠেনাই আইতাকক ক'বলৈ ধৰিলে। পাপুৱেও হাতত মোবাইলটো লৈ গেম খেলি খেলি আইতাকক তাৰ ফালে চাই শুবলৈ খাটনি ধৰিলে। অৱশেষত আইতাকে ওপৰলৈ মূৰ কৰি দুয়োটাকে দুফালে লৈ শোৱাটোকে ঠিক কৰিলে আৰু পাপুক মোবাইলটো টেবুলত থৈ আহি বলৈ ক'লে। পাপুৱে ক'লে— ৰ'বা আইতা, অকণমান খেলি থৈ আহিম।

আইতাকে ক'লে- চোৱা পাপু মোবাইল বেছিকৈ ব্যৱহাৰ কৰাৰ ফলত মূৰৰ বিষ হ'ব পাৰে, মূৰ ঘূৰণি হ'ব পাৰে, কাণেৰে নুশুনা হ'ব পাৰে আৰু নিদ্ৰাহীনতা হ'ব পাৰে গম পাইছানে। মোবাইল আমি কেৱল জ্ঞান অন্বেষণ আৰু যোগাযোগৰ বাবেহে ব্যৱহাৰ কৰিব লাগে, গেম খেলিবৰ বাবে নহয় আৰু এটা কথা মন কৰিবা কাৰোবাৰ লগত ফোনত কথা পাতিলেও দুই বা তিনি মিনিটতকৈ বেছি কথা নাপাতিবা কিয়নো মোবাইল ফোনৰ পৰা নিৰ্গত ৰেডিয়েশ্বনে ডি এন এৰ ক্ষতি সাধন কৰিব পাৰে আনকি কৰ্কট ৰোগৰো সৃষ্টি কৰিব পাৰে। তদুপৰি আজিকালি মোবাইল ফোনে আকৌ কিছুমান মানুহক মিছলীয়া কৰি তুলিছে আৰু কপটীয়াও কৰি তুলিছে। আটাইতকৈ ডাঙৰ কথা হৈছে— মোবাইলৰ বাবেই দুৰ্ঘটনাৰ সংখ্যাও বাঢ়িবলৈ ধৰিছে।

তুমি ঠিকেই কৈছা আইতা, মায়ে পাপু দাদাক সদায় এই কথাবোৰেই কৈ থাকে, সি সদায় নুশুনাৰ ভেশছন ধৰে- পাহিয়ে আইতাকক ক'লে।

হ'ব বাৰু আইতা, আজিৰ পৰা তোমাৰ কথা শুনিম, পিছে আইতা আমাৰ টোপনি কিয় আহে ? পাপুৱে আইতাকক সুধিলে।

আইতাকে ক'লে— শৰীৰটোৰ যেতিয়া জিৰণীৰ প্ৰয়োজন হয় তেতিয়াই টোপনি আহে। টোপনি স্বাস্থ্য ৰক্ষাৰ বাবে অতি প্ৰয়োজন গম পাইছানে। যোৱা পাপু মোবাইলটো থৈ লাইটতো নুমাই থৈ আহা।

আইতা আমি আন্ধাৰত কিয় শুব লাগে? পাপুৱে লাইটতো নুমুৱাৰ আগে আগে আইতাকক পুনৰ সুধিলে।

আইতাকে ক'লে— আমাৰ টোপনি যোৱাত সহায় কৰে মেলাটনিন নামৰ এবিধ মগজুৰ হৰমনে। এই হৰমনবিধ আন্ধাৰতহে উৎপন্ন হয়। সেয়ে আমি আন্ধাৰত শুব লাগে। টোপনি যদি ভাল হয় তেতিয়া বহু অসুখ-বিসুখৰ পৰা হাত সাৰি থাকিব পাৰি।

আইতা পোহৰত শুলে বেয়া নেকি? পাহিয়ে আইতাকক সুধিলে।


আইতাকে ক'লে— পোহৰত শোৱা মানুহ হতাশাত ভুগিব পাৰে, স্মৃতিশক্তি হ্ৰাস পাব পাৰে, চিন্তা কৰিব পৰা ক্ষমতা লোপ পাব পাৰে আৰু পুৱা বিছনা এৰিবলৈ এলাহ কৰিব পাৰে। সেয়ে সদায় শোৱাৰ সময়ত ৰূমত পোহৰ সোমাব নোৱৰা কৰি ল'ব লাগে।

আইতা, মেলাটনিন হৰমন কেতিয়া নিঃসৰণ হয়? পাহিয়ে পুনৰ আইতাকক সুধিলে। আইতাকে ক'লে— মেলাটনিন হৰমন ৰাতি সাধাৰণতে ১০টাৰ পৰা ২ বজাৰ ভিতৰত নিঃসৰণ হয়। সেয়ে সদায় সোনকালে শুব লাগে আৰু সোনকালে শুই উঠিব লাগে। টোপনিয়ে কৈশোৰ অৱস্থাত শাৰীৰিক আৰু মানসিক বিকাশ সাধন কৰে, সেয়ে নিতৌ ৬ৰ পৰা ৮ ঘণ্টা নিয়মিত শুব লাগে। আমাৰ শৰীৰ দৰবে কেতিয়াও সুস্থ কৰি ৰাখিব নোৱাৰে গম পাইছানে। আমাৰ শোৱাৰ সময় হ'ল, যোৱা লাইটটো নুমাই থৈ আহা। পুৱা সোনকালে উঠি খোজকাঢ়িবলৈও যাব লাগিব। দেহাটো ভাল হৈ থাকিলেহে আমি বাকী কামবোৰ ভালকৈ কৰিব পাৰিম নহয় জানো? আচলতে দেহা থাকিলেহে বেহা।

পাপুৱে লাইটতো নুমাইআহি আইতাকৰ কাষতে কুঁচি-মুচিকৈ শুলে। আইতাকে দুয়োটাৰে মূৰত হাত বুলাই গাবলৈ ধৰিলে....

আমাৰে মইনা শুব এ...
বাৰীতে বগৰী ৰুব এ...
বাৰীৰে বগৰী পকি সৰি যাব
আমাৰে মইনাই বুটলি খাব।

ফোন ঃ ৯৯৫৪৬-৪৮০২২



ৰিম্পী কুমাৰ, নৱম মান শ্ৰেণী, দক্ষিণ গুৱাহাটী জাতীয় বিদ্যালয়

## মহৎ লোকৰ বাণী

◆ দেশতকৈ মোমাই ডাঙৰ নহয়। - লাচিত বৰফুকন।

◆ জীৱনটো হৈছে এক উত্তৰবিহীন সাঁথৰ । - এমাৰছন।

◆ বিদ্যা মানুহৰ সৰ্বশ্ৰেষ্ঠ অলংকাৰ । - ইশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ।

◆ সুন্দৰৰ আৰাধনা জীৱনৰ খেল । - চন্দ্ৰকুমাৰ আগৰৱালা।

◆ নিজক জ্ঞানী বুলি ভবাজনেই হ'ল আচল মূৰ্খ । - ভল্টেয়াৰ।

◆ যি নিজস্বক হেৰুৱাই তেওঁ সকলো হেৰুৱাই । - মহাত্মা গান্ধী।

◆ মৰমে ভাঙিব নোৱাৰা ব্যৱধান একো নাই । - মহাত্মা গান্ধী।

◆ আনক কোৱাতকৈ নিজে কৰাটো ভাল । - ব্ৰাউন ৰাছেল।

◆ হিংসা এনে পাপ যি পাপৰ প্ৰায়চিত্ত নাই । - হজৰত মহম্মদ।

◆ ধৈৰ্যৰ স্বাদ অতি তিতা কিন্তু তাৰ ফল অতি সুমিষ্ট । - ৰুছো।

◆ মানুহৰ হাতত অহিংসা শক্তিয়েই সৰ্বশ্ৰেষ্ঠ শক্তি । - মহাত্মা গান্ধী।

◆ শিক্ষা নথকা মানুহ এজন শুকান কাঠৰ দৰে । - হজৰত মহম্মদ।

◆ নোৱৰা শব্দটো মূৰ্খৰ ভঁৰালত থাকে । - আব্ৰাহাম লিংকন।

◆ যি মূলা বাঢ়ে তাৰ দুপাততে চিন । - ড° বানীকান্ত কাকতি।

◆ যাৰ অন্তৰত সংগীত নাই তেওঁক বিশ্বাস কৰিব নোৱাৰি । - প্লেটো।

◆ আমি যি কাম কৰো সেয়াই পৰম পিতাৰ কাম। - স্বামী বিবেকানন্দ।

◆ যাৰ ধৈৰ্য আছে তেওঁ বিচৰা বস্তু সকলো পাব পাৰে । - ফ্ৰেংকলিন।

◆ খং আৰু অসহিষ্ণুতা হৈছে জ্ঞান লাভৰ প্ৰধান শত্ৰু । - মহাত্মা গান্ধী।

◆ পৰিৱৰ্তনশীল জগতত পৰিৱৰ্তনেই সত্য। - লক্ষ্মীনাথ বেজবৰুৱা।

◆ ভাষাৰ বাপেক ভাব আৰু ককাক জ্ঞান। - কমলাকান্ত ভট্টাচাৰ্য্য।

## সোণটিৰ সপোন



■ গৌৰী মহন্ত

শিক্ষক হ'বলৈ মন যায় সোণটিৰ
হাতত এচাৰি লৈ,
নাকৰ ওপৰতে চচ্মাযোৰ পিন্ধি
ল'ৰা-ছোৱালী পঢ়ুৱাবলৈ।
কেতিয়াবা আকৌ সোণটিয়ে কয়
চিকিৎসক এজন হ'ম,
ভাবিলেই মনটো ভাল লাগি যায়
ষ্টেথিস্কোপ এডাল পিন্ধিম।
কেতিয়াবা ভাবে প্ৰকৃতিপ্ৰেমী হ'ম
'অৰণ্য মানৱ'ৰ দৰে,
গছ-গছনি ৰুই হাবিখন বঢ়াম
বন্যপ্ৰাণীৰ হকে।
সকলো বাদ দি মনতে ভাবিলে সি
হ'ব আৰক্ষী বিষয়া,
চোৰ-ডকাইত আদি অপৰাধীক ধৰি
লগাব হাত কেৰেয়া।
হাতত লাঠি, কঁকালত পিষ্টল
খাঁকী সাজ তাৰ প্ৰিয়,
অপৰাধ কাৰ্য নিতৌ বাঢ়িছে
সেয়ে আৰক্ষী হোৱাৰ তাৰ লক্ষ্য।

ফোন ঃ ৯৪৩৫৭-৪২০৮৪



কৃষ্টি ৰাজবংশী, প্ৰথম শ্ৰেণী, শংকৰদেৱ শিশু বিদ্যা নিকেতন, নতুনবস্তি, গুৱাহাটী

## মৰমৰ অকণিহঁত

মৰম ল'বা। তোমালোকৰ কুশল কামনা কৰিলোঁ। ভালে আছা নিশ্চয়। পঢ়া-শুনা কৰি আছানে বাৰু। এতিয়া বাৰিষাৰ বতৰ। গাঁৱৰ ল'ৰা-ছোৱালীবোৰে চাগে পথাৰত খুব মাছ ধৰিছা নহয়নে? নগৰত থকা ল'ৰা-ছোৱালীবোৰে এই মাছ ধৰাৰ আনন্দখিনি পোৱাই নাই। খুব মজা পথাৰ-সমাৰত মাছ ধৰা কাৰ্য। কেতিয়াবা সময়-সুবিধা হ'লে তোমালোকেও গাঁৱলৈ গৈ পথাৰত, নৈত, খাল, দোং আদিত মাছ ধৰাৰ আনন্দ ল'বগৈ পাৰা। মুকলি পথাৰত এই বাৰিষাৰ সময়ত আমাৰ যিবোৰ থলুৱা মাছ আছে সকলোবোৰ পোৱা যায়। এই সতেজ মাছবোৰ ধৰাৰ কি যে স্ফূৰ্তি, কি যে আনন্দ সেয়া ভাবিলেই ভাল লাগি যায়। সৰু সৰু ছোৱালীবিলাকে জাকৈ-খালৈ লৈ মাছ মাৰিব যোৱা দৃশ্য দেখিলে সঁচাই খুব ভাল লাগে। লগতে বাৰিষাৰ এই সময়খিনিত বোকা-পানীত খেলি, জঁপিয়াই অপাৰ আনন্দ লাভ কৰে গাঁৱৰ শিশুসকলে। চহৰততো তোমালোকক বোকা-পানীত নামিবই নিদিয়ে তোমালোকৰ মা-দেউতাহঁতে। অৱশ্যে নিদিবই। কাৰণ চহৰৰ বোকা-পানী অতি বেয়া বস্তুৰে ভৰি থাকে। সেয়ে তোমালোকৰ ভালৰ বাবেই মা-দেউতাই এনেদৰে মানা কৰে। তোমালোকে আকৌ মা-দেউতা বা ডাঙৰসকলে মানা কৰা কাম কেতিয়াও নকৰিবা দেই। এই সময়ত গাঁৱত অকল মাছেই নহয়। গছৰ সতেজ আম, জামু, কঁঠাল, আনাৰস আদিও প্ৰচুৰ পৰিমাণে পোৱা যায়। সেইবোৰ গছৰ পৰা পাৰি আনি খোৱাৰ আনন্দই সুকীয়া। মুঠতে যদিও এই বাৰিষাৰ সময়ত গাঁওবোৰ বোকা-পানীৰে ভৰি থাকে, তথাপি গাঁৱত এই সময়ত পোৱা যায় এক অনাবিল আনন্দ। চহৰত থকা তোমালোকৰ দৰে সৰু সৰু ল'ৰা-ছোৱালীবোৰে পথাৰত ভুই ৰোৱা, পথাৰলৈ চাহ-জলপান লৈ যোৱা কামবিলাক খুব আনন্দৰে কৰে। সেইবোৰ দেখিলেই মনবোৰ আনন্দৰে ভৰি পৰে। তেওঁলোকে মনত এই কামবোৰ কৰি কেতিয়াও কষ্ট অনুভৱ নকৰে। বৰঞ্চ আনন্দহে পায় আৰু তেনেবোৰ কাম কৰি সুখ অনুভৱহে কৰে। বাৰিষাৰ সময়ত গাঁৱৰ বোকা-পানীৰ মাজত যি আনন্দ সেই আনন্দ চহৰত নাপায়। তথাপি তোমালোকেও চহৰৰ সীমিত পৰিৱেশত যিকণ কাম কৰাৰ সুবিধা পোৱা সেয়া নকৰাকে কেতিয়াও নাথাকিবা। চাবা তোমালোকৰ মনবোৰ আনন্দৰে ভৰি পৰিব। কামত ব্যস্ত থাকিলে কেতিয়াও মনলৈ বেয়া চিন্তা, বেয়া কামলৈ আসক্তি নাহে। কামৰ মাজেৰে পঢ়া-শুনা কৰি কেনেকৈ ভৱিষ্যতে ডাঙৰ মানুহ হ'ব পাৰি তাৰ কাৰণেহে প্ৰতিজ্ঞবদ্ধ হৈ আগবাঢ়িবা। আজিলৈ বাৰু আহো দেই। শৰীৰৰ প্ৰতি সদায় যত্নৰ ত্ৰুটি কৰিবা। দেহা থাকিলেহে বেহা।

তোমালোকৰ—
ভূপেন মামা

## ভেকুলি



■ বিউতি বৰা

বাৰিষা আহিলে বেঙে মাতিলে
টোৰ টোৰ কৰি
বামুণী বেঙেও মাত
লগালে
কেৰেক কেৰেক কৰি
তাকে শুনি
চুকৰ ভেকুলীয়েও
ঘনাই লগালে মাত
টুৰুক টুৰুক গৰম
লাগিছে আমাৰো
যে গাত।

## স্বৰ-বৰ্ণৰ সোৱাদ লওঁ আহা

■ পল্লৱী গোস্বামী

অ আ ই ঈ
উ ঊ ঋ
এ ঐ ও ঔ

অ-এ ক'লে অ মই অমিতা বিবিধ শক্তি যোগাওঁ ,
আ-এ ক'লে আ মই আলুৰে কাৰ্ব-হাইড্ৰেট ভগাওঁ ।

ই-এ ক'লে ময়ে ইটা সাজিলে তোৰ মজবুত হ'ব ঘৰ,
ঈ-এ ক'লে মই ঈগল চৰাই কমি গৈছোঁ সুৰক্ষিত কৰ।

উ-এ ক'লে ময়ে উট ককাই মৰুভূমিৰ বাহন হয়,
ঊ-এ ক'লে ঊণৰ চোলা পিন্ধিলে মোক জাৰ আঁতৰ হয়।

ঋ-এ ক'লে ঋষি মই অনাহাৰে থাকি নিতৌ কৰোঁ ধ্যান,
এ-এ ক'লে ককাৰ জাৰ খেদি মই এৰি চাদৰে ৰাখো মান।

ঐ-এ ক'লে মই ঐৰাৱত আহিছোঁ ওলাই সকলোৰ চোৱা,
ও-এ ক'লে ময়ে ওলকচু জুতি লগাই এসাঁজ খোৱা।

ঔ- এ ক'লে ঔটেঙা মই কোনে কোনে খাবি ক,
ফাগুনমহীয়া পকা ঔ খাই দেহৰ জুৰণি ল।

## মোৰ মৰমৰ মাজুলী

■ অতুল বৰা

মহাশক্তিমান মহাবাহুৰ মাজত
মোৰ মৰমৰ 'মাজুলী'
মহাপুৰুষৰ মহামিলনৰ মঞ্চ।

মনোমোহা মোৰ মাজুলী
মহন্ত, মহাত্মাৰ মজিয়া।

মিষ্টভাষী মাজুলীৰ মানুহবোৰ
মৰমিয়াল।
মৰম, মমতা, মানৱতা...
মাজুলীয়ালৰ মহানুভৱতা।।



মিপাগ, মিছিং, মটকৰ মিলনভূমি মাজুলীৰ
মলয়াত মসৃণতা...।

মাজুলীৰ মাটিত মাটিমাহ, মগুমাহ...
মুঠি-মুঠি মাগুৰি, মাণিকীমধুৰিৰ মাধুৰ্য।

মহাৰাসত মোহনৰ মধুৰ মুৰুলীৰ মনোমুগ্ধকৰ মাতত,
মতলীয়া মাজুলীৰ মানুহৰ মন মগজু।

মাজুলীত মুক্ত মদৰ মহল
মৰুভূমিৰ মৰীচিকা মাথোঁ।

মাজুলীৰ মজিয়া, মহিমাময় মঠ-মন্দিৰেৰে মেটমৰা।

মাজুলী মোৰ মনৰ মণিকূট
মাজুলীয়েই মোৰ মাতৃ মহীয়সী।

মাধৱক মিনতি মাথোঁ,
মাজুলীৰ মূঢ়মতি মই
মাজুলীতে মৰিবা মুৰাৰি।।



অনিৰ্বাণ ডেকা, তৃতীয় শ্ৰেণী, শংকৰদেৱ বিদ্যা নিকেতন, বিষ্ণুপথ



অৰ্ণৱ গোস্বামী, শ্ৰীমন্ত শংকৰদেৱ একাডেমী, দিছপুৰ, সপ্তম শ্ৰেণী

আধাৰেই ধাৰ— সৃষ্টিৰ উৎসৰ পৰম সনাতন। ভাবে আৰৰে আকাশৰ আচল... শ্যামল কুহুম লহৰ লহৰ। এইবাৰৰ 'কাব্য-বীথিকা' নগাঁৱৰ কবি সমাজৰ কবিতাৰে সজোৱা হৈছে। ইয়াৰ বাবে ধন্যবাদৰ পাত্ৰ— নৱ বৰা। আজিৰ 'কাব্য-বীথিকা'ত নগাঁৱৰ কবি সমাজৰ কবিতাৰ দ্বিতীয় সংখ্যাটো

## একৈশ শতিকাৰ দুখৰ মালিতা

■ ত্ৰৈলোক্য ভট্টাচাৰ্য



ক্ৰমাগতভাৱে ধূসৰ হৈ পৰিল
চিনাকি পৃথিৱীৰ ছবি।
স্বাধীনতা জন্মস্বত্ব
সাৰোগত কৰি এই বাণী
অন্যায়ভাৱে আগবাঢ়িল আধুনিক সভ্যতা
অখণ্ড প্ৰতাপী মানুহে আজুৰি ল'লে সকলো।
বসুধৈৱকুটুম্বকম্ বাণী আওৱাওঁতা নাই
উন্মাদৰ দৰে আহৰণ কৰিলে কেৱল সম্পদ
ক্ষতবিক্ষত বসুন্ধৰাৰ বক্ষ।
উভৈনদী নিত্য নতুন ভোগৰ উপাদানক লৈ
মদমত্ত যোগ্যতামাপক প্ৰতিটো দিন।
ভোগসৰ্বস্ব ব্যস্ত জীৱনত প্ৰতিযোগিতাৰ দৌৰ
কাৰো সময় নাই, যন্ত্ৰনিৰ্ভৰ জীৱনত
সুখ-দুখৰ খবৰবোৰো নৈমিত্তিক।
মানুহবোৰক কেৱল লাগে আৰু লাগে।
কংক্ৰিটৰ অৰণ্যই কাঢ়ি ল'লে শিশুৰ শৈশৱ।
পৰম্পৰাবোৰক আওপুৰণি ধ্যানধাৰণা বুলি
এলাগী কৰা হ'ল
পেন ড্ৰাইভৰ দৰে
শিশুৰ মগজুবোৰ তথ্যৰে সমৃদ্ধ কৰা হ'ল।
মাতৃভাষাৰ আৱেগ গুৰুত্বহীন গণ্য হ'ল।
ভাষাৰ সংজ্ঞা কেৱল ভাৱ প্ৰকাশৰ মাধ্যম ।
এনেদৰেই চলিল একবিংশ শতিকাৰ প্ৰগতিৰ ৰথ।
হঠাৎ মঞ্চত আবিৰ্ভাৱ হ'ল আততায়ী ক'ভিড-১৯
মহামাৰীৰ সন্ত্ৰাসত ত্ৰস্তমান মানুহৰ পৃথিৱী
কৰ'নাই ছত্ৰভংগ কৰালে সকলোকে
সীমিত হৈ পৰিল তথাকথিত ব্যস্ততাৰ ত্বৰণ।
অতি কৌশলৰে বন্দী কৰা হ'ল অমৃতৰ সন্তানক।
সকলো জীৱকূল সুখতে থাকিল
দুখী কেৱল অমৃতৰ সন্তান, কি যে বিড়ম্বনা!
গৃহবন্দী জীৱন-বাহিৰত মুখাবৰণ।
চিৰযৌৱনা বসুন্ধৰাই ক'লে- বুজিলা ?
এতিয়া মোৰ ফালে চোৱা-
স্নিগ্ধ নীল আকাশৰ তলে তলে
বনানীৰ সেউজ সম্ভাৰ
জান-জুৰি, প্ৰবাহিত চিনাকি নৈবোৰ
মদাৰ, শিমলু, কৃষ্ণচূড়া, এজাৰৰে
সুশোভিত প্ৰকৃতি
সকলো একেই আছে।
ৰংবিৰঙৰ ৰঙীয়াল চৰাইৰ কল-কাকলিৰে
এতিয়াও মুখৰিত ওৰেটো দিন।
আগলতি কলাপাত এতিয়াও লৰে চৰে
এতিয়া মাথোন ব'টা চৰাই, হুৰাবলৈ চম্পাৱতী নাই
ফুল হৈ ফুলা তেজীমলাৰ কথা কওঁতাও নাই।
এতিয়া লঘূৰ চাহিদা বাঢ়িল,
মিনাকৰা পাণবঁটাটো হেৰাল
তামুলীচ'ৰাবোৰ ড্ৰয়িংৰুম হ'ল।
মানুহবোৰে এঙামুৰি দিছে, সাৰপোৱা নাই।

## উদ্বিগ্নতাৰ প্ৰাচীৰ নাশি গঢ়িম এখন স্বচ্ছ সমাজ

■ বন্দনা নাথ ঠাকুৰীয়া

কেতিয়াবা খুলি চাওঁ
অতীত স্মৃতিৰ প্ৰস্ফুটিত হৃদয়ৰ পৃষ্ঠাবোৰ
এটা মিঠা আমেজত বুকুখনি শীতল হৈ পৰে
য'ত লিখা আছে মমতাৰে পূৰ্ণ অন্তহীন দস্তাবেজ

পুৰণিকলীয়া, আনন্দত উৎফুল্ল বুকুখন
এতিয়া শূন্যতাৰ বুকুত নীৰৱে উচুপে
তই তই মই মই ভাবৰ হেন্দোলনিত
জীৱন জীয়া মাদকতা স্তব্ধ হ'ব খোজে

সেই তাহানিৰ ফলে-ফুলে জাতিষ্কাৰ গাঁওখনি
মমতাহীন, এতিয়া তেনেই শূন্য
শাক-পাচলি বিলাই খোৱাৰ দিন আজি উকলিল
আত্ম অহংকাৰত আপোনত্ব ভাৱৰ অন্ত পৰিল

মুকুতাসদৃশ হৃদয়ৰ কোঠালিটো আজি ৰুদ্ধ
নাই তাত সমন্বয়ৰ নিঃস্বাৰ্থতাৰ প্ৰেম
ক্ষুদ্ৰ মনটোৱে প্ৰতিক্ষণ হাহাকাৰ কৰে
জানোচা কোনোবাই ৰুদ্ধদ্বাৰত টোকৰ মাৰে

অসহায়তাৰ কৱলত নিঃশেষ হ'ব নিবিচাৰোঁ
মই দুহাত আগুৱাইছো, তুমিও আগুৱাই দিয়া
খোজত খোজ মিলাও সমাজৰ মংগলাৰ্থে
আমি অগ্ৰসৰ হ'ম সমন্বয়তাৰে

ৰাজনীতিত পিন্ধাম এধাৰি নৰ মল্লিকাৰ মালা
শোষকৰ হৃদয় পখালি ঐক্য হৈ নাশিম বিভীষিকা
আমি মানৱ প্ৰেমৰ দৰদী কণ্ঠৰ গীত আওৰাম
হৃদয়ৰ কোঠালিত মলিনতাহীন পৰশ বিলাম

দেশৰ হকে প্ৰাণাহুতি দিয়া, শ্বহীদৰ শ্বাসৰুদ্ধতাৰ অন্তিম আশা -
'মই মৰিলেও হেজাৰজন বীৰ সন্তানৰ জন্ম হ'ব
শ্বহীদৰ মান ৰাখি জননীক উদ্ধাৰ কৰি বিজয়ৰ তিলক পিন্ধাব।'
বুকুৰ কেঁচা শোণিতেৰে লিপিবদ্ধ কৰা কথাবোৰ আমি মনত ৰাখিম

বিশালতাৰে পূৰ্ণ সহজ-সৰল হৃদয় আমাৰ
সু-সমন্বয়েৰে আবদাৰ কৰি মমতাৰে কৰিব জানো বশ
সমাজ সুৰক্ষাৰ কবচ পিন্ধি
শিলৰ দৰে কঠিন হৈ নাশিবও পাৰোঁ দুৰ্বৃত্ত

জন-সমাজৰ হিতাৰ্থে প্ৰয়োগ কৰা বিজ্ঞান- প্ৰযুক্তিবিদ্যা
নৱ সৃষ্টিৰে মানৱক দিয়া নৱ জাগ্ৰতৰ প্ৰতিভা
সেই যন্ত্ৰৰ অপ প্ৰয়োগেৰে নানিবা মাতি ধ্বংস যজ্ঞ
মৃত্যুৰে কলিজাটো বান্ধি ঢাল হৈ ৰুদ্ধ কৰিম সমাজৰ অস্তিত্ব

আমি সন্তান পূণ্য ভূমি অসমৰ
য'ত স্থিতি লভিছে মহা মানৱ কিম্বা মহাপুৰুষে
লাচিত, কনকলতাৰ দৰে বীৰ - বীৰাংগনাৰো নাই অন্ত
যুগে যুগে অংকিত হৈ ৰ'ব অন্তহীন চিৰ ভাস্কৰ্য

## এটি আৱেগ

■ সমীৰ কুমাৰ নাথ

শব্দৰ সিপাৰে বৈ
অহা আশাবোৰে
হাত বাউলি মাতিছে
'বিষাদ ভৰা'
এটি শব্দই উৰুৱাই
নিছে শাওনৰ বাৰিষা
সেউজীয়া হ'ব খোজা মনটো
বাৰে বাৰে হৈ যাব
ধৰিছে তোমাৰ সুবাসত
'হালধীয়া'
ৰংবোৰ হৈ গৈছে ডাৱৰ
সম্বন্ধবোৰ হৈ পৰিছে
এটি আৱেগ।

## সকলোকে লৈ কবিতা নহয়

■ সঞ্জীৱ সাগৰ চৌধুৰী

(হোমেন বৰগোহাঞি ছাৰলৈ শ্ৰদ্ধাঞ্জলি)

সকলোকে লৈ কবিতা নহয়
সকলোতে কবিতা নাথাকে

আৰু ভাল নোহোৱাটোও
ভাল নথকাটোও

হোৱা নাই সেয়ে আপোনাক লৈও
নাই এতিয়ালৈ লিখাও

লিখা নাই মানে লিখিব পৰা নাই
ঠিক লিখিব পৰা নাই নহয়
কবিতা আচলতে অহা নাই
আপোনাক লৈ কবিতা অহা নাই

সঁচাকৈ ক'বলৈ গ'লে বেয়াও পোৱা নাই

আপোনাক লৈ কবিতা লিখিব নোৱাৰি
এটা মাথোঁ কবিতাত আপোনাক সামৰি থ'ব নোৱাৰি
সামৰি ল'ব নোৱাৰি আপোনাৰে আপুনি আপুনি হৈ
থকা মোক নিজক

এটা মাথোঁ কবিতাত
পাৰি জানো সামৰি পেলাব পৃথিৱী এখন
পাৰি জানো সামৰি পেলাব সাগৰ এখন
পাৰি জানো সামৰি পেলাব আকাশ এখন
এটা মাথোঁ কবিতাত

আপুনি কেৱল পৃথিৱী নাছিল
নাছিল কেৱল সাগৰ
নাছিল আকাশ
আপুনি আছিল

কবিতা নহ'ল ভালেই হ'ল
কবিতা নাহিল ভালেই হ'ল

মোৰ দৰেই কবিতাইও হয়তো জানে
কবিতাই হয়তো বুজে
যে নিজত সামৰিবলৈ আপোনাক
কবিতা নিজেই অপাৰগ

শব্দবোৰে সেয়ে মৌন হৈ ৰৈ আছে শ্ৰদ্ধাঞ্জলিৰ
মিছিলত
সোঁৱৰণিৰ চোতালত
বিবৰ্ণ হৈ বহি আছে বৰ্ণবোৰ

ধন্যবাদ হে' বাক্য
ধন্যবাদ হে' শব্দ
ধন্যবাদ হে' বৰ্ণ

বৈ নহাৰ বাবে
কবিতা মাথোঁ হৈ মোৰ কাপেৰে
বৈ নহাৰ বাবে
মালিতা হৈ মোৰ দুচকুৰে

ধন্যবাদ হে' কবিতা
থাকি যোৱাৰ বাবে
মৃত্যুৰ আগলৈকে মোক জীয়াই ৰখাৰ
মৰাৰ আগতে মই মৰি নোযোৱাৰ এক অমোঘ মন্ত্ৰ হৈ
মোৰ অন্তৰাত্মাৰ কোঁহে কোঁহে

## অশ্ৰু অঞ্জলি


■ প্ৰহেলিকা কৌশিক

এটা কবিতা, এখন উপন্যাস, এটা গল্প
এটা সমালোচনা নে তত্ত্বগধুৰ এক প্ৰবন্ধ
কাৰ মৃত্যু হ'ল?
আজন্ম প্ৰহৰী কলমৰ লগৰী
কোন বাটে ভটিয়াই গ'ল!
যাৰ প্ৰখৰ স্মৃতি বলুকাত
অহৰহ বিচৰণ কৰে
জ্ঞান মালিতাৰ ধাৰ,
যি সমালোচনাই ৰুধিব পাৰে
অবাটে যোৱাৰ বাট ।
যাৰ দৃঢ়তাই জনতালৈ আনে পোহৰৰ গান
আজি ৰুদ্ধ হ'ল বীণখনিৰ প্ৰাণ ।।
সেই উপন্যাসৰ শেষ পৃষ্ঠা থমকিল
গল্প-কবিতাৰ খৰা হ'ল হাত-ভৰি,
সমালোচনাৰ তীক্ষ্ণতা হৰিল,
মননশীল প্ৰবন্ধই কাৰ সমাধিত
সাৰ পাই বাট চাব আপোন হাত ?
এটা জীয়া সপোন হৈ ৰ'ব
প্ৰজন্মৰ পৰা প্ৰজন্মলৈ নৈ হৈ ব'ব
কলং সাক্ষী হ'ব
চাৰিকৰীয়া সাৰে ৰ'ব
দুহাত ভৰাই যাচো অশ্ৰু অঞ্জলি,
তোমাৰ সৃষ্টিৰাজিৰে কৰোঁ প্ৰজ্ঞাৰ সোঁৱৰণি।।

## ফাগুন

■ নিৰলা শইকীয়া

ধূলিময় বাটেৰে ফাগুন আহিছে
বতাহ-বৰষুণ, সৰাপাতৰ ধুমুহা হৈ
ফাগুনৰ উন্মাদনাত
মদাৰ, শিমলু, চতিয়না ফুলে
পলাশৰ জুই হৈ আইৰ চোতাল ভৰি সৰে
ফাগুনৰঙী পলাশৰ ফুল
আকাশে-বতাহে প্ৰেমৰ গুণগুণনি
মনৰ দাপোণত ডেকা-গাভৰুৰ
হিয়াত ফুলে প্ৰেমৰ সোণাৰু ফুল
ৰাঙলী সূৰুযক কপালত লৈ তুমি
গাই যোৱা ফাগুনৰ গান
ফাগুনে আনে ন-বসন্তৰ জাননী
সৰাপাতৰ ৰঙেৰে ৰঙীণ হয়
লঠঙা গছেৰে নামি অহা জোনাক
নতুন কুঁহিপাতে, আমে মলিয়ায়
জামে মলিয়ায়, কঁঠালে পেলায় মুচি
ফলে-ফুলে ৰং ছটিয়াই
পাতৰ আঁৰত কুলি, কেতেকীৰ
হিয়াভৰা মিঠা মাত
শিমলুডালত ফুল ফুলাই
ৰঙা ৰঙে উতলা ফাগুন
ফাগুনৰ শুকান বনত তেজৰঙা
গোলাপৰ প্ৰেমৰ নিজৰা বয়
দেহৰ ৰন্ধ্ৰে-ৰন্ধ্ৰে
চঞ্চলা ফাগুনৰ পছোৱা আকৌ
আহিলা লঠঙা গছৰ আলহী হৈ
জোনাক ৰাতি প্ৰেম সাগৰত
আজন্ম প্ৰেমিক হৈ গছে-গছে
আলিংগনে ফাগুনৰ ৰং ছটিয়াই
সৰাপাতে গান গাই উৰি যায়
ফাগুনৰ পছোৱাৰ লগত ।
*ফোন ঃ ৮৪০৩৯-০৭২৭৭*



## যুগান্তৰ

■ লখিমী মহন্ত

বহু যুগ হ'ল, যুগৰ পৰিৱৰ্তনে
নাৰীৰ অৱচেতন মনত
চেতনাৰ বহ্নিমান হ'ল,

যাৰ ফলশ্ৰুতিত একাংশই
অৰ্ধআকাশ আন একাংশই
পূৰ্ণ আকাশ বুলি
বুকু ফিন্দালে,

আধুনিকতাৰ প্ৰলেপত
এটা সময়ত কাৰোবাৰ
ৰংবোৰ হেৰাই গ'ল,

উঠি অহা জীহঁতে বৰবিহ
পান কৰা বন্ধু-বান্ধৱৰ উপদ্ৰৱত
হেৰুৱাই
জীৱনৰ ছন্দ,

বোৱাৰী, বুঢ়ী, আদহীয়াও
নাযায় সাৰি, সকলোকে
সজায় একোজনী পাঞ্চালী
নহ'লে ৰাস্তাৰ
পাগলী ভিক্ষাৰী।

## ৰংহীন পৰিৱেশ

■ ৰাজেশ কুমাৰ নন্দী

কি দৰে পালন কৰো পৰিৱেশ দিৱস
মানৱতাৰ নিলৰ্জতাত সকলো বিৰস
নিৰ্জীৱ প্ৰাণীক হত্যা কৰি উন্মাদ নৃত্য
কৰে
সহস্ৰ বন ধ্বংস কৰি পৃথিৱীৰ বিনাশ মাতে
বনজ সম্পদ ধ্বংসৰে জীৱকুলৰ খাদ্য
কাঢ়ে
ভোকাতুৰ জীৱক আকৌ ফটকা খোৱাই
মাৰে
খেয়ালী প্ৰকৃতিৰ সেউজতা ৰঙহীন হ'ল
ৰ'দ-বৰষুণৰ তাণ্ডৱত হাজাৰ বিপত্তি হ'ল
পক্ষীৰ কোলাহল ধ্বনি আজি আৰু নাই
নদ-নদীৰ বোৱতী ধাৰাত নিথৰ দেহ
ভাহি যায়
মোহনীয় প্ৰকৃতিয়ে কাল ৰূপ লয়
ধ্বংসকাৰী মানৱৰ মনত জগাই তোলে
ভয়
কৰ'নাতকৈও ভয়াৱহ মানৱ ভাইৰাছ
দ্ৰুতভাৱে বৃদ্ধি হ'ব অন্ধকাৰৰ বিকাশ ।।
*ফোন ঃ ৮৬৩৮২-৯০৮৪৬*

## এখন নেদেখা দেশ


■ বসন্ত কৌশিক ভাগৱতী

এখন নেদেখা দেশ জিলিকি উঠে প্ৰতি পলে
য'ত আছে এখন নেদেখা নদী
যি নদীৰ শিলেৰে নামি আহে
মৃত্যু জিনাৰ গান

চৰাইবোৰৰ স্বাভিমান য'ত গণতান্ত্ৰিক
গছৰ শিপা য'ত যন্ত্ৰ পৃথিৱী গঢ়াৰ
ফুলৰ পাপৰিত পোখা মেলে নতুন যৌৱনে
শৰতৰ আবেলিত উমলে শিশু

দুপৰ ৰাতি নদীৰ পাৰত অহা-যোৱা কৰে
অশৰীৰ স্বপ্নাতুৰ ছায়া
নল খাগৰি আৰু ইকৰাৰ গজালিয়ে
দুহাত মেলি সাৱটি ধৰে আকাশ

আমি নেদেখিলোঁ তেনে দেশ
আমাৰ স্বপ্নভংগ হয় দেশ দেশান্তৰৰ
অমানুহৰ পংকিল দৰবাৰত।
*ফোন ঃ ৬০০০৫-৩৭৭৭৪*



## হে বিপ্লৱী বীৰ

■ মৃণালী মহন্ত

ঢাকাত জন্ম হৈ তুমি আহিছিলা তেজপুৰলৈ
ঈশ্বৰে দিলে এটি অমূল্য সম্পদ
অসমীয়া সংস্কৃতিৰ পূজাৰী
পাইছিলা কলাগুৰু উপাধি,
নৃত্য-গীত, অভিনয় কৰি
বিপ্লৱী ভাৱধাৰা উঠাইছিলা জাগি,
জীৱনৰ অনেক ঘাত-প্ৰতিঘাতকো নেওচি
গৈছিলা তুমি আগবাঢ়ি শিল্পীৰূপে
জাতিটোৰ বাবে দি গ'লা অমূল্য সম্পদ
সেইবাবেই মৃত্যু হৈও আজি অমৰ
হে মহান শিল্পী তোমাক নমস্কাৰ।

## অনিদ্ৰা

■ নীলাভ সৌৰভ



দেই পুৰি পুখুৰী পিঠিত অসহন ৰ'দ
নাহিবি হাঁহ

আঙুলি মূৰত মানচিত্ৰ
কোনেও নামাতে -ঘৰলৈ এপাক আহিবি
গোৰোহা ফটা গাঁৱৰ খোজত লেতেৰা হয়
চিকচিকিয়া মজিয়া

কেনি যাবি পুতলা
নাচোন উতলা
পথাৰৰ ভোজলৈ মুখ উবুৰিয়াই পৰি থকা নতুন গান
উৎসৱ বুলি প্ৰচাৰ পত্ৰিকা আৰু ছবিত দুছিৰা ধান

কাণ এখন দি গুচি যাব পাৰে ভেন ঘগা
মাত এটাৰে জামৰিব পাৰে ঘা

একো নাই দেখোন খাবলৈ
সমুখত এটা ৰাতি মাঘলৈ।
*ফোন ঃ ৯৪৩৫০-০৩৮২৪*

## প্ৰণামো তোমাক

■ অমিয়া গোস্বামী

দূৰন্ত অশ্ব তুমি
হে সৌন্দৰ্যৰ পিপাশু, সুন্দৰৰ পূজাৰী, সৌন্দৰ্যবোধৰ বাবেই উৎপত্তি হ'ল সুকুমাৰ কলাৰ। কলানুৰাগবিহীন বিশ্ৰাম ভয়ংকৰ।
তুমি আছিলা কলাৰ সাধক। তুমি কবি, নাট্যকাৰ, সুৰকাৰ। তোমাৰ ব্যক্তিত্ব অনন্য সুন্দৰ। শতাব্দীৰ জড়তা,পঙ্গুতা, নিৰ্জীৱতা আঁতৰ কৰি, বৈপ্লৱিক আলোড়ণেৰে সমুজ্জ্বল কৰি যুগাগ্ৰগামী নতুন পুৰুষক আহ্বান জনাইছিলা তুমি। সমাজৰ দুখীয়া, নিচলা, নিষ্পেষিত জনসাধাৰণৰ বাবে, সৰ্বহাৰাৰ স্বাৰ্থৰ হকে কান্দিছিলা তুমি। হে মহানায়ক তোমাক বাদ দি অসমীয়া সংস্কৃতিৰ কথা, সাহিত্যৰ কথা কল্পনা কৰিব নোৱাৰো। হে, যুগজয়ী শিল্পী, শেষ ৰাগিণী কল্যাণ গাই এৰিলা অসমভূমি
মৃত্যু দিৱসত প্ৰণামো তোমাক গৰিমাৰ গৰাকী তুমি।

## উদ্দেশ্য জীৱনৰ

■ অনিল চন্দ্ৰ নাথ

চলিছে চকৰি একবিংশ শতিকাৰ
ৰ'বট্ মানৱ, উন্নত কম্পিউটাৰ। তথাপি
সমগ্ৰ বিশ্বৰ বিজ্ঞানীক ভেঙুচালি অদৃশ্য
শক্তিৰ
দ্বিতীয় ঢৌত অপ্ৰতিৰোধ্য ভয়াৱহ
সংক্ৰমণ
দেশে গঢ়ে মৃতকৰ সংখ্যাত অভিলেখ
অগণন
মৃতকৰ দ'মে ভৰে শ্মশান - কবৰস্থান
বাকচৰ পৰ্দাত দেখি হওঁ
আকণ্ঠ নিমজ্জিত।

খুলি চোলা আহা পথলৈ এৰি
স্বাভিমানৰ, অহংকাৰ উন্নয়নৰ,
উগ্ৰ জাতীয়তাবাদৰ আৰু
ধৰ্মীয় গোড়ামিৰ ।
মানৱীয়তাৰ স্যামন্ত মণি লৈ
সকলো জীৱৰে শ্ৰেয়কৰ হৈ,
আৰু হৈ 'মানুহে মানুহৰ বাবে....'
হৈ হিত বন্যপ্ৰাণী - প্ৰকৃতিৰ,
আহ্বান তোমাকো বন্ধু
খেছ দিয়া মাটিড'ৰাত
এগছি শান্তিৰ ভূঁই ৰুবলৈ
মানৱ জনমৰ উদ্দেশ্য সাধিবলৈ ।

বহু ভাগ্যে দৰ্শন বিনন্দীয়া এই ধৰাখন
পৰমপিতা পৰমেশ্বৰৰ আশিসধন্য জন
আই-পিতাইৰ কৃপাত ধৰিলোঁ জনম
জনমৰ প্ৰকৃত উদ্দেশ্য সাধনৰে
আশাৰেই বাট চাই আছে বিধাতায়ে,
নাভাবো কাকো কাহানিও হীন
প্ৰাণী কিম্বা গছ-লতা, তৰু-তৃণ
যত্ন লৈ প্ৰকৃতিৰ
আহা কৰোঁ সকলোৰে
প্ৰতি-উপকাৰ সকলোকে ।

আহাচোন বন্ধু আহা হোৱা বদ্ধপৰিকৰ
সুৰক্ষিত পৰিৱেশ সৃষ্টিত নাই বিকল্পৰ
কৰুণাময়ৰ কৰুণা লৈ কৰ'নাক কৰোঁ জয়
নহওঁ আতংকিত নকৰি ভয়,
জাতি আৰু দেশৰক্ষাৰ যুঁজৰ বাবেই
অদৃশ্য শক্তিৰ বিৰুদ্ধে জিকাৰ বাবেই
শক্তি আৰু সাহস আমাক দিয়া দয়াময়
শক্তি আৰু সাহস আমাক দিয়া হে দয়াময় ।
*ফোন ঃ ৭০০২৬-৯২৮৬৮*

## বিশ্বায়ন

■ পৱন ভানু

চকু নীলা
ছাট মৰা বিজুলী পোহৰৰ চিকমিকনি
ক'লা চকু
ভাতমুঠিৰ বাবে টোপনি নহা শ্ৰমজীৱী
বিশ্বায়নত সৰগ-নৰক

গাঁৱে গাঁৱে গজি উঠা আঢ্যৱন্তৰ ইংৰাজী
কাঠফুলা
আমি 'নিঃকিন-তুচ্ছ'

ক্ষমতাৰ খেলা
ৰাজনীতিৰ পথাৰত সৰস্বতীৰ বীণা
ধন ঘটাৰ আহিলা

আইৰ বুকু শক্তি কৰা শূন্য
ধৰ্ম-বৰ্ণ-ভাষা অঞ্চলৰ নামত
পালি নেতাক হাত কৰা
এডাল মালাৰ একো একোপাহি ফুল
কোনে বুজাব
জাতি-জনজাতি সংস্কৃতিৰ নৱৰূপ

বতাহ অবিহনে সৌন্দৰ্যপিপাসু লেখক
প্ৰতাৰণা-প্ৰবঞ্চনা শেনচকুত আবদ্ধ প্ৰচাৰ
কিজানি ধ্বংস উপত্যকাৰ বুকুত

মৰুভূমিৰ মৰিচীকা
ঋতু বসন্ত
অমৃতৰ সাগৰ
হাতত চন্দ্ৰ আকাশৰ

আশাৰ বাদল আঁতৰাই
নবীন আলোকে দীপ্ত
হওক সেৱা নহওক পেছা
প্ৰেম স্বতঃস্ফূৰ্ত হোৱা উচিত
মানুহ কেৱল মানুহৰ বাবে

ঘৰ আমাৰ ধুব মচিব লাগিব।।

## টকা এটি বাজে...

■ ৰূপম নাথ

টকা এটি বাজে
সাৰ পাই সোঁৱৰো তোক

পেঁপাৰ লহৰত বিৰিণা হালে
অদূৰত বনগীত, টোপনি গুচে

মেঘৰ গাজনি ঢোলত
বুকুত ঢেঁকীৰ ঢেংকুৰুচ

কুলিৰ মাতত
আন্ধাৰ লুকাই

তই নোহোৱা শিতানত
আয়ে বন্ধা জৰা সৰিয়হ

বসন্তৰ বৈভৱ
তই বুকুৰ কপৌ

*ফোন ঃ ৮৬৩৮৫-১৩৮৪০*

## নিৰ্লজ্জ

■ ড° ত্ৰিদিব গোস্বামী

কলমৰ চিয়াঁহী
শুকাই নেযাওতেই
মৰমৰ মাতটো
নোহোৱা হৈ গ'ল।

মানুহ-মাটি-জাতি
আগত ৰাখি
নিজকে নগণ্য ভাবি
গুচি গ'ল আজি।

জীৱনৰ সঁচা ছন্দত
আগবাঢ়ি যোৱা
তুমি 'মানুহ'
মানুহ তুমি 'খাটি'।

মৃত্যুৰ দেওধনী
নুঠোতেই

তুমি মৃত্যুক সুযোগ দিলা
নিৰ্লজ্জ। মৃত্যু নিৰ্লজ্জ।

ড° লক্ষীনন্দন বৰা দেৱ
ৰ সোঁৱৰণত

# উত্তৰ প্ৰদেশত জনসংখ্যা নীতিৰ খচৰা সদৰী

## দুই সন্তানৰ অধিক হ'লে চৰকাৰী চাকৰি আৰু ৰাজসাহায্য কৰ্তন, স্থানীয় নিকায়ৰ নিৰ্বাচনত নাপাব সুযোগ



**লক্ষ্ণৌ, ১০ জুলাই ঃ** উত্তৰ প্ৰদেশত কাইলৈৰ পৰা প্ৰযোজ্য হ'ব নতুন জনসংখ্যা নীতি। পৰিয়াল পৰিকল্পনা আৰু ৰাজ্য চৰকাৰৰ আঁচনিৰ সৈতে সংযুক্ত কৰি ৰচনা কৰা হৈছে জনসংখ্যা নীতিৰ নতুন খচৰা। আজি উত্তৰ প্ৰদেশ ৰাজ্যিক আইন আয়োগে এই জনসংখ্যা নীতিৰ খচৰা সম্পৰ্কত কিছু পৰিমাণে ইংগিত দাঙি ধৰিছে। সেই অনুসৰি পৰিয়াল সীমিত হ'ব লাগিব দুটা সন্তানৰ মাজতে। যদিহে দুটাতকৈ অধিক সন্তানৰ জন্ম দিয়া হয় তেনেহ'লে সেই পৰিয়ালটোৱে চৰকাৰী লাভ নকৰিব। চৰকাৰৰ বিভিন্ন ৰাজ সাহায্যমূলক আঁচনিসমূহৰ পৰাও পৰিয়ালটো বঞ্চিত কৰা হ'ব। স্থানীয় নিকায় নিৰ্বাচনত দুটাতকৈ অধিক সন্তান থকা পৰিয়ালৰ অভিভাৱকে নিৰ্বাচনত অৱতীৰ্ণ হ'ব নোৱাৰিব। এনেকৈয়ে কঠোৰ পদক্ষেপ গ্ৰহণৰ সিদ্ধান্তৰে উত্তৰ প্ৰদেশৰ জনসংখ্যা বিধেয়ক-২০২১ৰ খচৰা প্ৰস্তুত কৰা বুলি কোৱা হৈছে। যদিহে চৰকাৰী চাকৰিয়ালে দুটা সন্তানৰ মাজতে নিজৰ পৰিয়াল সীমাবদ্ধ ৰাখে তেনেহ'লে তেনে চাকৰিয়ালে নিজৰ দৰমহাৰ সৈতে দুটাকৈ ইনক্ৰিমেণ্ট লাভ কৰিব তেওঁৰ চাকৰি জীৱনত। আনহাতে সন্তান জন্ম হোৱাৰ সময়ত মাতৃৰ উপৰিও পিতৃয়েও দৰমহাসহ সম্পূৰ্ণ বাৰ মাহৰ ছুটী উপভোগ কৰিব পাৰিব। ইয়াৰ উপৰিও কৰ্মচাৰীৰ যি ৰাষ্ট্ৰীয় ফান্দ আছে পেঞ্চনৰ বাবে তাতো চৰকাৰে তিনি শতকৰা অধিক অৰিহণা আগবঢ়াব। উক্ত খচৰাত কোৱা হৈছে যে সকলোবোৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰতে প্ৰসূতিৰ চিকিৎসাজনিত একোটাকৈ বিশেষ কক্ষ স্থাপন কৰা হ'ব। উক্ত কেন্দ্ৰসমূহত স্বাস্থ্যকৰ্মীৰ উপৰিও স্বেচ্ছাসেৱী সংগঠনৰ দ্বাৰা অঞ্চলটোৰ পৰিয়ালসমূহৰ মাজত জন্ম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ বাবে কৰ্মশালা আদিৰ আয়োজন কৰাৰ উপৰিও এইক্ষেত্ৰত উপকাৰিতাৰ বিষয়ে ৰাইজক অৱগত কৰিব। উক্ত বিধেয়কসম্পৰ্কত প্ৰস্তাৱনাত উল্লেখ কৰিছে যে যিহেতু ৰাজ্যখনত অৰ্থনৈতিক আৰু প্ৰাকৃতিক সম্পদসমূহ সীমিত হৈ আহিছে গতিকে মানুহৰ জীৱন ধাৰণৰ বাবে আৱশ্যক হোৱা পৰিৱেশ দীৰ্ঘকালৰ বাবে অক্ষত কৰি ৰখাৰ স্বাৰ্থত পৰিয়াল সীমিতকৰণ নীতি কঠোৰভাৱে বলবৎ কৰা হ'ব। পৰিয়াল সীমিত হ'লে ব্যয়সাধ্য দামত খাদ্যসামগ্ৰী সকলোকে যোগান ধৰাত অসুবিধা নহ'ব। বিশুদ্ধ খোৱাপানী, থকা ঘৰ, মান সম্পন্ন শিক্ষা, জীৱিকা, বিদ্যুতৰ যোগান, চাকৰি তথা সংস্থাপন আদিৰ বাবে বিশেষ অসুবিধাৰ সন্মুখীন হ'ব নালাগিব। ইয়াৰ বাবেই দুটা সন্তানৰ নীতিৰে নতুন জনসংখ্যা নীতিৰ খচৰা প্ৰস্তুত কৰা হৈছে আৰু বিধানসভাৰ মজিয়াত এই বিধেয়ক পাৰিত কৰাৰ পিছত আইনলৈ ৰূপান্তৰিত কৰি কঠোৰভাৱে বলবৎ কৰি যাব বুলি আঙুলিয়াই দিয়া হৈছে।

## অনন্তনাগত সংঘৰ্ষ ঃ দুই সন্ত্ৰাসবাদী নিহত হ'ল আৰক্ষীৰ গুলীত



**শ্ৰীনগৰ, ১০ জুলাই ঃ** জম্মু-কাশ্মীৰৰ অনন্তনাগ জিলাত শনিবাৰে বিয়লি পাক সমৰ্থিত ইছলামিক সন্ত্ৰাসবাদী আৰু আৰক্ষী-নিৰাপত্তাৰক্ষীৰ মাজত মুখামুখি সংঘৰ্ষৰ সূত্ৰপাত হয়। এই সংঘৰ্ষত দুটা সন্ত্ৰাসবাদী নিহত হৈছে বুলি প্ৰকাশ পাইছে। বাতৰি লিখা পৰলৈকে সংঘৰ্ষ অব্যাহত আছে আৰু অধিক ক্ষয়-ক্ষতিৰ তথ্য পলমকৈ লাভ কৰাটো নিশ্চিত হৈছে। উল্লেখ্য যে ভাৰতীয় সেনা, চিআৰপিএফ জোৱান আৰু জম্মু-কাশ্মীৰ আৰক্ষীৰ এটা যুটীয়া অভিযানকাৰী দলৰ প্ৰতি লক্ষ্য ৰাখি আত্মগোপনকাৰী সন্ত্ৰাসবাদীয়ে গুলীচালনা কৰিছিল। চোৰাংচোৱা সূত্ৰৰ ভিত্তিত অভিযানকাৰী দলটোৱে সেই স্থানত উপস্থিত হৈছিল। কিন্তু আত্মগোপন কৰি থকা দলটোৱে পলাবলৈ সক্ষম নহ'ল আৰু ইয়াৰ বাবেই নিৰাপত্তাৰক্ষীৰ দলটোক লক্ষ্য কৰি গুলীচালনা কৰে। প্ৰত্যুত্তৰত নিৰাপত্তাৰক্ষীৰ অভিযানকাৰী দলটোৱে গুলীয়াবলৈ বাধ্য হয়। এই ঘটনাত দুটা সন্ত্ৰাসবাদী নিহত হোৱা বুলি প্ৰকাশ পাইছে। ইফালে দুদিনৰ পূৰ্বেও ৰাজ্যখনৰ কুলগাম আৰু পুলৱামা জিলাত পাঁচটা সন্ত্ৰাসবাদী নিৰাপত্তাৰক্ষীৰ গুলীত নিহত হৈছিল। এনেকৈয়ে ৰাজ্যখনত পাক সমৰ্থিত উগ্ৰপন্থীৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰা হৈছে। যাৰ বাবে আত্মগোপনকাৰী উগ্ৰপন্থীৰ মাজত সৃষ্টি হৈছে হাহাকাৰ পৰিস্থিতিৰ।

## দিল্লী আৰক্ষীৰ ড্ৰাগছবিৰোধী অভিযান


### ২,৫০০ কোটি মূল্যৰ ৩৫৪ কেজি হেৰ'ইন জব্দ

**নতুন দিল্লী, ১০ জুলাই ঃ** দিল্লী আৰক্ষীৰ বিশেষ কোষৰ অভিযানত জব্দ কৰা হৈছে ৩৫৪ কেজি হিৰোইন। অতি উন্নতমানৰ এই হিৰোইনখিনিৰ মূল্য ২৫০০ কোটিতকৈ অধিক হ'ব বুলি কোৱা হৈছে। এই ঘটনাত জড়িত থকাৰ অভিযোগত চাৰিজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰে তিনিটা হ'ল হাৰিয়ানাৰ আৰু এটা হ'ল দিল্লী প্ৰদেশৰ। আৰক্ষীৰ বিশেষ কোষৰ এই বৃহৎ সাফল্যই দিল্লী, হাৰিয়ানা, উত্তৰ প্ৰদেশ আৰু ৰাজস্থানৰ সৈতে জড়িত থকা ড্ৰাগছ সৰবৰাহৰ এক বৃহৎ চিণ্ডিকেট উৎখাত হোৱা বুলিব পাৰি। উক্ত ৰাজ্যকেইখনৰ পৰা বিভিন্ন স্থানলৈ নিষিদ্ধ নিচাজাতীয় সামগ্ৰী সৰবৰাহ কৰা হয়। শনিবাৰে এক সংবাদ মেলৰ জৰিয়তে দিল্লী আৰক্ষীৰ বিশেষ কোষৰ মূৰব্বী নিৰজ ঠাকুৰে কয় যে যোৱা এমাহতকৈ অধিক কাল ড্ৰাগছৰ বিৰুদ্ধে দিল্লী আৰক্ষীয়ে নিৰন্তৰ অভিযান চলাই আছে। এই ড্ৰাগছসমূহ আফগানিস্তানৰ পৰা ভাৰতলৈ সৰবৰাহ কৰা হৈছে। মুম্বাইৰ পৰা দিল্লীলৈ সাগৰীয় পথেৰে ড্ৰাগছসমূহ সৰবৰাহ কৰা হৈছে। কেতবোৰ গোপন ব্যৱস্থাৰে ড্ৰাগছসমূহ কঢ়িয়াই অনা হৈছে। মধ্যপ্ৰদেশৰ শিৱপুৰী নামৰ স্থানত অৱস্থিত এটা কাৰখানাত এই ড্ৰাগছসমূহ শোধন কৰা হয়। পিছত সৰু সৰু পেকেট প্ৰস্তুত কৰি ড্ৰাগছসমূহ বিভিন্ন ৰাজ্যলৈ প্ৰেৰণ কৰা হয়। ফৰিদাবাদত এটা বিল্ডিং ভাৰাত লোৱা হৈছে কেৱল এই ড্ৰাগছসমূহ লুকুৱাই ৰাখিবৰ বাবে। ড্ৰাগছ সৰবৰাহৰ সৈতে জড়িত মূল ব্যক্তিজন আফগানিস্তানত বাহৰ পাতি আছে। এই ড্ৰাগছৰ একাংশ পাঞ্জাৱ, উত্তৰাখণ্ড,. জম্মু-কাশ্মীৰ আদিলৈয়ো চালান দিয়া হয়। আৰক্ষী বিষয়া ঠাকুৰৰ মতে মূলতঃ পাক উগ্ৰপন্থীৰ হে ধন সংগ্ৰহৰ বাবেই এনেদৰে নিষিদ্ধ দ্ৰাগছৰ বেহা চলাই থকা হৈছে ভাৰতত বিগত মাহতো নাৰ্ক'টিক কণ্ট্ৰ'ল ব্যুৰ'ৰ দ্বাৰা দিল্লীত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ সৰবৰাহকাৰী এটা চক্ৰ উৎখাত কৰা হৈছিল। উক্ত ঘটনাত জড়িত থকাৰ অভিযোগত আঠজন লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। লগতে ২২ লাখ নিচাজাতীয় টেবলেট আৰু ২৪৫ কেজি ড্ৰাগছ উদ্ধাৰ কৰা হৈছিল। এনেকৈয়ে দিল্লীত ড্ৰাগছ বিৰোধী অভিযান তীব্ৰতৰ কৰি তোলা বুলি কোৱা হৈছে।



## লছ এঞ্জেলছৰ মেয়ৰ এৰিক গাৰ্ছেট্টি হ'ব ভাৰতত ৰাষ্ট্ৰদূত

**ৱাশ্বিংটন, ১০ জুলাই ঃ** লছ এঞ্জেলছৰ মেয়ৰ এৰিক গাৰ্ছেট্টি হ'ব আমেৰিকা যুক্তৰাষ্ট্ৰৰ হৈ ভাৰতত ৰাষ্ট্ৰদূত। দেশখনৰ ৰাষ্ট্ৰপতি জ' বিডেনে তেওঁক ভাৰতৰ ৰাষ্ট্ৰদূত হিচাপে নিযুক্ত কৰিছে। এইজন এৰিক হ'ল বিগত ৰাষ্ট্ৰপতি নিৰ্বাচনৰ সময়ত জ' বিডেন আৰু কমলা হৰিশ যুটীৰ নিৰ্বাচনী প্ৰচাৰ সমিতিৰ অন্যতম সহ-আহ্বায়ক। ৰাষ্ট্ৰপতি বিডেনৰ ঘনিষ্ঠ হিচাপে পৰিচিত এৰিকে বতৰ বিজ্ঞান আৰু পাৰিপাৰ্শ্বিক পৰিৱৰ্তনৰ বিষয়ত এজন বিশেষজ্ঞ হিচাপে পৰিচয় লাভ কৰিছে। তেওঁৰ জৰিয়তেই পেৰিছ ক্লাইমেট এগ্ৰিমেণ্ট গ্ৰহণ কৰা হৈছিল। সেয়েহে এৰিক এই সন্মান প্ৰদান কৰিছে ৰাষ্ট্ৰপতি বিডেনে।



### দিল্লী প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ ঘোষণা

## শব্দ প্ৰদূষণৰ বাবে ভৰিব লাগিব এক লাখ টকাৰ জৰিমনা

**নতুন দিল্লী, ১০ জুলাই ঃ** প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে দিল্লী চৰকাৰে গ্ৰহণ কৰিছে কঠোৰ পদক্ষেপ। বিশেষকৈ শব্দ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে দিল্লী প্ৰদূষণ নিয়ন্ত্ৰণ সমিতিয়ে এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি প্ৰকাশ পাইছে। সেই অনুসৰি প্ৰদূষণ নীতি ভংগ কৰিলে যিকোনো ব্যক্তি বা প্ৰতিষ্ঠানে এক লাখ টকা পৰ্যন্ত জৰিমনা ভৰিব লাগিব। দিল্লী চৰকাৰে শব্দ প্ৰদূষণৰ সৰ্বাধিক প্ৰাবল্যৰ সীমাৰেখা নিৰূপণ কৰি দিছে। ইয়াতকৈ অধিক শব্দ প্ৰদূষণ হ'লে বা শব্দ প্ৰদূষণৰ বিভিন্ন সা-সৰঞ্জাম ব্যৱহাৰ কৰিলে নিশ্চিতভাৱে জৰিমনা আদায় দিব লাগিব। প্ৰদূষণ নিয়ন্ত্ৰণ সমিতিয়ে এই নতুন নীতি প্ৰস্তুত কৰি ইতিমধ্যে বলবৎ কৰিবলৈ সিদ্ধান্ত লৈছে। পূৰ্বে আতচবাজী বা তেনেধৰণৰ শব্দ প্ৰদূষণৰ বাবে এহেজাৰ টকা মাছুল জৰিমনা হিচাপে আদায় দিব লাগিছিল। কিন্তু দ্বিতীয়বাৰলৈ যদিহে একেই আইন উলংঘা কৰে তেনেহ'ল জৰিমনাৰ মাচুল দহ হেজাৰ টকা হ'বগৈ। ইয়াৰ পিছতো যদিহে লাউড স্পীকাৰ আদিৰ জৰিয়তে শব্দ প্ৰদূষণ সৃষ্টি কৰা হয়, বিশেষকৈ ডিজেল ইঞ্জিন ব্যৱহাৰ কৰি, তেনেহ'লে এক লাখ টকালৈকে আদায় দিব লাগিব জৰিমনা হিচাপে। ডিজেল জেনেৰেটৰ আৰু লাউড স্পীকাৰসহ যদিহে ১০০০ কে ভি এ শব্দ প্ৰদূষণ সৃষ্টি কৰা হয় তেনেহ'লে এক লাখ টকালৈকে জৰিমনা দিব লাগিব। আনহাতে বিভিন্ন নিৰ্মাণ সামগ্ৰীৰ জৰিয়তে গৃহ নিৰ্মাণ বা তেনেধৰণৰ কাৰ্যৰ সময়ত অধিক শব্দৰ উৎপন্ন হ'বলৈ দিয়া হয় তেতিয়া পঞ্চাশ হাজাৰ টকালৈকে জৰিমনা আদায় দিব লাগিব। মুঠৰ ওপৰত দুচকীয়া-চাৰিচকীয়া বাহনৰ হৰ্ণ আদিৰ পৰা আৰম্ভ কৰি ৰাজহুৱা স্থানত লাউডস্পীকাৰ স্থাপন কৰি বা বিভিন্ন গৃহ নিৰ্মাণত অতিশয় শব্দ সৃষ্টিৰে পৰিৱেশ বিঘ্নিত কৰা হয় তেনেহ'লে নিশ্চিতভাৱে উচ্চ নিৰিখৰ জৰিমনা আদায় দিবই লাগিব বুলি দিল্লী প্ৰদূষণ নিয়ন্ত্ৰণ সমিতিয়ে স্পষ্ট কৰি দিছে।



## তামিলনাডুত ১৯ জুলাই পৰ্যন্ত বৃদ্ধি কৰা হ'ল লকডাউন

### দক্ষিণৰ এই ৰাজ্যখনত হঠাতে বৃদ্ধি হৈছে ক'ভিড সংক্ৰমণ



**চেন্নাই, ১০ জুলাই ঃ** তামিলনাডুত ক'ভিড সংক্ৰমণ হ্ৰাস পোৱা নাই। সেয়েহে ৰাজ্য চৰকাৰে ১৯ জুলাই পৰ্যন্ত লকডাউন বাহাল ৰখাৰ সিদ্ধান্ত সদৰী কৰিছে। এতিয়া ৰাজ্যখনত গড় দৈনিক তিনি হাজাৰজন আক্ৰান্ত হৈ আছে। শুকুৰবাৰৰ দিনটোত ৩৩ হাজাৰতকৈ অধিক সক্ৰিয় ক'ভিড আক্ৰান্ত আছে তামিলনাডুত। দৈনিক ক'ভিড টেষ্ট কৰা হৈছে গড়ে ডেৰ লাখ লোকৰ। আৰম্ভণিৰ পৰা বৰ্তমানলৈকে তামিলনাডুত ২৫.১৩ লাখ লোক ক'ভিড ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হৈছে। অৱশ্যে ইয়াৰে ২৪.৪৬ লাখ লোক ক'ভিডত আক্ৰান্ত হোৱাৰ পিছত আৰোগ্য হ'বলৈ সক্ষম হৈছে। আনহাতে ৩৩ হেজাৰতকৈ অধিক লোক মৃত্যুমুখত পৰিছে। নতুন ক'ভিড লকডাউন বিধি অনুসৰি পূৰ্বৰ কঠোৰতা কিছু শিথিল কৰি দিয়া হৈছে। সকলোবোৰ দোকান পোহাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠান সন্ধিয়া আঠ বজালৈকে খোলা ৰাখিব পাৰিব। বাছসমূহ দিনৰ ভাগত অব্যাহত থাকিব আধাসংখ্যক যাত্ৰীৰ জৰিয়তে। হোটেল, চাহদোকান, বেকাৰী, পথৰ কাষৰ দোকান আদি সন্ধিয়া ন বজালৈকে পঞ্চাশ শতাংশ কৰ্মীৰ দ্বাৰা চলাই ৰাখিব পাৰিব। অহা ১২ জুলাইৰ পৰা এই নতুন ক'ভিড বিধি কাৰ্যকৰী হ'ব। অৱশ্যে বিবাহ আদি মাংগলিক কাৰ্যত পূৰ্বৰ দৰে পঞ্চাশজনৰ উপস্থিতিৰে সম্পন্ন কৰিব পাৰিব। আনহাতে মৃতকৰ সৎকাৰৰ সময়ত কেৱল ২০ জন লোকহে উপস্থিত থাকিব পাৰিব বুলি কোৱা হৈছে।

## জম্মু-কাশ্মীৰত মূষলধাৰ বৰষুণ, ভূমিস্খলন

### ৰাষ্ট্ৰীয় ঘাইপথত আবদ্ধ যান-বাহন

**শ্ৰীনগৰ, ১০ জুলাই ঃ** জম্মু-কাশ্মীৰত মুষলধাৰ বৰষুণে কিছু অঞ্চলত স্বাভাৱিক জীৱনযাত্ৰা স্তব্ধ কৰিছে। বিশেষকৈ জম্মু আৰু শ্ৰীনগৰ সংযোগী ৰাষ্ট্ৰীয় ঘাইপথত ভূমিস্খলনৰ বাবে যান বাহনৰ দীঘলীয়া শাৰী দেখা গৈছে। উল্লেখ্য যে মাগাৰকোট আৰু ৰামছো অঞ্চলৰ ৰাষ্ট্ৰীয় পথত ভূমিস্খলনৰ বাবে যাতায়াত বন্ধ হৈ পৰা বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে। মূষলধাৰ বৰষুণৰ বাবে পানীৰ ঢল নামি আহি পাহাৰৰ মাটি খনন কৰাৰ বাবেই ৰামবন জিলাত কমেও পাঁচ শতাধিক যান বাহন আবদ্ধ হৈ পৰিছে। ২৭০ কিলোমিটাৰ দৈৰ্ঘ্যৰ সকলো বতৰৰ বাবে উপযোগী তথা জম্মুৰ পৰা কাশ্মীৰ সংযোগী পথটো দেশৰ অন্যান্য স্থানৰ সৈতে সংযোগ বিচ্ছিন্ন হৈ পৰিছে। উক্ত পথটোৰ ৰামছু অঞ্চল আৰু মাগাৰকোট বেল্টত ভয়ানক ভূমিস্খলনে যাতায়াত বন্ধ কৰি ৰাখিছে। পাঁচ শতাধিক গধুৰ যান বাহনৰ উপৰিও পাতলীয়া যান বাহন আদিও উক্ত পথটোত আৱদ্ধ হৈ আছে। ভূমিস্খলনৰ বাবে আৱদ্ধ হৈ পৰা লঘু যান বাহনসমূহক উক্ত স্থানৰ পৰা উভতি গৈ বানীহল বা ৰামবন অঞ্চলৰ মাজেৰে নিজৰ গন্তব্য স্থানলৈ যাবৰ বাবে প্ৰশাসন ব্যৱস্থা কৰি দিছে। কোনোধৰণৰ নতুন যানবাহন নাশ্ৰী অঞ্চলৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথেৰে শ্ৰীনগৰ অভিমুখে যাত্ৰা কৰিবলৈ অনুমতি দিয়া হোৱা নাই। একেদৰে বানীহাল অঞ্চলৰ পৰা ৰামবনৰ অভিমুখেও যাবলৈ দিয়া হোৱা নাই। ভীষণ যানজঁট আৰু গাড়ীৰ দীঘলীয়া শাৰী হ্ৰাস কৰিবলৈ আৰক্ষীয়ে উক্ত পথটো স্থায়ীভাৱে বন্ধ কৰি দিছে। আগন্তুক দহ-বাৰ ঘণ্টাৰ ভিতৰত খহি পৰা মাটি উঠাই আনি পথটো যাতায়াতৰ বাবে উপযোগী কৰি তুলিব পাৰিব বুলি আশা কৰা হৈছে।






## হাইটিৰ ৰাষ্ট্ৰপতিক হত্যাৰ পিছত অনিশ্চয়তাত দেশবাসী

### স্থায়ী সম্পদৰ সুৰক্ষাৰ আহ্বান ৰাষ্ট্ৰসংঘ, আমেৰিকা যুক্তৰাষ্ট্ৰক

**বাগোটা, ১০ জুলাই ঃ** হাইটিৰ ৰাষ্ট্ৰপতি জুভেইনিল মইজক নিজৰ ঘৰতে বহিঃৰাষ্ট্ৰৰ বন্দুকধাৰীয়ে গুলীয়াই হত্যা কৰাৰ পিছত দেশখনৰ সাধাৰণ ৰাইজ নিৰাপত্তাৰ ক্ষেত্ৰত চৰম অনিশ্চয়তাত ভুগিছে। যদিও ১৫ দিনৰ বাবে দেশখনত জৰুৰীকালীন অৱস্থা ঘোষমা কৰা হৈছে তথাপি দেশখনৰ স্থায়ী সম্পদসমূহ সুৰক্ষাৰ বাবে ৰাষ্ট্ৰসংঘ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সহায়, সমৰ্থন বিচৰা হৈছে। দেশখনৰ মন্ত্ৰী মেথিয়াছ পাইৰিয়ে ইতিমধ্যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিৰাপত্তা সচিবৰ সৈতে যোগাযোগ কৰি এই কথা প্ৰকাশ কৰিছে। দেশখনৰ অন্তৰ্বৰ্তীকালীন প্ৰধানমন্ত্ৰী ক্লাউডী যোচেফ আৰু আমেৰিকাৰ আভ্যন্তৰীণ নিৰাপত্তা সচিব এণ্টনি ব্লিংকেনৰ সৈতে এইক্ষেত্ৰত বাৰ্তালাপ কৰিছে। তেওঁ আনকি ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানৰ সৈতেও এইক্ষেত্ৰত আলোচনা কৰা বুলি প্ৰকাশ পাইছে। দেশখনৰ মূল পৰিকাঠামোত যাতে বিশেষকৈ বিমান বন্দৰত, সাগৰীয় বন্দৰ আদিত শত্ৰুৱে আক্ৰমণ কৰি ক্ষতি কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি আমেৰিকা আৰু ৰাষ্ট্ৰসংঘৰ পৰা সহায় বিচৰা দেখা গৈছে।



## জাপানত দশকটোৰ দুৰ্যোগপূৰ্ণ বান

### ১.২ লাখ লোকক স্থানান্তৰ

**টকিঅ', ১০ জুলাই ঃ** জাপানত চলিত বৰ্ষত মূষলধাৰ বৰষুণৰ ফলত কৃত্ৰিম বানপানীয়ে জনজীৱন স্তব্ধ কৰি তোলা দেখা গৈছে। আনকি দশকটোৰ সৰ্বাধিক পৰিমাণে ক্ষয় ক্ষতি হোৱা বুলিও উল্লেখ কৰা হৈছে। শেহতীয়াকৈ এক লাখ বিছ হাজাৰতকৈ অধিক লোকক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰা হৈছে। জাপানৰ বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা তথ্য অনুসৰি আগন্তুক সময়ত টকিঅ'ৰ পৰা দক্ষিণ অঞ্চলৰ আটামী নামৰ স্থানত অধিক পৰিমাণে বৰষুণ হোৱাৰ সম্ভাৱনা আছে। গতিকে স্থানীয় আৱাসীসকলক নিৰাপদ স্থানলৈ প্ৰেৰণ কৰিবলৈ চৰকাৰক নিৰ্দেশ দিয়া হৈছে। ইয়াৰ বাবেই শনিবাৰে পুৱাৰে পৰা লক্ষাধিক লোকক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰা হৈছে। ইয়াৰ পূৰ্বেও কায়ুছু অঞ্চলত সংঘটিত হৈছিল একেধৰণৰ প্ৰাকৃতিক দুৰ্যোগ। বৰষুণৰ ফলত পাহাৰীয়া অঞ্চলৰ মাটি খহি আহি স্থানীয় বাসিন্দাসকলৰ ঘৰ-দুৱাৰ বিধ্বস্ত কৰি দিয়া বুলি প্ৰকাশ পাইছে। এসপ্তাহতকৈ অধিক কাল ধাৰাসাৰ বৰষুণ অব্যাহত থকাৰ বাবে ন জন লোকৰ মৃত্যু হোৱাৰ লগতে অন্য বিছজন লোক বৰ্তমানলৈ নিৰুদ্দিষ্ট হৈ আছে বুলি প্ৰকাশ পাইছে। গতিকে আগন্তুক সময়ত যাতে অধিক ক্ষয়-ক্ষতি হ'ব নোৱাৰে তাৰ বাবেই আগতীয়াকে সতৰ্কতামূলক ব্যৱস্থা ল'বলৈ জাপানৰ বতৰবিজ্ঞান সংস্থাই চৰকাৰ তথা বাসিন্দাসকলৰ প্ৰতি জনাইছে আহ্বান।



## ২২ জুলাইৰ পৰা সংসদ ভৱনৰ কাষত কৃষকৰ প্ৰতিবাদ

### কৃষি আইন বাতিলৰ দাবীত অটল

**নতুন দিল্লী, ১০ জুলাই ঃ** তিনিখন কৃষি আইন বাতিলৰ দাবীত বিগত বৰ্ষৰ পৰা চলাই থকা অবিৰত প্ৰতিবাদী কাৰ্যসূচী এতিয়াও অব্যাহত আছে। সংযুক্ত কিষাণ মৰ্চাৰ নেতৃত্বত সমবেত হোৱা চল্লিশটা কৃষক সংগঠনৰ প্ৰতিনিধিয়ে অহা ২২ জুলাইৰ পৰা সংসদভৱনৰ দুৱাৰমুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিব। এই কাৰ্যসূচীত দেশৰ বিভিন্ন স্থানৰ পৰা অহা ২০০ কৃষক প্ৰতিনিধিক উপস্থিত থাকিবলৈ অনুমতি প্ৰদান কৰা হৈছে। প্ৰতিবাদী কৃষকৰ নেতা ৰাকেশ টিকায়তে কয় যে বিৰোধী দলৰ সাংসদসকলক কৃষকৰ প্ৰতিবাদ আৰু কৃষি আইন বাতিলৰ বিষয়টো সদনৰ বাহিৰে-ভিতৰে উত্থাপন কৰিবলৈ আহ্বান জনোৱা হৈছে। তাৰ অংশ হিচাপেই কৃষকসকলেও সংসদভৱনৰ বাহিৰত এই প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰাখিব। অৱশ্যে কৃষিমন্ত্ৰীয়ে প্ৰতিবাদ সমাপ্ত কৰিবলৈ আহ্বান জনাইছে কৃষকসকলক।





*ক'ভিডৰ শংকা নাই, চীনৰ ষ্টেণ্ডং প্ৰদেশত ৰিজাঅ' নগৰৰ সমীপৱৰ্তী সাগৰ তীৰত স্থানীয় বাসিন্দাৰ উলহ-মালহ পৰিৱেশ*

## হেলেম ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ নৱ-নিযুক্ত ৰাজহ চক্ৰ বিষয়া লুকুমণি বৰাৰ সাংবাদিকৰে মত বিনিময়

**ৰাইজৰ আৱেদনক আন্তৰিকতাৰে লৈ খৰতকীয়াকৈ কাম কৰাৰ ওপৰত গুৰুত্ব প্ৰদান**

# দুৰ্নীতিমুক্ত হ’ব ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুবিয়া, ১০ জুলাই ঃ** গহপুৰ মহকুমাৰ অন্তৰ্গত হেলেম ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যলয়ত ৰাজহ চক্ৰ বিষয়া হিচাপে নতুনকৈ যোগদান কৰা লুকুমণি বৰা(এ চি এছ)ই আজি গহপুৰ জিলা সাংবাদিক সন্থাৰ সাংবাদিকসকলৰ লগত সৌহাদ্যপূৰ্ণভাৱে এক মত বিনিময় কাৰ্যসূচী অনুষ্ঠিত কৰি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰে। গহপুৰ জিলা সাংবাদিক সন্থাৰ সাংবাদিক সকলক আদৰণি জনাই চক্ৰ বিষয়াগৰাকীয়ে কয় যে হেলেম ৰাজহ চক্ৰ এলেকাৰ ইতিহাস প্ৰসিদ্ধ ঠাই সমূহক সমল হিচাপে লৈ এক লিখনি প্ৰতিযোগিতা অনুষ্ঠিত কৰি বৃহত্তৰ অঞ্চলটোৰ ঐতিহাসিক ঠাই আৰু কৃতী চিহ্নসমূহৰ তাৎপৰ্যক অধিক প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ ওপৰত তেওঁ গুৰুত্ব প্ৰদান কৰিব। পৰিস্থিতি অনুসৰি অনলাইন বা অফলাইন পদ্ধতিৰে অনুষ্ঠিত কৰাৰ চিন্তা-চৰ্চা কৰা এই লিখনি প্ৰতিযোগিতাত প্ৰথম,দ্বিতীয় আৰু তৃতীয় স্থান পোৱা প্ৰতিযোগীসকলক ১৫ আগষ্ট,২৬ জানুৱাৰীৰ দৰে পবিত্ৰ অনুষ্ঠান সমূহত পুৰস্কৃত কৰাৰ কথাও তেওঁ উল্লেখ কৰে। চৰকাৰী কামৰ মেটমৰা বোজাৰ মাজত সময় উলিয়াই তেওঁ এনেধৰণৰ কাৰ্যসূচীৰ জৰিয়তে এক নতুনত্ব অনাৰ প্ৰয়াস কৰাৰ কথা সাংবাদিক সকলৰ আগত প্ৰকাশ কৰে। কেৱল লিখনি প্ৰতিযোগিতাই নহয় মাজে সময়ে কাব্য-সাহিত্যৰ চৰ্চা, কুইজ, চিত্ৰাংকণ আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰে চক্ৰ বিষয়া লুকুমণি বৰাই। নৱনিযুক্ত ৰাজহ চক্ৰ বিষয়া লুকুমণি বৰাৰ এই ইতিবাচক আৰু গঠনমূলক চিন্তাক আন্তৰিকতাৰে আদৰণি জনাই উপস্থিত সাংবাদিকসকলে তেওঁৰ এনেধৰণৰ গঠনমূলক কামত গহপুৰ জিলা সাংবাদিক সন্থাই সম্পূৰ্ণৰূপে সহায় আৰু সহযোগিতা আগবঢ়াব বুলি উল্লেখ কৰে। তদুপৰি সাংবাদিকসকলে হেলেম ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত চলি অহা ব্যাপক দুৰ্নীতি আৰু অনিয়মৰ সন্দৰ্ভত ভুক্তভোগী ৰাইজে স্থানীয় সাংবাদিকসকলক দি অহা অভিযোগৰ সম্পৰ্কতো চক্ৰ বিষয়াগৰাকীক অৱগত কৰে।আধা ঘণ্টাৰ ভিতৰতে সম্পন্ন হ’বলগীয়া এটা সাধাৰণ কামৰ বাবে কেনেদৰে একাংশ লাটমণ্ডলে মাহৰ পিছত মাহ দৌৰাই থাকে সেই বিষয়েও উল্লেখ কৰে সাংবাদিকসকলে। একাংশ লাটমণ্ডলৰ মইমতালীৰ বাবে চাৰি-পাঁচবছৰ পৰ্যন্ত মাটি কিনা বেচাৰ অনুমতি জনাই কৰা আবেদনৰ ফাইল ইফাল-সিফাল নোহোৱাৰ উদাহৰণ থকাৰ কথাও সাংবাদিক সকলে চক্ৰ বিষয়াগৰাকীক জানিবলৈ দিয়ে। এইক্ষেত্ৰত সাংবাদিক সকলে স্পষ্টভাৱে কয় যে মাটি-বাৰী সংক্ৰান্তীয় যি কোনো এটা কামৰ বাবে আবেদন জনোৱা সংশ্লিষ্ট আবেদনকাৰীগৰাকী যদি সেই আবেদনৰ বাবে যোগ্য কিম্বা আবেদনৰ লগত গাঁঠি দিবলগীয়া সংযোগী নথি-পত্ৰ সকলো ঠিকেই আছে তেন্তে সেই আবেদনকাৰীগৰাকীক হকে বিহকে চোঁচৰাই থকাৰ কোনো যুক্তি নাই। তদুপৰি সংশ্লিষ্ট কামৰ বাবে আবেদনৰ লগত গাঁঠি দিবলগীয়া সংযোগী নথিৰ পৃথক পৃথক তালিকা কাৰ্যালয়টোৰ বাৰন্দাত সকলোৰে দেখাকৈ আঁৰি থ’ব লাগে। যাতে আবেদনকাৰীসকলে সংযোগী নথিসমূহ ঘৰৰ পৰাই সাজু কৰি আনিব পাৰে। কামৰ ভিৰ দেখুৱাই আবেদনকাৰীসকলক অযথা হাৰাশাস্তি খুৱাই থকাটো মুঠেই গ্ৰহণ যোগ্য নহয় বুলি সাংবাদিকসকলে মত প্ৰকাশ কৰে। ভুক্তভোগী ৰাইজৰ অভিযোগৰ ভিত্তিত সাংবাদিকসকলে কোৱা প্ৰতিটো বিষয়বস্তুক গুৰুত্ব সহকাৰে লৈ নবনিযুক্ত ৰাজহ চক্ৰ বিষয়া লুকুমনি বৰাই কয় যে এতিয়াৰে ৰাইজৰ আবেদনক আন্তৰিকতাৰে লৈ খৰতকীয়াকৈ কাম সম্পন্ন কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি দুৰ্নীতিমুক্ত কৰি তোলা হ’ব চক্ৰ বিষয়া কাৰ্যালয়টো। এইক্ষেত্ৰত চক্ৰ বিষয়াগৰাকীয়ে আৰু কয় যে কোনো সংকোচ নকৰাকৈ তেওঁৰ কাৰ্যালয় কোঠালৈ আহিব পাৰিব প্ৰতিগৰাকী আবেদনকাৰী। জনাব পাৰিব তেওঁলোকৰ প্ৰতিটো অভিযোগ। উল্লেখযোগ্য যে, জমাবন্দী, ট্ৰেছ মেপ, নামজাৰী, মাটি কিনা- বেচাৰ অনুমতি, শ্ৰেণী পৰিৱৰ্তন, বাটোৱাৰা, উত্তৰাধিকাৰী সূত্ৰে নামজাৰীকে ধৰি প্ৰতিটো কামৰ বিনিময়ত ধনৰ লেনদেন চলি অহাৰ দীৰ্ঘদিনৰে পৰা অভিযোগ আছে হেলেম ৰাজহ চক্ৰ কাৰ্যালয়ৰ বিৰুদ্ধে। তদুপৰি তিনিগৰাকী মধ্যভোগী দালালক হাথিয়াৰ হিচাপে লৈ লুটৰাজ চলাই আহিছে একাংশ লাটমণ্ডলে। অকৰ্তৃত্বশীলভাৱে দিনৰ দিনটো কাৰ্য্যলয়টোৰ ভিতৰত থাকি বিভিন্ন গুৰুত্বপূৰ্ণ ফাইল ইফাল-সিফাল কৰি অহা উক্ত মধ্যভোগী তিনিগৰাকীয়ে লাটমণ্ডলৰ নামত ধন লোৱাৰ অভিযোগ সাংবাদিকৰ হাতত মজুত আছে। কাৰ আৰ্শীবাদত তেওঁলোকে লাটমণ্ডলৰ নামত ধন লবলৈ সাহস কৰি আহিছে সেয়া উপযুক্ত তদন্ত কৰিলেই জোলোঙাৰ মেকুৰী ওলাই পৰিব। আচৰিত কথা এয়ে যে অকতৃত্বশীল এই তিনিগৰাকী মধ্যভোগীৰ হাতত কাৰ্যালয়টোৰ বহু চৰকাৰী ফাইল গহপুৰ মহকুমাধিপতি কাৰ্যালয় আৰু বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়লৈ পঠোৱাৰো নজিৰ আছে। উল্লেখযোগ্য যে এটা চৰকাৰী কাৰ্যালয়ৰ মূল বিষয়াগৰাকীৰ চিন্তাধাৰা, প্ৰশাসনিক ব্যৱস্থা আৰু কঠোৰ অনুশাসনৰ ওপৰত সংশ্লিষ্ট কাৰ্যালয়টোৰ বহুখিনি ইতিবাচক আৰু নেতিবাচক দিশ নিৰ্ভৰ কৰে। নিষ্ঠা আৰু সততাৰে ৰাইজৰ বাবে সেৱা আগবঢ়াবলৈ এটা সংস্কাৰী মন লৈ গঠনমূলক আৰু ইতিবাচক চিন্তা আগত ৰাখি কাৰ্যালয়টোত যোগদান কৰা হেলেম ৰাজহ চক্ৰৰ নৱনিযুক্ত চক্ৰ বিষয়া লুকুমণি বৰাৰ সৰল নেতৃত্বত কাৰ্যালয়টোৱে এক নতুন গতি লাভ কৰিব বুলি সকলোৱে আন্তৰিকতাৰে আশা প্ৰকাশ কৰিছে। কাৰ্যালয়টোত যোগদান কৰিয়েই তেওঁ গ্ৰহণ কৰিব বিচৰা ইতিবাচক পদক্ষেপসমূহক গহপুৰ জিলা সাংবাদিক সন্থাই আদৰণি জনাইছে। নৱাগত বিষয়াগৰাকীক আজি উক্ত অনুষ্ঠানৰ জৰিয়তে গহপুৰ জিলা সাংবাদিক সন্থাই এখন ফুলাম গামোচাৰে সম্ভাষণ জনায়।

## পঞ্জাব নেচনেল বেংক নগাঁও শাখাত চৰম অৰাজকতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১০ জুলাই ঃ** এটা সময় আছিল চিট ফাণ্ডত অতি কষ্টৰে সাধাৰণ ৰাইজে জমা কৰা টকা কেইটা সুৰক্ষিত নাছিল। সাধাৰণ গ্ৰাহকৰ কষ্টোপাৰ্জিত টকা কেইটা এই চিট ফাণ্ডে সমুলঞ্চে খাই দিছিল। ঠিক সেইদৰে এতিয়া যেন ৰাষ্ট্ৰীয়কৃত বেংক সমূহতো সাধাৰণ গ্ৰাহক শ্ৰেণীৰ সাচতীয়া জমা ধন কেইটাও সুৰক্ষিত নহয়। সুৰক্ষিত নহয় আকৌ বেংক বিষয়াৰ হঠকাৰীতা আৰু অৰাজকতাৰ পৰাও। তেনে এক ঘটনাই সংঘটিত হৈছে নগাঁও পাঞ্জাৱ নেচনেল বেংকৰ হয়বৰগাঁৱত অৱস্থিত বেংকটোৰ ভিতৰচৰাত। নগাঁও চহৰ নিবাসী এগৰাকী গ্ৰাহকৰ পৰা বেংকটোৰ কৰ্তৃপক্ষই গ্ৰাহকৰ পাচবুকত নিম্নতম ২০০০ টকা পাচবুকত জমা থাকিব বুলি বাধ্যতামূলক বুলি কোৱাৰ পিছত পাঞ্জাৱ নেচনেল বেংক নগাঁও শাখাৰ গ্ৰাহক জনৈক শইকীয়াই তেওঁৰ নিম্নতম বাধ্যতামূলক ধনৰাশি কোনো দিনে বেংকৰ পৰা নোলিওৱাকৈ জমা ৰখাৰ পিছতো বৰ্তমানলৈকে পাঞ্জাৱ নেচনেল বেংকৰ নগাঁও শাখাৰ বিষয়া তথা কৰ্তৃপক্ষৰ অমনোযোগিতাৰ আৰু হঠকাৰীতাৰ ফলতেই সময়-অসময় নাই যেতিয়াই-তেতিয়াই ২৯৫ টকাকৈ তিনিবাৰ, ২৯৪ টকাকৈ এবাৰ, ২৩৬ টকাকৈ চাৰিবাৰ, ১৭৭ টকাকৈ চাৰিবাৰ, ১১৮ টকাকৈ দুবাৰ, ৮৮ টকাকৈ এবাৰ, ৬৬ টকাকৈ এবাৰ, ৫১ টকাকৈ এবাৰ, ১৮ টকাকৈ ওঠৰবাৰকৈ আদি নিৰিখত কেইবাবাৰো বেংক কৰ্তৃপক্ষই সাচতীয়া টকাৰ পৰা কৰ্তন কৰি সৰ্বমুঠ ৩,৬০০ টকা (তিনি হেজাৰ ছশ টকা) বৰ্তমানলৈকে কৰ্তন কৰা কাৰ্যই গ্ৰাহক জনৈক শইকীয়াৰ লগতে বেংকৰ অন্যান গ্ৰাহকসকলৰ মাজতো মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আনকি ২০২১ বৰ্ষৰ মে’ মাহৰ এটা দিনতে গ্ৰাহক জনৈক শইকীয়াৰ পাঞ্জাৱ নেচনেল বেংকৰ নগাঁও শাখাৰ একাউণ্টৰ পৰা ২২ বাৰলৈকে এনেদৰে টকা কৰ্তন কৰা কাৰ্যই গ্ৰাহক গৰাকীৰ চকু কঁপালত তুলিছে। এইক্ষেত্ৰত পাঞ্জাৱ নেচনেল বেংক নগাঁও শাখাৰ গ্ৰাহক জনৈক শইকীয়াই সম্প্ৰতি পাঞ্জাৱ নেচনেল বেংকৰ নগাঁও শাখাৰ প্ৰৱন্ধক আৰু পাঞ্জাৱ নেচনেল বেংকৰ মুখ্য কাৰ্যালয়ৰ মহাপ্ৰবন্ধক পৃঠকে পৃঠকে পত্ৰ প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ ওপৰি বৰ্তমান গ্ৰাহক গৰাকীয়ে পাঞ্জাৱ নেচনেল বেংকৰ নগাঁও শাখাত বেংক পাচবুকখন বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে। এটা ৰাষ্ট্ৰীয়কৃত বেংকতো যদি কষ্টোপাৰ্জিত টকাকেইটা সাচি ৰাখিবৰ বাবে এক হেজাৰ, দুই হেজাৰ টকা জমা দি একাউণ্ট খুলাৰ পাছতো নিজৰ সাচতীয়া পইচাকেইটাও যদি উক্ত বেংকত কৰ্তন হৈ থাকে তেনেহ’লে ৰাষ্ট্ৰীয়কৃত বেংকসমূহৰ ওপৰত সাধাৰণ গ্ৰাহক ৰাইজে কিদৰে বিশ্বাস কৰিব। তাক লৈ এতিয়া সৰ্বত্ৰ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।


অসম চৰকাৰ

## কৃতজ্ঞতা

ক’ভিড-১৯ৰ টিকাকৰণ অভিযানক জনআন্দোলনলৈ ৰূপান্তৰ কৰাৰ বাবে অসম চৰকাৰে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰ্থিক বৰঙণি আগবঢ়োৱা নিম্নোক্ত ব্যক্তি / অনুষ্ঠানৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

| ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি | ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি |
|---|---|---|---|
| গুডৰিক গ্ৰুপ লিঃ | ৩,৬৩,০০০ টকা | হাৰুন অল ৰছিদ | ৬২৪ টকা |
| ষ্টিৰাৰ্ট হল (ইণ্ডিয়া) লিঃ | ৪,০৭,০০০ টকা | কৃষণ কুমাৰ চ’ | ২০০ টকা |
| আমগুৰি ইণ্ডিয়া লিঃ | ৫,২৪,০০০ টকা | জ্ঞানশ্ৰী বৰা | ১০০ টকা |
| কম্বাৰ টি কোঃ প্ৰাঃ লিঃ | ২,৩৭,০০০ টকা | প্ৰিয়ংকা ফুকন | ৩,০০০ টকা |
| দা যোৰহাট গ্ৰুপ লিঃ | ৩,৯৪,০২০ টকা | মিহিৰ ব্ৰহ্ম চৌধুৰী | ১,৫০১ টকা |
| কলনী টি ষ্টেট প্ৰাঃ লিঃ | ১,১৬,৭৩৮ টকা | ৰীতা দুৰৰা | ২,০০০ টকা |
| লক্ষ্মী টি কোঃ প্ৰাঃ লিঃ | ১৩,৫২,৫১০ টকা | ভাস্কৰ ফুকন | ৮,০০০ টকা |
| চিলনীবাৰী টি কোঃ লিঃ | ৮৮,৫১০ টকা | শান্তনু কৌশিক হাজৰিকা | ১৫০ টকা |
| ৱাৰেন টি লিঃ | ৫,০০,০০০ টকা | নিহাৰেন্দু ধৰ | ১,০০০ টকা |
| বটেলি টি কোঃ লিঃ | ১,১১,৯৪৯ টকা | ৰিতেশ ভট্টাচাৰ্য্য | ১,০০১ টকা |
| এমালগেমেটেড প্লাণ্টেশ্বনছ প্ৰাঃ লিঃ | ২৪,০০,০০০ টকা | বিজয় পোদ্দাৰ | ১,০০১ টকা |
| পৰী এগ্ৰ’ ইণ্ডাষ্ট্ৰীছ লিঃ | ১,২৮,২০৩ টকা | লক্ষীপ্ৰভা শৰ্মা | ১,১০০ টকা |
| কল্যাণী টি কোঃ লিঃ | ৭১,০৩৭ টকা | মনীষ কুমাৰ চক্ৰৱৰ্তী | ১,০০১ টকা |
| মৰঙি প্ৰাইভেট লিমিটেড | ৬০,০০০ টকা | পোনাৰাম কছাৰী | ২,০০০ টকা |
| বিচ্ছেশ্বৰলাল মান্নালাল এণ্ড চনছ | ৫০,০০০ টকা | মফিদা আহমেদ | ১,০০০ টকা |
| দয়াপৰী টি এণ্ড ইণ্ডাষ্ট্ৰীছ প্ৰাঃ লিঃ | ৬০,০০০ টকা | সৰোজ ট্ৰেডাৰ্ছ | ২,০০১ টকা |
| ছলন্নাহ টি প্ৰাইভেট লিমিটেড | ১,৯৬,৮২১ টকা | সৌৰভ কলিতা | ১,০০১ টকা |
| সত্যনাৰায়ণ টি কোঃ প্ৰাঃ লিঃ | ৬০,০০০ টকা | ৰমেশ বণিয়া | ১,০০০ টকা |
| জাতিংগা টি লিঃ | ১,২০,০০০ টকা | প্ৰণৱেশ দস্তিদাৰ | ৫০০ টকা |
| ৰাছেল টি | ৫,৪০,৮৬৭ টকা | অনুপম দাস | ১,০০০ টকা |
| গিলাণ্ডাৰ্ছ আৰ্বথনট এণ্ড কোঃ লিঃ | ২,৫০,৯২৯ টকা | প্ৰকাশ চন্দ ভোৰা | ২,১০০ টকা |
| মধুটিং টি প্ৰাইভেট লিমিটেড | ১,০০,০০০ টকা | বৰ্ষা লহিয়া | ৫,০০১ টকা |
| ধুনশ্ৰী টি এণ্ড ইণ্ডাষ্ট্ৰীছ লিঃ | ৬,০০,০০০ টকা | শুভ্ৰজিৎ ভট্ট | ৩০১ টকা |
| বেংগল টি এণ্ড ফেব্ৰিকছ লিঃ | ১,২৯,৪৮৭ টকা | ড° নৱনিতা ভট্টাচাৰ্য্য | ৫,০০০ টকা |
| টাইৰোণ টি কোঃ লিঃ | ১,২০,০০০ টকা | ভুবন চন্দ্ৰ দাস | ১,৫০১ টকা |
| ধুলি টি প্লাণ্টেশ্বনছ প্ৰাঃ লিঃ | ১,৪১,০০০ টকা | পশ্চিম বঙাল পুখুৰী মহিলা সমিতি | ১,০০০ টকা |
| ৰঙামাটি টি এণ্ড ইণ্ডাষ্ট্ৰীছ লিঃ | ৮৯,৭১৫ টকা | কল্পনা গোঁহাই | ১,০০০ টকা |
| জোনাকতলী টি এণ্ড ইণ্ডাষ্ট্ৰীছ লিঃ | ২,০০,০০০ টকা | জয়ন্ত শৰ্মা | ৫,০০০ টকা |
| দা বৰমাহজান টি কো ১৯৩৬ লিঃ | ১,৫০,০০০ টকা | প্ৰিন্স কাকতী | ১,০০০ টকা |
| ধলাই টি কোঃ প্ৰাঃ লিঃ | ৬০,০০০ টকা | নবজিৎ গগৈ | ৭৫১ টকা |
| চেভিয়েট এগ্ৰ’ ইণ্ডাষ্ট্ৰীছ (প্ৰাঃ) লিঃ | ৮৬,৯০০ টকা | অভিজিৎ মণ্ডল | ৭০০ টকা |
| মৰনৈ টি ষ্টেট | ৫০,০০০ টকা | প্ৰভাত চন্দ্ৰ শৰ্মা নেওঁগ | ৩০০ টকা |
| দা স্কটিছ আসাম ইণ্ডিয়া লিঃ | ১,৩৮,৩১৩ টকা | গৌৰ সাহা | ১,০০০ টকা |
| বাদুলিপাৰ লিঃ | ২,১০,০০০ টকা | ড° জয়ন্ত সাউদ | ১,২৩৪ টকা |
| জয়শ্ৰী টি এণ্ড ইণ্ডাষ্ট্ৰীছ লিঃ | ১৪,৬৪,৩০৮ টকা | সুৰেশ কলিতা | ২০১ টকা |
| এম কে জকাই এগ্ৰ’ প্লাণ্টেশ্বনছ প্ৰাঃ লিঃ | ৫,৩০,০০০ টকা | ৰবি সোনাৰ | ৫০১ টকা |
| ধিনদাই টি এণ্ড ইণ্ডাষ্ট্ৰীছ প্ৰাঃ লিঃ | ৬০,০০০ টকা | কৌশিক ডেকা | ৫০১ টকা |
| এপিজে টি লিঃ | ১৯,৯৬,০৫৩ টকা | নবজ্যোতি বণিয়া | ১,০০০ টকা |
| মেকলয়ড ৰাছেল ইণ্ডিয়া লিঃ | ৪৩,৯২,৭৬৬ টকা | ভাৰ্গৱ দাস | ১,২০০ টকা |
| শান্তি নিকেতন জনসেৱা আশ্ৰম | ২০,০০০ টকা | যোৰহাট ফেন্চি কল্থ ষ্টোৰছ | ১১,০০০ টকা |
| শুধৰণি- দলৈৰাম পাঠক কলেজ অৱ টিছাৰ এডুকেশ্বন, টিহু | ১০,০০০ টকা | বাবুলাল গাগৰ | ১,১০০ টকা |
| আৰাধ্য ৰেলফেয়াৰ ছ’চাইটি | ১৭,০০০ টকা | ৰমেশ গাগৰ | ১,১০০ টকা |
| উত্তৰ নুনমাটি | ২,০০০ টকা | দেবতোষ নন্দী | ৬০১ টকা |
| মহম্মদ ছাইদুল ইছলাম | ৫,০০০ টকা | সন্তোষ গাগৰ | ১,১০০ টকা |
| কল্যাণ দে’ | ১০০ টকা | ওম প্ৰকাশ গাগৰ | ১,১০০ টকা |
| আৰাধনা দে’ | ১০০ টকা | তৃষ্ণা দাস | ৮২৫ টকা |
| দত্ত হাৰ্ডৱেৰ | ৫,০০০ টকা | দিলীপ কুমাৰ আগৰৱালা | ১,০০০ টকা |
| টিনলিয়ানথাং ভাইপ | ১,০০,০০০ টকা | প্ৰনৱ পাঠক | ১০১ টকা |
| বিতুপন ৰাইদঙীয়া | ১,১১,১১১ টকা | জয়নাৰায়ণ ভট্টাচাৰ্য্য | ৩০১ টকা |
| তৰুণ চন্দ্ৰ বৰঠাকুৰ | ৬০০ টকা | সুৰজিৎ দে’ | ১,০০০ টকা |
| ভেংকটা সন্দীপ বি | ২০,০০০ টকা | বিজয় চেত্ৰী | ১,০০০ টকা |
| বিদ্যাসাগৰ বৰগোঁহাই | ১,৫০৩ টকা | হৰধন ধৰ | ৩০০ টকা |
| ৰিকি মোহন | ১০১ টকা | ৰূপেন্দ্ৰ চন্দ্ৰ শৰ্মা | ৬,০০০ টকা |
| অৰূপ কলিতা | ১,১১১ টকা | সঞ্জয় চৌধুৰী | ১,২০০ টকা |
| বিকি দেৱনাথ | ১০২ টকা | সঞ্জীৱ কুমাৰ চৌধুৰী | ৩,০০০ টকা |
| প্ৰণকিলা সেন | ১০০ টকা | প্ৰেমলাল শৰ্মা | ৫০১ টকা |
| মেঘনা গৌতম | ২০০ টকা | উৎপল হাজৰিকা | ১০১ টকা |
| মনজিৎ ভুএগ্ৰা | ১,০০০ টকা | নগেন্দ্ৰ প্ৰসাদ শৰ্মা | ১,২০১ টকা |
| অঞ্জন বুঢ়াগোঁহাই | ২,০০০ টকা | জ্যোৰ্তিময়ী দেৱী | ৫০১ টকা |
| | | নৈবৈদ্যনন্দন সোণোৱাল | ৫০০ টকা |
| | | মধু দে’ | ৫,০০০ টকা |

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ একাউণ্ট নম্বৰ ঃ
35969660230 (SBI) IFSC Code: SBIN0010755, PAN: AAAPC4667K

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow Us /@diprassam https://dipr.assam.gov.in/

Janasanyog/D/2412/21


## মাজবাটৰ মোনাই গাঁৱৰ সন্ধানহীন ফুলমতীয়া গৌড়ৰৰ ৪ হত্যাকাৰীক গ্ৰেপ্তাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ১০ জুলাই ঃ** অসম-অৰুণাচল সীমান্তৱৰ্তী লালপানী আৰক্ষী চকীৰ এলেকাৰ ১নং মোনাই গাঁৱৰ সন্ধানহীন হৈ থকা মহিলা এগৰাকীক হত্যা কৰা বুলি অঞ্চলটোত অভিযোগ উত্থাপিত হোৱা চাৰিজন হত্যাকাৰীক যোৱা নিশা লালপানী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। অৱশ্যে যুৱক চাৰিজনে মহিলাগৰাকীক হত্যা কৰি নদীত পেলাই দিয়াত আৰক্ষীয়ে বৰ্তমানেও মহিলাগৰাকীৰ মৃতদেহ বিচাৰি উলিয়াব পৰা নাই। এই জঘন্য কান্দৰ অপৰাধত গ্ৰেপ্তাৰ কৰা যুৱককেইজন হৈছে এক নম্বৰ মোনাই গাঁৱৰ বিচু গোৱালাৰ পুত্ৰ কুমাৰ গোৱালা, বীৰবল গোঁড়ৰ পুত্ৰ সঞ্জয় গোঁড়, কলিমন গোড়ৰ পুত্ৰ বিমল গোঁড় আৰু বেটিবাৰী চাহ বাগিচাৰ জগদীশ গোঁড়ৰ পুত্ৰ বগাই গোঁড়ক আটক কৰি লালপানী আৰক্ষী চকীৰ উপ-প্ৰৰ্দশক ৰাজীৱ গোহাঁইয়ে ভাৰতীয় দণ্ডবিধি আইনৰ অধীনত ৬৪/২০২১/৩০২/২০১/৩৪ নম্বৰত গোচৰ ৰুজু কৰি ফুলমতিয়া গোড়ৰৰ হত্যাকাৰী চাৰিজন যুৱকক আজি ওদালগুৰি জেল হাজোতলৈ প্ৰেৰণ কৰে। উল্লেখ মোনাই গাঁৱৰ ফুলমতিয়া গোঁড় (৫১) নামৰ মহিলাগৰাকী যোৱা ২৫জুনৰ পৰা সন্ধানহীন হৈ আছিল। আৰক্ষী সূত্ৰে জানিবলৈ দিয়া মতে ২৫ জুনত এক নম্বৰ মোনাই গাঁৱৰ নিবাসী নেহেৰু গোঁড়ৰ পুত্ৰ কৃষ্ণ গোঁড়ৰৰ মৃত্যু হোৱাত গাঁৱৰ সকলো ৰাইজৰ লগত উক্ত মহিলাগৰাকীৰ স্বামী ধনসিং গোঁড়ো মৃত যুৱকজনৰ সৎকাৰৰ বাবে শ্মশানলৈ গৈছিল। শ্মশানৰ পৰা দুপৰীয়া প্ৰায় ১ বজাত ঘূৰি আহি পত্নীক ঘৰত দেখা নোপোৱাত ফুলমতিয়া গোঁড়ৰ স্বামীয়ে গাঁৱৰ ইফালে সিফালে বিচাৰ খোচাৰ কৰে যদিও কোনো উৱাদিহ নাপায় ঘৰতে মন মাৰি থাকে। যোৱা দুদিন ধৰি ফুলমতিয়া গোঁড়ৰ সন্ধান নাপায় স্বামী ধনসিং গোড়ে ২৭ জুনত লালপানী আৰক্ষী চকীত ফুলমতিয়া গোঁড় ঘৰৰ পৰা সন্ধানহীন হোৱা বুলি এখন এজাহাৰ দাখিল কৰে। পৰিয়ালৰ লোকে দিয়া এজাহাৰৰ ভিত্তিত লালপানী আৰক্ষী চকীৰ উপ-পৰিদৰ্শক ৰাজীৱ গোহাঁইয়ে মহিলাগৰাকীক বিচাৰি তদন্ত অব্যাহত ৰাখিছিল। কিন্তু পোন্ধৰদিন ফুলমতিয়া গোঁড়ৰ কোনো সন্ধান উলিয়াব পৰা নগ’ল। জানিব পৰা মতে আজি এবছৰ আগতে ১নং মোনাই গাঁৱৰ এটি কিশোৰৰ অসুখ হোৱাত ফুলমতিয়া গোঁড়ে যাদু -মন্ত্ৰ কৰা বুলি উক্ত গাঁৱৰে ৰামো গোঁড় আৰু মোহিত গোঁড়ে গাঁৱৰে একাংশক লগত লৈ গাঁৱত মেল আয়োজন কৰি মহিলা গৰাকীক ঘৰৰ পৰা মাতি আনি দাইনী সজাই মাৰপিট কৰিছিল। ইয়াৰ উপৰিও গাঁৱৰ লোকসকলে ফুলমতিয়া গোঁড়ক ভৱিষ্যতে যাদু- মন্ত্ৰ নকৰিবলৈ সকীয়াই দি স্বামী ধনসিং গোঁড়ক চমজাই দিছিল। তদুপৰি সন্তানহীন হোৱা বাবে ফুলমতিয়া গোঁড়ক গাঁৱখনৰ একাংশ নিৰক্ষৰ লোকে দাইনী সজাই সন্দেহৰ চকুৰে চাইছিল বুলি ফুলমতিয়া গোঁড়ৰ পৰিয়ালৰ লোকে সাংবাদিকক জানিবলৈ দিছে। এনেবোৰ অন্ধবিশ্বাসৰ বাবেই ফুলমতিয়া গোঁড়ৰক যুৱককেইজনে অপহৰণ কৰা বুলি সন্দেহ প্ৰকাশ কৰিছিল আৰক্ষীয়ে। সেয়েহে যোৱা নিশা আটক কৰা যুৱককেইজনে ফুলমতিয়া গোঁড়ক দাইনী বুলি হত্যা কৰি নদীত পেলাই দিয়াৰ কথা আৰক্ষীৰ আগত স্বীকাৰ কৰিছে। ইফালে যুৱককেইজনে ফুলমতিয়া গোঁড়ক হত্যা কৰি মৃতদেহ নদীত পেলাই দিয়াত লালপানী আৰক্ষীয়ে মৃতদেহটো বিচাৰি অনুসন্ধান অব্যাহত ৰাখিছে যদিও বৰ্তমানলৈকে উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই বুলি জানিব পৰা গৈছে।

## ভূৰাগাঁও বজাৰত ছেনিটাইজেশ্বন স্বেচ্ছাসেৱী সংগঠনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১০ জুলাই ঃ** সমগ্ৰ দেশৰ লগতে ৰাজ্যত অব্যাহত আছে কৰ’না ভাইৰাছৰ সংহাৰ। একাংশ লোকৰ অসচেতনতা আৰু দায়িত্বহীনতাৰ বাবেই শৈহতীয়াকৈ মৰিগাঁও জিলাত বৃদ্ধি পাইছে কৰ’না ৰোগীৰ সংখ্যা। জিলাখনত কৰ’নাত আক্ৰান্ত ৰোগীৰ সংখ্যা বৃদ্ধি পোৱাত স্বাস্থ্য বিভাগে জিলাখনক কন্টেইনমেন জ’ন হিচাপে ঘোষণা কৰে। বৰ্তমান সমগ্ৰ জিলাখনতে বলবৎ হৈ আছে সম্পূৰ্ণ কণ্টেইনমেন জন। কৰ’না ভাইৰাছক প্ৰতিহত কৰিবলৈ চৰকাৰ-প্ৰশাসন তথা স্বাস্থ্য বিভাগে ব্যাপক তৎপৰতা অব্যাহত ৰাখিছে। দৈনিক মৰিগাঁও জিলাৰ বিভিন্ন চিকিৎসালয়ত ক’ভিড টেষ্টৰ লগতে ক’ভিড প্ৰতিষেধক ভেকচিন দি থকা পৰিলক্ষিত হৈছে। ক’ভিডসৃষ্ট পৰিৱেশৰ মাজতেই মৰিগাঁও জিলাৰ নৈপৰীয়া অঞ্চল ভূৰাগাঁৱৰ Bright future for people’s and Rural Area Development of Assam চমুকৈ BFPRADA নামৰ এটা স্বেচ্ছাসেৱী সংগঠনটোৰ এক প্ৰশংসনীয় পদক্ষেপে অঞ্চলটোৰ সকলো ৰাইজৰ পৰা সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। স্বেচ্ছাসেৱী সংগঠনটোৰ সঞ্চালক তাৰিফ ৰাইহান ছিদ্দিকি আৰু সম্পাদক শ্বৰিফ আহমেদৰ নেতৃত্বত সংগঠনটোৰ সদস্য সকলে গাঠিৰ ধনেৰে ভূৰাগাঁও দ্বি-সপ্তাহিক বজাৰত ছেনিটাইজ কৰাৰ উপৰিও সকলো ৰাইজক ক’ভিড বিধি মানি চলিবলৈ আহ্বান জনায়।

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেঙ্গি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক’লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতহে প্ৰযোজ্য হ’ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ নৰেন হাজৰিকা
■ আবাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি

# ইউৰোৰ ফাইনেলত আজি ইটালী-ইংলণ্ড

**লণ্ডন, ১০ জুলাই ঃ** ইউৰোপৰ নতুন প্ৰজন্মই এইবাৰ ইউৰো কাপত এটা নতুন চেম্পিয়ন দল লাভ কৰিব। উল্লেখ্য যে চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ কাইলৈ নিশা ৱেম্বলি ষ্টেডিয়ামত হ'বলগা ফাইনেলত ইংলণ্ডে খেলিব ইটালীৰ বিৰুদ্ধে। উল্লেখ্য যে ইংলণ্ডে এবাৰ ফিফা বিশ্বকাপৰ চেম্পিয়ন ট্ৰফী হাতত লৈছে যদিও ইউৰো কাপ লাভ কৰিবলৈ সক্ষম হোৱা নাই। ফাইনেলত প্ৰৱেশ কৰি নতুন ইতিহাস গঢ়া ইংলণ্ডে সুযোগ লাভ কৰিছে সোণালী ইতিহাসৰ নতুন অধ্যায়ৰ ৰছনা কৰিবলৈ। ইফালে, ইটালীয়ে চাৰিবাৰ ফিফা বিশ্বকাপৰ খিতাপ লাভ কৰিছে যদিও ইউৰো কাপৰ খিতাপ (১৯৬৮) এবাৰেই দখল কৰিছে। ৫২ বছৰ পাছত এইবাৰ পুনৰ ইউৰো কাপ দখল কৰাৰ সপোন দেখিছে ইটালীয়ে। ছেমিফাইনেলত ইটালীয়ে টাইব্ৰেকাৰত ৪-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে স্পেইনক। নিৰ্ধাৰিত সময়ত মেচখন ১-১ গ'লত অমিমাংসিত হৈছিল। উল্লেখ্য যে পেনাল্টি শ্বুটৰ আৰম্ভণি ইটালী আৰু স্পেইনে ব্যৰ্থতাৰে কৰে। কিন্তু পৰৱৰ্তী চাৰিটা শ্বট ইটালীয়ে গ'ল কৰাৰ বিপৰীতে স্পেইনৰ চাৰিটা শ্বটৰ দুটা ইটালীৰ নৱাগত গ'লৰক্ষক গিয়ানলুইগি ড'নাৰুমাই ৰক্ষা কৰি দলক ফাইনেলত প্ৰৱেশ কৰোৱায়। ইফালে, ইংলণ্ডে ইতিহাস গঢ়ি ফাইনেলত প্ৰৱেশ কৰিছে। ৱেম্বলি ষ্টেডিয়ামতে অনুষ্ঠিত হোৱা দ্বিতীয়খন ছেমিফাইনেলত ইংলণ্ডে অতিৰিক্ত সময়ত গ'ল কৰি ২-১ গ'লৰ ব্যৱধানত ডেনমাৰ্কক পৰাস্ত কৰে। নিৰ্ধাৰিত সময়ত মেচখন ১-১ হৈছিল। ইংলণ্ডৰ হৈ বিজয়সুচক গ'লটো কৰে খেলৰ ১০৪ মিনিটত পেনাল্টিৰ জৰিয়তে অধিনায়ক হেৰি কেনে। উল্লেখ্য যে ইংলণ্ডে ১৯৬৬ তে ফিফা বিশ্বকাপৰ খিতাপ লাভ কৰিছিল। কিন্তু তাৰপাছত যোৱা সাতটা দশকত কোনো প্ৰতিযোগিতাৰে ফাইনেলত প্ৰৱেশ কৰা নাই ইংলণ্ডে। বিগত ৰাছিয়া ফিফা বিশ্বকাপত ইংলণ্ডে ছেমিফাইনেলত প্ৰৱেশ কৰি চমক সৃষ্টি কৰিছিল। কিন্তু ক্ৰ'ৱেচিয়াৰ বিৰুদ্ধে ছেমিফাইনেলত পৰাস্ত হয়। দীৰ্ঘ অপেক্ষাৰ অন্তত চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে ইংলণ্ডে। এতিয়া দলৰ লক্ষ্য দেশৰ জনগনক ট্ৰফী দি গৌৰৱান্বিত কৰোৱা। ইফালে, ২০১৮ ৰ ৰাছিয়া বিশ্বকাপলৈ যোগ্যতা অৰ্জন কৰাতে বিফল হৈছিল ইটালী। একেদৰে ২০১২ ৰ ইউৰো কাপৰ পাছত ২০১৬ ৰ ইউৰোত হতাশাজনক প্ৰদৰ্শন কৰিছিল ইটালীয়ে। নতুন দলৰে খেলি এইবাৰ খিতাপৰ যুঁজলৈ আনিছে অশ্বমেধৰ ঘোঁৰাৰ দৰে। ট্ৰফী জয়ৰ দৃঢ়তাই দলক সফলতা দিব বুলি আত্মবিশ্বাসী। স্মৰ্তব্য যে উভয় দলে অপৰাজেয় হৈ ফাইনেলত প্ৰৱেশ কৰিছে।

# মেছিৰ অন্তিম সুযোগ, চতুৰ্থবাৰত কোপা জয়ৰ স্বপ্ন পূৰণ হ'বনে?

**ৰিঅ' দি জেনেৰিঅ', ১০ জুলাই ঃ** বিশ্ব ফুটবলৰ মহাতাৰকা লিয়নেল মেছিয়ে গৌৰৱময় কেৰিয়াৰৰ চতুৰ্থখন কোপা আমেৰিকা ফুটবলৰ ফাইনেল মেচ খেলিব। কিন্তু এইবাৰ মেছিয়ে চেম্পিয়ন ট্ৰফী হাতত ল'ব পাৰিবনে? উল্লেখ্য যে ইয়াৰপূৰ্বে মেছিয়ে ২০07, ২০১৫ আৰু ২০১৬ ত কোপা আমেৰিকা ফুটবলৰ ফাইনেল খেলিছিল। কিন্তু ৰানাৰ্ছআপতে সন্তুষ্ট থাকে মেছিৰ দল আৰ্জেণ্টিনা। পুনৰ সুযোগ আহিছে মেছিৰ সন্মুখলৈ। উল্লেখ্য যে চলিত কোপা আমেৰিকা ফুটবলৰ ফাইনেল মেচখন অহা ১১ জুলাইত ব্ৰাজিলৰ ৰিঅ' দি জেনেৰিঅ'ৰ ঐতিহাসিক মাৰাকানা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব আৰ্জেণ্টিনা আৰু ব্ৰাজিলৰ মাজত। উল্লেখ্য যে প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত আৰ্জেণ্টিনাই টাইব্ৰেকাৰ জড়িয়তে ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে কলম্বিয়াক। নিৰ্ধাৰিত সময়ত মেচখন ১-১ গ'লত অমিমাংসিত হৈছিল। খেলৰ সাত মিনিটতে লিয়োনেল মেছিৰ পৰা বল লাভ কৰি আৰ্জেণ্টিনাক প্ৰথমে অগ্ৰগতি দিছিল লৌটাৰো মাৰ্টিনেজে। বিৰতিলৈ আৰ্জেণ্টিনা আগবাঢ়ি থাকে যদিও খেলৰ ৬১ মিনিটত কলম্বিয়াৰ হৈ ডিয়াছে দৰ্শনীয় গ'ল কৰি মেচত সমতা স্থাপন কৰে। পাছত টাইব্ৰেকাৰত আৰ্জেণ্টিনাৰ চাৰিটা শ্বটৰ ভিতৰত মেছি, লাণ্ড্ৰো আৰু লৌটাৰোৱে গ'ল কৰাৰ বিপৰীতে কলম্বিয়াৰ পাঁচ পেনাল্টি শ্বটৰ তিনিটা প্ৰতিহত কৰি আৰ্জেণ্টিনাক বিজয় দিয়ে গ'লৰক্ষক ইমিলিয়ানো মাৰ্টিনেজে। সেয়ে আৰ্জেণ্টিনাৰ এই গৌৰৱময় সফলতাৰ নায়ক নৱাগত গ'লৰক্ষক ইমিলিয়ানো মাৰ্টিনেজ। আৰ্জেণ্টিনা মূলতঃ মেছি কেন্দ্ৰিক দল। যাৰবাবে মেছিৰ একক চেষ্টাৰ পাছতো দলে প্ৰত্যাসিত সফলতা লাভ নকৰে। মেছিয়ে ক্লাবৰ হৈ খেলি দল তথা ব্যক্তিগতভাৱে সকলো জয় কৰি বিশ্ব শ্ৰেষ্ঠ হৈছে। কিন্তু আৰ্জেণ্টিনাক আজিলৈ কোনো প্ৰতিযোগিতাৰ চেম্পিয়ন কৰাব পৰা নাই। ২০১৪ ৰ ফিফা বিশ্বকাপত মেছিয়ে অকলেই আৰ্জেণ্টিনাক ফাইনেললৈ নিছিল। কিন্তু মাৰাকানত জাৰ্মানীৰ বিৰুদ্ধে পৰাস্ত হয়। কোপা আমেৰিকাতো মেছি যুগৰ আৰ্জেণ্টিনাৰ কাহিনী হতাশাজনক। এইবাৰ পুনৰ মাৰাকানত মেছিৰ আৰ্জেণ্টিনা। এইবাৰ কিন্তু মেছিয়ে যুৱ সতীৰ্থৰ পৰা সহযোগ পাইছে। গতিকে কেৰিয়াৰৰ অন্তিম কোপা আমেৰিকাত আৰ্জেণ্টিনাৰ হৈ চেম্পিয়ন ট্ৰফী হাতত ল'ব পাৰে মেছিয়ে।



## চেম্পিয়ন হ'লে অভিলেখ স্পৰ্শ কৰিব আৰ্জেণ্টিনাই

**ৰিঅ' দি জেনেৰিঅ', ১০ জুলাই ঃ** কোপা আমেৰিকাৰ জন্ম বৰ্ষৰ লগতে এতিয়ালৈকে মুঠ ১৫ বাৰ খিতাপ লাভ কৰি শীৰ্ষত আছে উৰুগুৱে। আনহাতে, ১৪ বাৰ খিতাপ লাভ কৰিছে আৰ্জেণ্টিনাই। পাঁচবাৰৰ ফিফা বিশ্বকাপৰ চেম্পিয়ন ব্ৰাজিলে কোপা আমেৰিকাৰ চেম্পিয়ন ট্ৰফী লাভ কৰিছে নবাৰ। যদি আৰ্জেণ্টিনাই এইবাৰ খিতাপ ল'ব পাৰে তেন্তে স্পৰ্শ কৰিব উৰুগুৱেক। উল্লেখ্য যে আৰ্জেণ্টিনাই অন্তিমবাৰৰ বাবে ১৯৯৩ তে লাভ কৰিছিল খিতাপ। ১৯৯১ আৰু ১৯৯৩ ত ক্ৰমাগত দুবাৰ কোপা আমেৰিকা ফুটবলৰ চেম্পিয়ন ট্ৰফী লাভ কৰিছিল আৰ্জেণ্টিনাই। ১৯৯১ ৰ ফাইনেলত দলে পৰাস্ত কৰিছিল ব্ৰাজিলক। আনহাতে, ১৯৯৩ ৰ ফাইনেলত মেক্সিকোক হৰুৱাই খিতাপ লাভ কৰে আৰ্জেণ্টিনাই। পৰৱৰ্তী সময়ত আৰ্জেণ্টিনাই চাৰিবাৰ ফাইনেল খেলাৰ সুযোগ লাভ কৰে যদিও ২০০৪ আৰু ২০০৭ ত ব্ৰাজিলৰ বিৰুদ্ধে তথা ২০১৫ আৰু ২০১৬ ত চিলিৰ বিৰুদ্ধে পৰাস্ত হৈ ৰানাৰ্ছআপত সন্তুষ্ট থাকে দল। উল্লেখ্য যে যোৱাবাৰ কোপা আমেৰিকাৰ ছেমিফাইনেলতে পেৰুৰ বিৰুদ্ধে পৰাস্ত হৈছিল আৰ্জেণ্টিনা। কিন্তু এইবাৰ দল অপৰাজেয়। সকলোৰে আশা কৰিছিল চলিত কোপা আমেৰিকাৰ ফাইনেলখন ব্ৰাজিল আৰু আৰ্জেণ্টিনাৰ মাজত অনুষ্ঠিত হোৱাক লৈ। অৱশেষত সেয়াই হ'ল। ২০১৬ ৰ পাছত এইবাৰ পুনৰ কোপা আমেৰিকা ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে আৰ্জেণ্টিনা। প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত আৰ্জেণ্টিনাই টাইব্ৰেকাৰ জড়িয়তে ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে কলম্বিয়াক। নিৰ্ধাৰিত সময়ত মেচখন ১-১ গ'লত অমিমাংসিত হৈছিল। আৰ্জেণ্টিনাৰ শেহতীয়া উত্তৰণ আৰু উৎসাহ ফাইনেলৰ প্ৰতিদ্বন্দ্বী অপৰাজেয় ব্ৰাজিলৰ বাবেও চিন্তাৰ কাৰণ হ'ব।

## প্ৰথম টি-২০ত ভাৰতীয় মহিলাৰ পৰাজয়

**লণ্ডন, ১০ জুলাই ঃ** ভাৰতীয় মহিলা ক্ৰিকেট দলে ইংলণ্ডৰ বিৰুদ্ধে খেলা প্ৰথমখন টি-২০ মেচত ডি এল পদ্ধতিত ১৮ ৰাণত পৰাস্ত হৈছে। যোৱানিশা অনুষ্ঠিত হোৱা মেচত পোনতে বেটিং কৰা ইংলণ্ডে সাত উইকেটত ১৭৭ ৰাণ কৰে। প্ৰত্যুত্তৰত, ভাৰতে ৮.৪ অভাৰত তিনি উইকেট হেৰুৱাই ৫৪ ৰাণ কৰাৰ সময়ত বৰষুণৰ বাবে মেচ বন্ধ হয়। কিন্তু সেইসময়ত ভাৰতক ডি এল পদ্ধতি অনুসৰি প্ৰয়োজন আছিল ৭৩ ৰাণ। সেয়ে মেচখনত ইংলণ্ড জয়ী হয় আৰু তিনিখনীয়া শৃংখলাত ১-০ ৰ অগ্ৰগতি লাভ কৰে। উল্লেখ্য যে ভাৰতীয় মহিলা ক্ৰিকেট দলে ইংলণ্ড ভ্ৰমণত একমাত্ৰ টেষ্টখন ড্ৰ খেলে যদিও তিনিখনীয়া এদিনীয়াৰ প্ৰথম দুখনত পৰাস্ত হোৱাৰ পাছত অন্তিমখনত জয়ী হয়। ফলত শৃংখলা ২-১ ত হেৰুৱায়।

## উইম্বলডনৰ পুৰুষৰ একক শাখাৰ ফাইনেলত বেৰাটিনি-ডক'ভিচ

**লণ্ডন, ১০ জুলাই ঃ** চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনৰ পুৰুষৰ একক শাখাৰ ফাইনেল মেচখন অনুষ্ঠিত হ'ব ইটালীৰ বেৰাটিনি আৰু ছাৰ্বিয়াৰ নভাক ডক'ভিচৰ মাজত। যোৱানিশা অনুষ্ঠিত ছেমিফাইনেলত বেৰেটিনিয়ে ৬-৩, ৬-০, ৬-৭, ৬-৪ ৰ ব্যৱধানত পৰাস্ত কৰে হাৰ্কাজ। উল্লেখ্য যে প্ৰথমবাৰৰ উইম্বলডনৰ ফাইনেলত প্ৰৱেশ কৰিছে বেৰাটিনিয়ে। ইফালে, নভাক ডক'ভিচে ছেমিফাইনেলত ৭-৬, ৭-৫, ৭-৫ ৰ ব্যৱধানত পৰাস্ত কৰে ছাপ'ভাল'ভক। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলত বেৰাটিনে ৬-৩, ৫-৭, ৭-৫, ৬-৩ ৰ ব্যৱধানত জয়ী হৈছিল। আনহাতে, হাৰ্কাজে কোৱাৰ্টাৰ ফাইনেলত ৬-৩, ৭-৬, ৬-০ ৰ ব্যৱধানত পৰাস্ত কৰে ৰজাৰ ফেডেৰাৰক। ছাপ'ভাল'ভে ৬-৪, ৩-৬, ৫-৭, ৬-১, ৬-৪ ৰ ব্যৱধানত জয়ী হৈ ছেমিফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ডক'ভিচে ৬-৩, ৬-৪, ৬-৪ ৰ ব্যৱধানত জয়লাভ কৰিছিল। শীৰ্ষ বাচনিৰ নভাক ডক'ভিচে ইয়াৰপূৰ্বে ৬-২, ৬-৪, ৬-২ ৰ ব্যৱধানত জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। আনহাতে, প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ৬-৪, ৬-৩, ৭-৬ ৰ ব্যৱধানত জয়লাভ কৰিছিল শীৰ্ষ বাচনিৰ তাৰকাগৰাকীয়ে। দ্বিতীয় ৰাউণ্ডৰ মেচত ডক'ভিচে ৬-৩, ৬-৩, ৬-৩ ৰ ব্যৱধানত জয়লাভ কৰা শীৰ্ষ বাচনিৰ ডক'ভিচে ইয়াৰপূৰ্বে প্ৰথম ৰাউণ্ডৰ মেচত ৪-৬, ৬-১, ৬-২, ৬-২ ৰ ব্যৱধানত জয়লাভ কৰি অভিযান আৰম্ভ কৰিছিল।

## প্ৰথম টি-২০ ত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ৱেষ্ট ইণ্ডিজৰ জয়

**ছেইণ্ট লুছিয়া, ১০ জুলাই ঃ** ৱেষ্ট ইণ্ডিজ ভ্ৰমণলৈ যোৱা অষ্ট্ৰেলিয়াই প্ৰথমখন টি-২০ মেচত ১৮ ৰাণত পৰাস্ত হৈছে। যোৱানিশা অনুষ্ঠিত হোৱা মেচত পোনতে বেটিং কৰি ৱেষ্ট ইণ্ডিজে ছয় উইকেটত ১৪৫ ৰাণ কৰে। দলৰ হৈ আন্দ্ৰে ৰাছেলে ৫১ ৰাণ কৰে। প্ৰত্যুত্তৰত, অষ্ট্ৰেলিয়াই ১৬ অভাৰত ১২৭ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে আৰু ৱেষ্ট ইণ্ডিজে পাচঁখনীয়া টি-২০ শৃংখলাত ১-০ ৰ অগ্ৰগতি লয়।



*সংবাদ মেল সম্বোধনৰ সময়ত সাঁতোৰবিদ এলভিছ আলী, গুৱাহাটীৰ ইনড'ৰ ষ্টেডিয়ামত*


## কোপা আমেৰিকাত ২১সংখ্যক ফাইনেল খেলিব আত্মবিশ্বাসী ব্ৰাজিলে

**ৰিঅ' দ্য জেনেৰিঅ', ১০ জুলাই ঃ** ডিফেণ্ডিং চেম্পিয়ন তথা নবাৰকৈ কোপা আমেৰিকাৰ খিতাপ লাভ কৰা ব্ৰাজিলে এইবাৰ চলিত কোপা আমেৰিকা ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰাৰ পাছত দলৰ তাৰকা নেইমাৰে কৈছিল যে ফাইনেলত ব্ৰাজিলে প্ৰতিদ্বন্দ্বীৰূপে আৰ্জেণ্টিনাক বিচাৰে। উল্লেখ্য যে তাৰকা নেইমাৰে আঘাতৰ বাবে যোৱা কোপা আমেৰিকাত খেলা নাছিল। তথাপি ব্ৰাজিল চেম্পিয়ন হয়। এইবাৰ নেইমাৰৰ নেতৃত্বতে খেলিয়ে ব্ৰাজিলে পুনৰ খিতাপ জয়ৰ আশা কৰিছে। ঘৰত খেলিব লগা ব্ৰাজিল ফেভাৰিটো। কিন্তু শ্ৰেষ্ঠ হোৱাৰ যুঁজখন যদি মেছিৰ আৰ্জেণ্টিনাৰ বিৰুদ্ধে হয় তেন্তে তাৰ তৃপ্তি অনন্য। উল্লেখ্য যে গৌৰৱময় অপৰাজেয় ধাৰা অব্যাহত ৰাখি চলিত কোপা আমেৰিকা ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে ব্ৰাজিলে। অলিম্পিক ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ছেমিফাইনেলত ব্ৰাজিলে একমাত্ৰ গ'লত পৰাস্ত কৰে বিগত বৰ্ষৰ আনটো ফাইনেলিষ্ট দল পেৰুক। খেলৰ ৩৫ মিনিটত ব্ৰাজিলৰ হৈ বিজয়সুচক গ'লটো কৰে লুকাছ পাকুৱেটিয়াই। অৱশ্যে এই গ'লৰ বিশ্বকৰ্মা আছিল নেইমাৰ। স্মৰ্তব্য যে ২১ বাৰৰ বাবে কোপা আমেৰিকাৰ ফাইনেলত প্ৰৱেশ কৰিছেব্ৰাজিলে। ব্ৰাজিলে পূৰ্বে নবাৰকৈ খিতাপ লাভ কৰাৰ বিপৰীতে ১১ বাৰ কোপা আমেৰিকাত ৰানাৰ্ছআপ হৈছে।

## ভাৰতীয় ছিনিয়ৰ ভলীবল দলৰ বাছনি শিবিৰলৈ আমন্ত্ৰিত বিনীত কুমাৰসহ প্ৰশিক্ষক অভিনিচ কুমাৰ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, নলবাৰী, ১০ জুলাই ঃ** ৫ মাৰ্চৰ পৰা ১১ মাৰ্চলৈ ভূৱনেশ্বৰৰ কলিংগ বিশ্বাবিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা ৬৯ সংখ্যক ছিনিয়ৰ নেচনেল ভলীবল প্ৰতিযোগিতাত বিনীত কুমাৰে অসম দলক প্ৰতিনিধিত্ব কৰাৰ লগতে দলটোক নেতৃত্ব দি প্ৰথম বাৰৰ বাবে ৰানাৰ্চ আপৰ খিতাপ অৰ্জন কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল। ইয়াৰ সুবাদতে তেওঁ অহা ৮-২০ ছেপ্তেম্বৰলৈ জাপানত অনুষ্ঠিত হ'বলগীয়া ২১ সংখ্যক এছিয়ান ছিনিয়ৰ ভলীবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় ভলীবল দলৰ বাছনি শিবিৰলৈ আমন্ত্ৰীত হৈছে। লগতে অসম দলটোৰ প্ৰশিক্ষক অভিনিচ কুমাৰক ভাৰতীয় দলটোৰ সহঃ প্ৰশিক্ষক হিচাপে নিৰ্বাচিত কৰা হৈছে বুলি অসম ভলীবল সন্থাৰ সভাপতি তথা ভাৰতীয় ভলীবল দলৰ উপ সভাপতি সুশান্ত বিশ্ব শৰ্মাই জানিবলৈ দিছে। অহা ২০ জুলাইৰ পৰা ৭ ছেপ্টেম্বৰতলৈ ভূৱনেশ্বৰত অনুষ্ঠিত কৰা হৈছে ভাৰতীয় দলটোৰ বাছনি ওঁ প্ৰশিক্ষণ শিবিৰ। দুয়োগৰাকীলৈ অসম ভলীবল সন্থা, অসম ভলীবল মিছন-১০০, অসম প্ৰবীণ ভলীবল খেলুৱৈ সন্থাৰ লগতে ভলীবল প্ৰেমীয়ে আন্তৰিক অভিনন্দন জনাইছে।





## অগপৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক তুলসী গগৈৰ পত্নীৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১০ জুলাই ঃ** অসম গণ পৰিষদ দলৰ কেন্দ্ৰীয় সমিতৰ অন্যতম সম্পাদক তুলসী গগৈৰ পত্নী তথা অসম মহিলা পৰিষদৰ, নাজিৰা বিধান পৰিষদৰ উপ-সভানেত্ৰী কণিকা তুৰুং গগৈ (৪১)ৰ আজি পুৱা প্ৰায় ৮-৩০বজাত নিজ বাসভৱনত মৃত্যু হয়। গগৈয়ে যোৱা কিছুদিনৰ পৰা নাৰ্ভৰ অসুখত ভুগি আছিল। আজি পুৱা হঠাৎ কণিকাৰ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ পৰে আৰু চিকিৎসালয়লৈ নিয়াৰ পূৰ্বে মৃত্যুক আঁকোৱালি লয়। কিন্তু মৃত্যুৰ পাছত তেখেতৰ স্বামী অগপ দলৰ কেন্দ্ৰীয় সমিতিৰ অন্যতম সম্পাদক তুলসী গগৈয়ে দায়বদ্ধতাৰে চিকিৎসা বিভাগৰ যোগে ক'ভিড পৰীক্ষা কৰোৱাত



পজিটিভ ওলায়। লগে লগে স্বাস্থ্য বিভাগে বিভাগীয়ভাৱে সৎকাৰৰ ব্যৱস্থা কৰে। ইফালে অগপৰ মহিলা পৰিষদৰ নেত্ৰীগৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে বহু দলীয় সতীৰ্থ-কৰ্মীসহ বহু গুণমুগ্ধই তেখেতৰ ন-মাটি ঘৰফলীয়া গাওঁস্থিত বাসভৱনত উপস্থিত হয় যদিও ক'ভিড বিধি মানি নিলগৰ পৰাই নশ্বৰ দেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কণিকা তুৰুং গগৈ মহিলা পৰিষদৰ উপ সভানেত্ৰীৰ উপৰি ফুলপনীবৰুৱা গাঁও পঞ্চায়তৰ নৱজাগৰণৰ গ্ৰাম্য সংগঠনৰ সভানেত্ৰীও আছিল। অগপ নেত্ৰী তথা মহিলা সমাজকৰ্মী গৰাকীৰ মৃত্যুত সমগ্ৰ পঞ্চায়তখনত শোকৰ ছাঁ পৰে। অগপ নেত্ৰীগৰাকীৰ মৃত্যুত বিৰোধী দলপতি তথা স্থানীয় বিধায়ক দেৱব্ৰত শইকীয়াই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। কণিকা তুৰুঙৰ মৃত্যুত অগপৰ নাজিৰা বিধান পৰিষদেও শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত স্বামী, এজন পুত্ৰ আৰু এগৰাকী কন্যাসহ বহু আত্মীয়-স্বজনক এৰি থৈ গৈছে।



*বোকাখাতত আৰক্ষী আৰু চিআৰপিএফৰ যুটীয়া ফ্লেগমাৰ্চ, শনিবাৰৰ ছবি*

### দেৰগাঁৱত বিদ্যুৎ বিভাগৰ আজব কাণ্ড

## এমাহৰ বিদ্যুৎ বিল আহিল ৩,৩৭,০০০ হাজাৰ টকা

### বিল দেখি মূৰে-কঁপালে হাত দিছে ভুক্তভোগী পৰিয়ালে

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১০ জুলাই ঃ** দেৰগাঁৱৰ বিদ্যুৎ উপ-সংমণ্ডলৰ অধীনৰ কৰ্মচাৰীৰ কাণ্ড জ্ঞানহীনতাৰ বাবে হাহাকাৰ কৰিব লগা হৈছে বহুকেইটা পৰিয়াল। প্ৰতি মাহে বিদ্যুৎ বিল পৰিশোধ কৰাৰ পাছতো দেৰগাঁৱৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দাধৰাৰ কেবাটাও পৰিয়াললৈ অহা বিদ্যুৎৰ বিল দেখি হতভম্ব হৈ পৰিছে পৰিয়ালসমূহ। প্ৰণিধানযোগ্য যে অতিকে দৰিদ্ৰ পৰিয়ালৰ প্ৰফুল্ল বৰা নামৰ ব্যক্তিজনৰ এমাহৰ বিদুৎ বিল আহিছে ৩,৩৭০০০(তিনি লাখ সাতত্ৰিছ হাজাৰ টকা) ঠিক একে দৰে মুকুতা বৰাৰ ৮০০০, ললিত বৰাৰ ২৪০০০, বিপিন ৰাজখোৱাৰ ৭০০০ আৰু নন্দু বৰালৈ ৬০০০ টকাৰ বিল পথাইছে বিদ্যুৎ বিভাগে। এনে বিল দেখি এতিয়া হতভম্ব হৈ পৰিছে পৰিয়ালসমূহ। অন্যহাতে এই পৰিয়ালসমূহে অভিযোগ কৰা মতে প্ৰতিমাহে তেওঁলোকে ৪০০টকাৰ পৰা প্ৰায় ৬০০টকা পৰ্যন্ত প্ৰতিমাহে তেওঁলোকে বিল পৰিশোধ কৰি আহিছে। তেনেস্থলত এই বিল কেনেদৰে হবলৈ পালে বুলি প্ৰশ্ন অৱতাৰণা কৰে ভুক্তভোগী পৰিয়াল সমূহে। এই বৃহৎ পৰিমাণৰ ধনৰাশিৰ বিল পৰিশোধ কৰিবলৈ অসমৰ্থ পৰিয়াল কেইটাই বিভাগীয় কৰ্তৃপক্ষক সমগ্ৰ বিষয়টো তদন্ত কৰি পৰিয়াল কেইটালৈ পঠিওৱা অত্যধিক বিলৰ ৰেহাই দিবলৈ দাবী উত্থাপন কৰিছে। স্থানীয় ৰাইজৰ অভিযোগ মতে কিছুমান দায়িত্ব জ্ঞানহীন লোকৰ এনে অবিবেচক কাণ্ডৰ বাবে জ্বলা-কলা খাবলগীয়া হৈছে সাধাৰণ লোকসকল। অনতিপলমে এই ক্ষেত্ৰত বিভাগীয় কোন জন বিষয়াৰ ভুলৰ বাবেই এনে অবিবেচক কাণ্ড সংঘটিত হৈছে তাৰ ওপৰত এক উচিত তদন্ত কৰিবলৈ অনুৰোধ জনাইছে।

## যোৰহাটৰ গৰুমৰাত আছুৰ খাদ্য-সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ১০ জুলাই ঃ** ক'ভিডকালৰ পৰিৱেশে একাংশ দৰিদ্ৰ পৰিয়ালক জীৱন - নিৰ্বাহত কঠিন পৰিৱেশৰ সৃষ্টি কৰিছে। উত্তৰ-পশ্চিম যোৰহাট আছুৱে এই সময়ছোৱাত ছাত্ৰ জীৱনৰ এক কৰ্তব্য পালন কৰি ৰাইজক সহায় কৰাৰ মানসেৰে গৰুমৰা এলেকাটোৰ ভিন্ন ঠাইত যোৱা শুক্ৰবাৰে দৰিদ্ৰ পৰিয়ালৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰে। সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা ৰাজীৱ বৰা, উত্তৰ- পশ্চিম যোৰহাট অঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ঋতু পৱন পাচনি, সাধাৰণ সম্পদক ভাগ্যবান ফুকন, যোৰহাট জিলাৰ ছাত্ৰ সন্থাৰ তথ্য সম্পাদক অসীম বৰবৰা, শিক্ষা সম্পাদক কৃষ্ণানু দাসেক ধৰি উপস্থিত থাকে উত্তৰ-পশ্চিম যোৰহাট আঞ্চলিক ছাত্ৰ সন্থাৰ দুজন প্ৰাক্তন আছু নেতা।

## চাবুৱাত চাকৰি দিয়াৰ নামত ধন সংগ্ৰহ কৰ প্ৰৱঞ্চকক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ১০ জুলাই ঃ** ৰাজ্যৰ ৰাজধানীত অৱস্থিত মেঘদুত ভৱনত ডাক বিভাগৰ চাকৰি প্ৰদানৰ নামত তিনিচুকীয়া জিলাৰ ৰূপাইৰ কেইবাজনো নিৱনুৱাৰ পৰা ধন সংগ্ৰহ কৰি চাবুৱাৰ আৰক্ষীৰ জালত পৰিল এটা প্ৰৱঞ্চক। ভুক্তভোগী আৰু আৰক্ষীৰ তৰা জালত শুক্ৰবাৰে চাবুৱাত ধন সংগ্ৰহ কৰিবলৈ অহাৰ সময়ত প্ৰশান্ত দত্ত নামৰ প্ৰৱঞ্চকটোক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। ডিব্ৰুগড়. চহৰৰ বাণীপুৰৰ মছজিদৰ সমীপৰ আবিদ আলি নামৰ ব্যক্তিৰ ঘৰত ভাৰাতীয়া হিচাপে থকা কাপোৰ ব্যৱসায়ী প্ৰশান্ত দত্তই গুৱাহাটীৰ মেঘদূত ভৱনত চাকৰি কৰা আলম নামৰ ব্যক্তি জনক ৰূপাইৰ পাঁচ গৰাকী নিৱনুৱাৰ পৰা ৮৫ হাজাৰ টকা সংগ্ৰহ কৰি দিছিল। বিগত এপ্ৰিল মাহত ৮৫ হাজাৰ আগধন হিচাপে লোৱাৰ পিছতে পুনৰ কালি ১০ হাজাৰ টকা সংগ্ৰহৰ বাবে চাবুৱাত উপস্থিত হৈছিল প্ৰৱঞ্চকটো। ধন প্ৰদান কৰিবলৈ অহা ব্যক্তি এজনৰ বন্ধুৰ সন্দেহৰ ভিত্তিত চাবুৱা আৰক্ষী থানালৈ লৈ আহে প্ৰশান্ত দত্তক। তেতিয়াই আৰক্ষীৰ জেৰাত সকলো কথা স্বীকাৰ কৰে অভিযুক্তই। পিয়নৰ চাকৰি দিয়াৰ নামত গ্ৰেপ্তাৰ হোৱা প্ৰশান্ত দত্তৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি ৪০৬/৪২০/৪৬৮ ধাৰাত চাবুৱা আৰক্ষী থানাৰ গোচৰ নং ১১৬/২১ ভিত্তিত আজি জেল হাজোতলৈ প্ৰেৰণ কৰে।

## গড়গাঁও কলেজত 'গ্ৰাম্য অঞ্চলৰ বিকাশ-উদ্যোগ গঠনত বিত্তীয় প্ৰতিষ্ঠানৰ গুৰুত্ব' শীৰ্ষক বক্তৃতানুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি , শিৱসাগৰ, ১০ জুলাই ঃ** ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ উচ্চশিক্ষাৰ অনুষ্ঠান গড়গাঁও মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত যোৱা ৯ জুলাই তাৰিখে 'গ্ৰাম্য অঞ্চলৰ বিকাশ আৰু উদ্যোগ গঠনত বিত্তীয় প্ৰতিষ্ঠানৰ গুৰুত্ব' শীৰ্ষক এখনি জনপ্ৰিয় বক্তৃতানুষ্ঠান অনুষ্ঠিত হৈ যায়। অনলাইন মাধ্যমত অনুষ্ঠিত এই জনপ্ৰিয় বক্তৃতানুষ্ঠানটিত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়খনৰ বাণিজ্য বিভাগৰ বিভাগীয় প্ৰধান ড° মেঘালী বৰাই আৰু উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই। উদ্বোধনী ভাষণত অধ্যক্ষ ড° মহন্তই বৰ্তমান কভিড সৃষ্ট পৰিস্থিতিৰ প্ৰেক্ষাপটত আলোচিত বিষয়টিৰ গুৰুত্ব সম্পৰ্কে আলোকপাত কৰে। তদুপৰি আত্ম সংস্থাপনৰ বাবে প্ৰয়োজন হোৱা ক্ষুদ্ৰ ঋণ আৰু চৰকাৰে প্ৰদান কৰা সুবিধাসমূহ গ্ৰহণ কৰিবলৈ গ্ৰাম্যাঞ্চলৰ লোকসকলক আহ্বান জনায়। বক্তৃতানুষ্ঠানটিত মুখ্য আলোচক হিচাপে অংশগ্ৰহণ কৰে শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা মৌচুমী খনিকৰে। সমল বক্তাগৰাকীয়ে মনোগ্ৰাহীৰূপত গ্ৰাম্যাঞ্চলসমূহত বিত্তীয় প্ৰতিষ্ঠানৰ গুৰুত্ব আৰু উদ্যোক্তাসকলে গ্ৰহণ কৰিব পৰা আঁচনিসমূহৰ বিষয়ে বিতংকৈ কয়। তদুপৰি তেঁও বিভিন্ন নীতি নিয়ম বিলাকৰ জৰিয়তে কেনেকৈ বিত্তীয় প্ৰতিষ্ঠানসমূহে উদ্যোগ গঠনৰ ক্ষেত্ৰত অনুপ্ৰেৰণা যোগাই সেই সম্পৰ্কে বিৱৰি কয়। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° সুৰজিত শইকীয়াই আলোচ্য বিষয়টোৰ সম্পৰ্কত গুৰুত্বপূৰ্ণ মত আগবঢ়ায়। তেখেতে বক্তব্যত চুবুৰীয়া ৰাজ্য বাংলাদেশে গ্ৰহণ কৰা আৰু সমগ্ৰ বিশ্বই প্ৰশংসা কৰা ক্ষুদ্ৰ ঋণৰ আৰ্হি সম্পৰ্কে চমু আভাস দিয়ে। মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ অধ্যাপক অনিল তাঁতীয়ে আঁত ধৰা বক্তৃতানুষ্ঠানটিত অসমৰ বিভিন্ন উচ্চ শিক্ষানুষ্ঠানৰ ভালেমান ছাত্ৰ ছাত্ৰী, শিক্ষাবিদ আৰু শিক্ষকসকলে অংশ গ্ৰহণ কৰে। অনুষ্ঠানৰ শেষত বিভাগৰ সহকাৰী অধ্যাপক ড° মিন্টু গগৈয়ে শলাগৰ শৰাই আগবঢ়ায়। অনুষ্ঠানটিত কাৰিকৰী দিশত সহযোগিতা আগবঢ়ায় মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° ডিম্বেশ্বৰ দাসে।

### গেটৰে মাজুলীত অত্যাধুনিক ৱুডহাট্

## প্ৰাণ পাব দৰবাৰ চাপৰিৰ শবছৰীয়া স্বৰ্ণীল ইতিহাস



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১০ জুলাই ঃ** নদীদ্বীপ মাজুলীৰ মুখ্য গেটৰে কমলাবাৰী ঘাটত অসম পৰ্যটন বিভাগৰ দ্বাৰা নিৰ্মাণ হৈ উঠিছে এটি অত্যাধুনিক পৰ্যটন প্ৰকল্প। কেৱল মাজুলীৰে নহয় অসমৰ পৰ্যটন উদ্যোগটোত নতুন সংযোগ বুলি আখ্য দিবলগীয়া এই পৰ্যটন প্ৰকল্পটোৰ পৰ্যটক নিবাস, কনফাৰেঞ্চ হল প্ৰভৃতি গৃহ বিলাক বিদেশৰ পৰা অনা কাঠেৰে নিৰ্মাণ কৰা হৈছে। 'ৱুডহাট্' টুৰিষ্ট প্ৰকল্প নামৰ এই অত্যাধুনিক প্ৰকল্পৰ মুল আঁচনিৰ ব্যয় চৈধ কোটি। এটা সু-দৃশ্য কনফাৰেঞ্চ হলৰ উপৰি বাৰটা ৱুড কটেজৰ কেঁচামাল কাঠখিনি কানাডাৰ পৰা অনা বুলি জানিব পৰা গৈছে। স্থানীয় তেলীৱুই কাঠৰ দৰে সেই কাঠ কানাডীয়ান পাইন বুলি উল্লেখ। মেচিনত কটা কাঠবিলাক সিজোৱা বুলি প্ৰকল্পটো চোৱাচিটা কৰা কৰ্মচাৰীয়ে জনাইছে। পকী ছাডৰ ওপৰত সম্পূৰ্ণ কাঠেৰে নিৰ্মিত প্ৰতিটো ঘৰত কিন্তু কোনো খুটা নাই। অত্যাধুনিক কৌশলেৰে থলিতেই নিৰ্মাণ কৰি দি পঠোৱা সঁজুলিসমূহ বিশেষ প্ৰশিক্ষণ প্ৰাপ্ত ঝাৰখণ্ডৰ মিস্ত্ৰীয়ে নিৰ্দিষ্ট নিৰ্দেশ অনুসৰি কেৱল ফিটিং কৰিছে। ৰাজশ্বেখৰ কন্ট্ৰাকশ্বন নামৰ এটা ঠিকাদাৰ প্ৰতিষ্ঠানে লাভ কৰা এই কামৰ তলৰ পকী কামখিনি এগৰাকী অৱসৰপ্ৰাপ্ত অভিযন্তা সত্যেন লাহনে তদাৰক কৰিছিল। ওপৰৰ অত্যাধুনিক নিৰ্মাণ দিল্লীস্থ এটা কম্পেনীয়ে কৰিছে। সমগ্ৰ প্ৰকল্পটোৰ ব্যয় পোন্ধৰ কোটিৰ অধিক হ'ব বুলি প্ৰকাশ। প্ৰায় নবৈ শতাংশ নিৰ্মাণ সম্পূৰ্ণ হোৱা প্ৰকল্পটোৱে ঐতিহাসিক কমলাবাৰী ঘাট তথা মাজুলীৰ দুৱাৰমুখত কৰাপাট সদৃশ হৈ অন্যতম আকৰ্ষণীয় হৈ উঠিছে। তাতোতকৈ সম্পূৰ্ণ হৈ উঠিলে এই প্ৰকল্পটোৱে মাজুলীৰ এশ বছৰ পুৰণি দৰবাৰ চাপৰিৰ ঐতিহাসিক দৰবাৰৰ ইতিহাসক পুনঃ উজ্জীৱিত কৰি তুলিব। উল্লেখযোগ্য বৰ্তমানৰ কমলাবাৰী ঘাটৰ পৰা নিমাতী ঘাটৰ মাজত থকা এটা বৃহৎ চাপৰিত ১৯২০ চনত তদানিন্তন ভাৰতৰ বৰলাট লৰ্ড চেমছফৰ্ড চাহাবে মাজুলীৰ সত্ৰাধিকাৰ সকলক সাক্ষাৎ কৰিবলৈ এখনি বিশাল দৰবাৰ অনুষ্ঠিত কৰিছিল। লক্ষণীয় বিষয় হ'ল, বৰলাটে সত্ৰাধিকাৰসকলক সাক্ষাত কৰিবলৈ প্ৰতিখন সত্ৰলৈ যোৱাৰ অসুবিধা অন্যহাতে চাৰি সত্ৰীয়া সত্ৰাধিকাৰ সকল ব্ৰিটিছ বিষয়াক কাৰ্যালয়ত লগ ধৰাৰ পৰম্পৰা নথকাৰ বাবেই এই দৰবাৰৰ আয়োজন কৰা হৈছিল। ১৯৫০ চনৰ ভূমিকম্পত ব্ৰহ্মপুত্ৰত ঘটা প্ৰাকৃতিক পৰিবৰ্তনৰ পৰা ব্ৰহ্মপুত্ৰৰ চৰ- চাপৰিত খহনীয়া সৃষ্টি হৈ ক্ৰমে নদীৰ গতিপথ, ইয়াৰ পাৰৰ, মাজৰ অৱস্থাৰ পৰিবৰ্তন ঘটি আহিছে। তেনে পৰিস্থিতিতেই ঐতিহাসিক দৰবাৰ চাপৰি এদিন ব্ৰহ্মপুত্ৰৰ বুকুত নোহোৱা হৈছিল। সম্প্ৰতি মাজুলী পাৰে শালমৰাৰ পৰা বেঙেনাআটীলৈ অসম চৰকাৰে ব্ৰহ্মপুত্ৰ ব'ৰ্ড আৰু জলসম্পদ বিভাগৰ দ্বাৰা ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ হয়তু সুফল ৰূপত দক্ষিণপাটৰ পৰা কমলাবাৰী ঘাটলৈ বৃহৎ চাপৰিৰ সৃষ্টি হৈছে। সেই চাপৰিৰৰ কাষতেই কমলাবাৰী ঘাট আলিমুৰত নিৰ্মাণ কৰা এই বিলাসী পৰ্যটক প্ৰকল্পই নিশ্চিত ৰূপত দৰবাৰ চাপৰিৰ এশবছৰীয়া ইতিহাস আকৌ প্ৰাসঙ্গিক কৰি তুলিব। চিন্তনীয় বিষয়, কমলাবাৰী এই ঘাট অঞ্চল সঘনে ব্ৰহ্মপুত্ৰৰ খহনীয়াত আক্ৰান্ত অঞ্চল। এনে অঞ্চলত নিৰ্মাণ কৰা এই কেইবা কোটি টকীয়া প্ৰকল্পৰ ভৱিষ্যতকলৈ সচেতন সকলৰ মনত অনেক প্ৰশ্নই ভুমুকি মাৰিছে। সকলোৰে এটাই দাবী কমলাবাৰী বৃহত্তৰ ঘাট অঞ্চলত স্থায়ী সুৰক্ষা আঁচনি ৰূপায়ণ কৰিলেহে অঞ্চলটোৰ লগতে উক্ত প্ৰকল্প সুৰক্ষিত হ'ব আৰু মাজুলীৰ পৰ্যটন উদ্যোগত ব্যাপক পৰিৱৰ্তন সাধিত হ'ব।

## চাবুৱাত ক'ভিডৰ নীতি-নিয়মক ভেঙুচালি ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ১০ জুলাই ঃ** ডিব্ৰুগড় জিলাৰ চাবুৱাত ক'ভিডৰ দ্বিতীয় লহৰত ৰাজ্যখনৰ অন্যান্য অঞ্চলৰ লগতে ব্যাপক হাৰত সংক্ৰমণ বৃদ্ধি পৰিলক্ষিত হৈছে। অৱশ্যে ক'ভিডত আক্ৰান্ত লোকৰ লগতে মৃত্যুৰ সংখ্যা বৰ্তমানে ক্ৰমান্বয়ে হ্ৰাস পোৱাটো এক সুলক্ষণীয়। পানীতোলা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক, স্বাস্থ্যকৰ্মীৰ উপৰি স্থানীয় প্ৰশাসনৰ তৎপৰতাত অতিমাৰী ক'ভিডৰ সংক্ৰমণ হ্ৰাসে অঞ্চলটোলৈ কিছু আশাৰ বতৰা কঢ়িয়াই আনিছে যদিও অতিমাৰী কৰ'নাৰ সংহাৰী এতিয়াও স্তিমিত হোৱা নাই। আজি চাবুৱাৰ বিভিন্ন স্থানত হোৱা ৫৯৬ ৰেপিড টেষ্টত ৬ লোকৰ দেহত কৰোতা ভাইৰাছৰ সংক্ৰমণ ধৰা পৰে । ইয়াৰে তিনিজন পানীতোলা স্বাস্থ্য কেন্দ্ৰৰ বাহিৰৰ বুলি খণ্ড সম্বনয়ক জ্যোতিৰ্ময় বৰুৱাই জনাইছে। বিষয়াগৰাকীয়ে জনোৱা অনুসৰি বৰ্তমানলৈকে কেন্দ্ৰ অধীনত প্ৰায় ৪২ হেজাৰ অধিক সংখ্যক লোকক ক'ৰোণা টেষ্ট কৰি ১০১১ জনৰ দেহত এই ভাইৰাছৰ উপস্থিতি ধৰা পৰিছে। ইয়াৰে প্ৰায়বোৰেই সুস্থ হৈছে। ইফালে চৰকাৰে ক'ভিড ৰোগ বিধ প্ৰতিৰোধৰ বাবে দিয়া সপ্তাহজোৰা ক'ভিড বিধি অনুযায়ী ১৬খন জিলাত পূৰ্বৰ বিধিকে বাহাল ৰাখি শিৱসাগৰকে ধৰি ডিব্ৰুগড় জিলাক জিলা প্ৰশাসনে কঢ়া নজৰত ৰখাৰ কথা আছিল যদিও কিন্তু চাবুৱা নগৰকে কেন্দ্ৰ কৰি গ্ৰাম্যাঞ্চলসমূহত ক'ভিড বিধি উলংঘন হোৱা পৰিলক্ষিত হৈছে। বৰ্তমানে ক'ভিডে শিশু আৰু কিশোৰ-কিশোৰীসকলক লক্ষ্য কৰি লোৱাৰ পিছতো কিন্তু চাবুৱাৰ বৃহত্তৰ অঞ্চলত ক'ভিডৰ ক্ষেত্ৰত আজি কোপটি গণ সচেতনতা দেখা পোৱা নগল। বজাৰৰ লগতে বাটে-পথে অনাহকত ভিৰ দেখাৰ উপৰি কোনো ধৰণৰ সামাজিক ব্যৱধান, মুখত প্ৰায়ে মাস্ক পৰিধান কৰা নকৰা, ভেকচিন কেন্দ্ৰ সমূহত অনাহক ভিৰ কৰা পৰিলক্ষিত হৈছে। ক'ভিডৰ এনে জটিল পৰিস্থিতিত ৰাইজৰ এনে উদাসীন আচৰণৰ সমান্তৰালকৈ প্ৰশাসনেও অদ্যাপি কোনো বিক্ষিপ্ত ব্যৱস্থা গ্ৰহণ নকৰাত সচেতন মহল শংকিত হৈ পৰিছে। এই ক্ষেত্ৰত চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক প্ৰণৱজ্যোতি দত্তই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সাংবাদিকৰ আগত কয় যে যদি ৰাইজে ক'ভিডৰ এনে জটিল সন্ধিক্ষণত ক'ভিডৰ বিধি উলংঘন কৰি থাকে তেন্তে অনাগত সময়ত ইয়াৰ পৰিস্থিতি অধিক অৱনতি ঘটাৰ স্থল আছে। স্থানীয় প্ৰশাসনেও এই ক্ষেত্ৰত নিৰ্লিপ্ত হৈ নাথাকি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সম্বনয়ক জ্যোতিৰ্ময় বৰুৱায়ো ৰাইজক কিছু সংযত হৈ ক'ভিড বিধি মানি চলিবলৈ আহ্বান জনাইছে।

### মৰাণত মৰ্মান্তিক ঘটনা

## ট্ৰেক্টৰ ধুবলৈ গৈ পুখুৰীত সলিল সমাধি যুৱকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১০ জুলাই ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত মৰাণৰ ২নং দিখাৰী গাঁৱৰ নিৰ্বাসী হিতেশ্বৰ বৰুৱাৰ পুত্ৰ ৰূপম বৰুৱা (২৩)ই অন্য দিনাৰ দৰে আজি খেতি পথাৰত টেক্টৰে হালবাই আহি পুখুৰীৰ পাৰত টেক্টৰখন ধুবলৈ লওতে পুখুৰীত পিছলি পৰে। ইয়াৰ পাছতে স্থানীয় প্ৰত্যক্ষদৰ্শীয়ে যুৱকজনক পুখুৰীৰ পাৰৰ পৰা উঠাই আনি মৰাণ মেডিকেল চেণ্টাৰলৈ নিয়ে যদিও চেণ্টাৰৰ কৰ্তৃপক্ষই মৰাণ তিলৈ সামূহিক স্বাস্থ্য কেন্দ্ৰলৈ প্ৰেৰণ কৰে। মৰাণ তিলৈ সামূহিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসকে যুৱকজন মৃত বুলি ঘোষণা কৰে।


অসম চৰকাৰ

## কৃতজ্ঞতা

**ক'ভিড-১৯ৰ টিকাকৰণ অভিযানক জনআন্দোলনলৈ ৰূপান্তৰ কৰাৰ বাবে অসম চৰকাৰে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰ্থিক বৰঙণি আগবঢ়োৱা নিম্নোক্ত ব্যক্তি / অনুষ্ঠানৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।**

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

| ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি |
|---|---|
| গুডৰিক গ্ৰুপ লিঃ | ৩,৬৩,০০০ টকা |
| ষ্টিৰাৰ্ট হল (ইণ্ডিয়া) লিঃ | ৪,০৭,০০০ টকা |
| আমগুৰি ইণ্ডিয়া লিঃ | ৫,২৪,০০০ টকা |
| কম্বাৰ টি কোঃ প্ৰাঃ লিঃ | ২,৩৭,০০০ টকা |
| দা যোৰহাট গ্ৰুপ লিঃ | ৩,৯৪,০২০ টকা |
| কলনী টি ষ্টেট প্ৰাঃ লিঃ | ১,১৬,৭৩৮ টকা |
| লক্ষ্মী টি কোঃ প্ৰাঃ লিঃ | ১৩,৫২,৫১০ টকা |
| চিলনীবাৰী টি কোঃ লিঃ | ৮৮,৫১০ টকা |
| ৰাৱেন টি লিঃ | ৫,০০,০০০ টকা |
| বটেলি টি কোঃ লিঃ | ১,১১,৯৪৯ টকা |
| এমালগেমেটেড প্লাণ্টেশ্বনছ প্ৰাঃ লিঃ | ২৪,০০,০০০ টকা |
| পৰী এগ্ৰ' ইণ্ডাষ্ট্ৰীছ লিঃ | ১,২৮,২০৩ টকা |
| কল্যাণী টি কোঃ লিঃ | ৭১,০৩৭ টকা |
| মৰঙি প্ৰাইভেট লিমিটেড | ৬০,০০০ টকা |
| বিচ্ছেশ্বৰলাল মান্নালাল এণ্ড চনছ | ৫০,০০০ টকা |
| দয়াপৰী টি এণ্ড ইণ্ডাষ্ট্ৰীছ প্ৰাঃ লিঃ | ৬০,০০০ টকা |
| ছলন্নাহ টি প্ৰাইভেট লিমিটেড | ১,৯৬,৮২১ টকা |
| সত্যনাৰায়ণ টি কোঃ প্ৰাঃ লিঃ | ৬০,০০০ টকা |
| জাতিংগা টি লিঃ | ১,২০,০০০ টকা |
| ৰাছেল টি | ৫,৪০,৮৬৭ টকা |
| গিলাগুৰ্চ আৰ্বথনট এণ্ড কোঃ লিঃ | ২,৫০,৯২৯ টকা |
| মধুটিং টি প্ৰাইভেট লিমিটেড | ১,০০,০০০ টকা |
| ধুনশ্ৰী টি এণ্ড ইণ্ডাষ্ট্ৰীছ লিঃ | ৬,০০,০০০ টকা |
| বেংগল টি এণ্ড ফেব্ৰিকছ লিঃ | ১,২৯,৪৮৭ টকা |
| টাইৰোণ টি কোঃ লিঃ | ১,২০,০০০ টকা |
| ধুলি টি প্লাণ্টেশ্বনছ প্ৰাঃ লিঃ | ১,৪১,০০০ টকা |
| ৰঙামাটি টি এণ্ড ইণ্ডাষ্ট্ৰীছ লিঃ | ৮৯,৭১৫ টকা |
| জোনাকতলী টি এণ্ড ইণ্ডাষ্ট্ৰীছ লিঃ | ২,০০,০০০ টকা |
| দা বৰমাহজান টি কো ১৯৩৬ লিঃ | ১,৫০,০০০ টকা |
| ধলাই টি কোঃ প্ৰাঃ লিঃ | ৬০,০০০ টকা |
| চেভিয়েট এগ্ৰ' ইণ্ডাষ্ট্ৰীছ (প্ৰাঃ) লিঃ | ৮৬,৯০০ টকা |
| মৰনৈ টি ষ্টেট | ৫০,০০০ টকা |
| দা স্কটিছ আসাম ইণ্ডিয়া লিঃ | ১,৩৮,৩১৩ টকা |
| বাদুলিপাৰ লিঃ | ২,১০,০০০ টকা |
| জয়শ্ৰী টি এণ্ড ইণ্ডাষ্ট্ৰীছ লিঃ | ১৪,৬৪,৩০৮ টকা |
| এম কে জকাই এগ্ৰ' প্লাণ্টেশ্বনছ প্ৰাঃ লিঃ | ৫,৩০,০০০ টকা |
| ধিনদাই টি এণ্ড ইণ্ডাষ্ট্ৰীছ প্ৰাঃ লিঃ | ৬০,০০০ টকা |
| এপিজে টি লিঃ | ১৯,৯৬,০৫৩ টকা |
| মেকলয়ড ৰাছেল ইণ্ডিয়া লিঃ | ৪৩,৯২,৭৬৬ টকা |
| শান্তি নিকেতন জনসেৱা আশ্ৰম | ২০,০০০ টকা |
| শুধৰণি- দলৈৰাম পাঠক কলেজ অৱ টিছাৰ এডুকেশ্বন, টিহু | ১০,০০০ টকা |
| আৰাধ্য ৰেলফেয়াৰ ছ'চাইটি | ১৭,০০০ টকা |
| উত্তৰ নুনমাটি | ২,০০০ টকা |
| মহম্মদ ছাইদুল ইছলাম | ৫,০০০ টকা |
| কল্যাণ দে' | ১০০ টকা |
| আৰাধনা দে' | ১০০ টকা |
| দত্ত হাৰ্ডৱেৰ | ৫,০০০ টকা |
| টিনলিয়ানথাং ভাইপ | ১,০০,০০০ টকা |
| বিতুপন ৰাইদঙীয়া | ১,১১,১১১ টকা |
| তৰুণ চন্দ্ৰ বৰঠাকুৰ | ৬০০ টকা |
| ভেংকটা সন্দীপ বি | ২০,০০০ টকা |
| বিদ্যাসাগৰ বৰগোঁহাই | ১,৫০৩ টকা |
| ৰিকি মোহন | ১০১ টকা |
| অৰূপ কলিতা | ১,১১১ টকা |
| বিকি দেৱনাথ | ১০২ টকা |
| প্ৰণকিলা সেন | ১০০ টকা |
| মেঘনা গৌতম | ২০০ টকা |
| মনজিৎ ভূঞা | ১,০০০ টকা |
| অঞ্জন বুঢ়াগোঁহাই | ২,০০০ টকা |

| ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি |
|---|---|
| হাৰুন অল ৰছিদ | ৬২৪ টকা |
| কৃষণ কুমাৰ চ' | ২০০ টকা |
| জ্ঞানশ্ৰী বৰা | ১০০ টকা |
| প্ৰিয়ংকা ফুকন | ৩,০০০ টকা |
| মিহিৰ ব্ৰহ্ম চৌধুৰী | ১,৫০১ টকা |
| ৰীতা দুৱৰা | ২,০০০ টকা |
| ভাস্কৰ ফুকন | ৮,০০০ টকা |
| শান্তনু কৌশিক হাজৰিকা | ১৫০ টকা |
| নিহাৰেন্দু ধৰ | ১,০০০ টকা |
| ৰিতেশ ভট্টাচাৰ্য্য | ১,০০১ টকা |
| বিজয় পোদ্দাৰ | ১,০০১ টকা |
| লক্ষীপ্ৰভা শৰ্মা | ১,১০০ টকা |
| মনীষ কুমাৰ চক্ৰৱৰ্তী | ১,০০১ টকা |
| পোনাৰাম কছাৰী | ২,০০০ টকা |
| মফিদা আহমেদ | ১,০০০ টকা |
| সৰোজ ট্ৰেডাৰ্ছ | ২,০০১ টকা |
| সৌৰভ কলিতা | ১,০০১ টকা |
| ৰমেশ বণিয়া | ১,০০০ টকা |
| প্ৰণৱেশ দস্তিদাৰ | ৫০০ টকা |
| অনুপম দাস | ১,০০০ টকা |
| প্ৰকাশ চন্দ ভোৰা | ২,১০০ টকা |
| বৰ্ষা লহিয়া | ৫,০০১ টকা |
| শুভ্ৰজিৎ ভট্ট | ৩০১ টকা |
| ড° নবনিতা ভট্টাচাৰ্য্য | ৫,০০০ টকা |
| ভুবন চন্দ্ৰ দাস | ১,৫০১ টকা |
| পশ্চিম বঙাল পুখুৰী মহিলা সমিতি | ১,০০০ টকা |
| কল্পনা গোঁহাই | ১,০০০ টকা |
| জয়ন্ত শৰ্মা | ৫,০০০ টকা |
| প্ৰিন্স কাকতী | ১,০০০ টকা |
| নবজিৎ গগৈ | ৭৫১ টকা |
| অভিজিৎ মণ্ডল | ৭০০ টকা |
| প্ৰভাত চন্দ্ৰ শৰ্মা নেওঁগ | ৩০০ টকা |
| গৌৰ সাহা | ১,০০০ টকা |
| ড° জয়ন্ত সাউদ | ১,২৩৪ টকা |
| সুৰেশ কলিতা | ২০১ টকা |
| ৰবি সোনাৰ | ৫০১ টকা |
| কৌশিক ডেকা | ৫০১ টকা |
| নবজ্যোতি বণিয়া | ১,০০০ টকা |
| ভাৰ্গৱ দাস | ১,২০০ টকা |
| যোৰহাট ফেন্‌চি কল্‌থ ষ্টোৰছ | ১১,০০০ টকা |
| বাবুলাল গাগৰ | ১,১০০ টকা |
| ৰমেশ গাগৰ | ১,১০০ টকা |
| দেবতোষ নন্দী | ৬০১ টকা |
| সন্তোষ গাগৰ | ১,১০০ টকা |
| ওম প্ৰকাশ গাগৰ | ১,১০০ টকা |
| তৃষ্ণা দাস | ৮২৫ টকা |
| দিলীপ কুমাৰ আগৰৱালা | ১,০০০ টকা |
| প্ৰনৱ পাঠক | ১০১ টকা |
| জয়নাৰায়ণ ভট্টাচাৰ্য্য | ৩০১ টকা |
| সুৰজিৎ দে' | ১,০০০ টকা |
| বিজয় চেত্ৰী | ১,০০০ টকা |
| হৰধন ধৰ | ৩০০ টকা |
| ৰূপেন্দ্ৰ চন্দ্ৰ শৰ্মা | ৬,০০০ টকা |
| সঞ্জয় চৌধুৰী | ১,২০০ টকা |
| সঞ্জীৱ কুমাৰ চৌধুৰী | ৩,০০০ টকা |
| প্ৰেমলাল শৰ্মা | ৫০১ টকা |
| উৎপল হাজৰিকা | ১০১ টকা |
| নগেন্দ্ৰ প্ৰসাদ শৰ্মা | ১,২০১ টকা |
| জ্যোতিৰ্ময়ী দেৱী | ৫০১ টকা |
| নৈবেদ্যনন্দন সোণোৱাল | ৫০০ টকা |
| মধু দে' | ৫,০০০ টকা |

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ একাউণ্ট নম্বৰ ঃ
35969660230 (SBI) IFSC Code: SBIN0010755, PAN: AAAPC4667K

Janasanyog/D/2412/21

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Follow Us /@diprassam https://dipr.assam.gov.in/